ৰঙিয়া মহাবিদ্যালয়

# আলোচনী



সম্পাদক—দশৰথ কলিতা

# ৰঙিয়া মহাবিদ্যালয় আলোচনী

## ইং ১৯৮৭-৮৮ চন

## সপ্তদশ সংখ্যা

তত্বাৱধায়ক
শ্ৰীউমেশ চন্দ্ৰ গোস্বামী

সম্পাদক
শ্ৰীদশৰথ কলিতা

# সম্পাদনা সমিতিঃ—

সভাপতি—শ্ৰীযুত নীলকান্ত মহন্ত (অধ্যক্ষ)
তত্বাৱধায়ক—শ্ৰীযুত উমেশ চন্দ্ৰ গোস্বামী (অধ্যাপক)

কোষাধ্যক্ষ—চফিউদ্দিন আহমেদ
সদস্য—লীলাধৰ শইকীয়া
জাকিৰ হুচেইন
কৰিমা বেগম
গীতিমণি ডেকা

সম্পাদক—শ্ৰীদশৰথ কলিতা

বেটুপাত—ৰবীন্দ্ৰ বৰ্মণ

ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ মুদ্ৰণ ●
ৰশ্মি প্ৰেছ : ৰঙিয়া।

Vice-Chancellor

Phone-
88408 (Res.)
88412 (Office)
GAUHATI UNIVERSITY
Guwahati-781014
Assam, India

## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত মহাবিদ্যালয়ৰ আলোচনীখনৰ পৰৱৰ্ত্তী সংখ্যা প্ৰকাশৰ যো-জা কৰা হৈছে বুলি জানিব পাৰি সুখী হৈছো। আমাৰ আশা থাকিল যে আলোচনীখনে ছাত্ৰ-ছাত্ৰী সমাজৰ সৃজনশীল প্ৰতিভাৰ প্ৰতিফলন ঘটোৱাত সহায়ক হৈ উঠিব।

স্বাক্ষৰ/দেৱ প্ৰসাদ বৰুৱা

# শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি

অসমৰ ছৱৰীয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া মহান শ্বহীদ সকললৈ—

আৰু

যোৱা বছৰকেইটিত অসম বিভাজনৰ দাবীত অকাৰণে হত্যাৰ বলিহোৱা সকললৈ—

আৰু

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, উপদেষ্টা, অসমৰ প্ৰাক্তন মন্ত্ৰী ৺ ললিত চন্দ্ৰ ৰাজখোৱা দেৱৰ লগতে ৰঙিয়াৰ বিশিষ্ট ব্যক্তি ৺ উপেন্দ্ৰ মল্ল তালুকদাৰ, শিক্ষক কমলা কান্ত কলিতা প্ৰমুখ্যে জ্ঞাত-অজ্ঞাত সকলোলৈ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি নিবেদন কৰাৰ লগতে বিদেহী আত্মাৰ সদ্‌গতি তথা চিৰ শান্তি কামনা কৰিলোঁ।

সম্পাদক
ৰঙিয়া মহাবিদ্যালয় আলোচনী

# এই সংখ্যাত

**প্ৰবন্ধঃ**

সঞ্জীৱ কুমাৰ ভাগৱতী/১, অধ্যাপক চৈয়দ চফিউদ্দিন আহমেদ/৯, দিনমণি ডেকা/১৬, গীতিমণি ডেকা/২৫ চম্পাৱতী কলিতা/২৮, বীৰেন্দ্ৰ নাথ শৰ্ম্মা/৩১, অনজলী শৰ্মা/৩৪, হলধৰ দাস/৩৭

**কবিতাঃ**

দশৰথ কলিতা/৩৯, অতুল কলিতা/৪০ লুতফুৰ ৰহমান/৪১, হেমন্ত কুমাৰ গোস্বামী ৪২, প্ৰতুল কুমাৰ ভট্টাচাৰ্য্য ৪২. নৃপেন ডেকা/৪৩, হিৰেন্দ্ৰ কলিতা/৪৪, আশ্ৰফ চৌধুৰী/৪৪. জুতিকা শালৈ/৪৫ পবিন শৰ্মা/৪৬

লিখিছে

সম্পাদক-ক

**গল্পঃ**

লীলাধৰ শালৈ/৪৭, বিজুলী চক্ৰৱৰ্ত্তী/৫২. আৰতী পাঠক/৫৬, মিছ ৰৌচনাৰা বেগম/৬১, অপূৰ্ব কুমাৰ ডেকা/৬৪, বিভিন্ন সম্পাদক সকলৰ প্ৰতিবেদন-৬৭ পৰা ৮০ লৈ।





## সম্পাদকীয়

বঙিয়া মহাবিদ্যালয় বহু ৰাইজ তথা বহু ছাত্ৰ-ছাত্ৰীৰ শাশ্বত আশা অভীপ্সাৰ কেন্দ্ৰ। এই মহাবিদ্যালয়ৰ শিক্ষাৰ কল্যাণকলস্ৰোতৰ উচ্ছল প্ৰভাৱে সমস্ত জনকে কল্যাণত উজ্বল কৰি ৰাখে শুভ-প্ৰভাতৰ প্ৰভাতী সঙ্গীতত, জগাই তোলে সন্দীপনাৰ তুৰ্য্যধ্বনিত প্ৰতি প্ৰত্যেককে তুৰ্য্য কৰি। আমিওঁ সমস্ত জনে পাইছো শক্তি, স্বস্তি আৰু শান্তি, অমৃত গৱেষনাৰ গৌৰৱ-লোলুপ অভিনিযান্দী অনুগমনত।

কিন্তু আজি এই মহাবিদ্যালয়ৰ অমল প্ৰতিচ্ছবি আমাৰ ৰাইজৰ জনমানসত ম্লান আৰু ধূসৰ হৈ যাবলৈ ধৰিছে। মহাবিদ্যালয়ৰ শৈক্ষিক তথা প্ৰত্যাহিক জীৱনৰ নিৰবিচ্ছিন্ন প্ৰগল্ভ ধাৰা হৈ পৰিছে শ্লথ আৰু প্ৰাণ প্ৰাচুৰ্যহীন। ইয়াৰ অধ্যয়নৰ উচ্ছল আলোকৰ অম্লান জ্যোতি হৈ পৰিছে স্তিমিত। শিক্ষক-ছাত্ৰৰ প্ৰাণময় মধুময় বন্ধন হৈ পৰিছে শিথিল। এই তমসাই আচন্ন কৰি ৰাখিছে সমস্ত দেশখনৰেই শৈক্ষিক পৰিবেশটোকো। যেতিয়ালৈকে অন্যৰ সুষ্ঠত্ব বজাই ৰাখি তাত সকলো ত্ৰুটি নকৰাকৈ, নিজৰ নিচিনাকৈ পৰিবেশক ভাল পাব নোৱাৰিম তেতিয়ালৈকে ঘুৰি নাহিব আমাৰ জীৱনলৈ শৈক্ষিক পৰিবেশৰ প্ৰগলভ্ ধাৰাটো।

সাহিত্য সংস্কৃতিৰ পৰিসৰ নাই। ইয়াৰ মিছিল ঘটে প্ৰাচ্য-পাশ্চ্যাত্যৰ মাজত। এটা সংস্কৃতি অইন এটা সংস্কৃতিৰ মাজত মিছিল ঘটি অজীৰ্ণ-বিজাতৰীয়া হব নোৱাৰে। যদিহে সমাজৰ ব্যক্তিৰ চিন্তা ধাৰা বিজাতৰীয়া নহয়। আজি দেশৰ কৃষ্টি-সংস্কৃতি ধৰ্ষিত হৈছে তপ-দ্যোতনাৰ বৰ্জনাত, ঐতিহ্যক অৱহেলা কৰি কু-কৃতিৰেই কুসৰ্জ্জনাত। ইয়েই–সাহিত্য–সংস্কৃতিৰ পৰিমণ্ডলত সাহিত্য–সংস্কৃতিৰ কল্পতৰু বৃক্ষ জাতিষ্কাৰ হৈ উঠাৰ আশা অলীক কল্পনা মাত্ৰ কৰি তুলিছে। আজি আমাৰ মহাবিদ্যালয়ৰ সমগ্ৰ সংগঠনটো হৈ পৰিছে থৰক–বৰক। যদিহে আমাৰ ছাত্ৰ সমাজে আত্ম প্ৰতিষ্ঠাৰ নিদাৰুন সংঘাত আৰু সংগ্ৰামৰ প্ৰকৃত মূল্যায়ন দিব নোৱাৰে তেনেহলে মহাবিদ্যালয়ৰ তথা দেশৰ পৰিপাৰ্শ্ব সাহিত্য-কলা–সংস্কৃতিৰ মন্দাকিনী জলধাৰ বায়ু প্ৰৱাহিনী

হৈ শুকাই যাব। স্বদেশৰ কৃষ্ণ-উষৰ মৃত্তিকা উৰ্বৰ কৰিবলৈ, স্বজাতিৰ স্থবিৰ-নিৰ্জীৱ দেহত প্ৰাণৰ সঞ্চাৰ কৰিবলৈ এই অনুষ্ঠানৰ ভেটিত; এই মহাবিদ্যালয়ৰ প্ৰাঙ্গনত পুনৰ আলোকিত কৰিব লাগিব সাহিত্য-কলা-কৃষ্টি শিক্ষা-সংস্কৃতিৰ অক্ষয় হোমাগ্নি—ইয়াতে প্ৰস্ফুটিত হব লাগিব দেশৰ জন-গণৰ কল্যাণৰ বাবে অভিনৱ সঞ্জিৱনী।

আজিৰ সমাজৰ শান্তিকামী প্ৰত্যেকেই সকলো সমস্যা উৎপীড়ন, বিহ্বলতা আৰু সংঘাট অতিক্ৰম কৰি স্বৰ্গীয় প্ৰেমৰ শাসনত শাসিত হৈ সু-শান্তিত জীৱনটো অতিবাহিত কৰিব খোজে। কিন্তু আজি ব্যক্তি জীৱনৰ পৰা আৰম্ভ কৰি সমাজ-জীৱন, ৰাষ্ট্ৰ-জীৱন পৰ্য্যন্ত সকলোতেই যেন এক অচলায়তনৰ সৃষ্টি হৈছে। উপস্থিত হৈছে; মহা সংকট কাল। মানুহ আজি নানান সমস্যাত জৰ্জৰিত, শতধাবিধ্বস্ত, ক্ষত-বিক্ষত। আজি আমি প্ৰবৃত্তি-পৰতন্ত্ৰী মানুহে নিজ নিজ বুদ্ধিৰ দ্বাৰা যিমানেই সমস্যা সমাধানৰ পথ নিৰ্ণয় কৰিছোঁ সমাজৰ বুকুত সিমানেই দেখা দিছে মতভেদ, দলাদলি, বিশৃঙ্খলা, অনাচাৰ, ব্যাভিচাৰ, অত্যাচাৰ অশান্তি উৎপীড়ন। এনেকি শেষত গৈ ধ্বংসৰ তাণ্ডৱ নৃত্যও। স্বাৰ্থলোলুপ, দোষ-দৃষ্টি সম্পন্ন, আত্মকেন্দ্ৰিক, সংকীৰ্ণমনা ব্যক্তিৰ চক্ৰান্তত পৰি মানুহৰ অন্তৰত জ্বলি উঠিছে অশান্তিৰ দাৱানল, ক্ষমতালোভী ৰাজনৈতিক দলৰ ষড়যন্ত্ৰৰ কবলত পৰি এক শ্ৰেণীৰ মানুহ আজি বিপদ গ্ৰস্ত। প্ৰাদেশিকতাই সাম্প্ৰদায়িকতাই মানুহৰ মনত সৃষ্টি কৰিছে আলোড়নৰ আৰু চলিছে এক মৰণ বিভীষিকা। বস্তু-বাহানিৰ উৰ্দ্ধগামী মূল্যবৃদ্ধিয়ে দিনে-দিনে জটিল কৰি তুলিছে পৰিস্থিতি। ধৰ্মৰ নামত চলিছে অনাচাৰ ব্যাভিচাৰ। শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত বিৰাট এক নৈৰাশ্য। এই সকলো সমস্যাৰ অৱসান ঘটিব। যদি আমি, মহাপুৰুষে কোৱা—'মাঁ ম্ৰিয়স্ব, মাঁ জহি শক্যতে চেৎ মৃত্যুসৱলোপয়' —অৰ্থাৎ 'নমৰিবা, নামাৰিবা, যদি পাৰা মৃত্যুক অবলুপ্ত কৰা।''—এই বাক্য শাৰিৰ আদৰ্শত মহীয়ান হৈ জীৱন বৃদ্ধাদিৰ অনুগমনত মলয়হিল্লোলী মাতৃৰ বুকুত প্ৰত্যেকেই দৰ-দৰদী আলিঙ্গনত অগ্ৰগামী হওঁ। যদিহে আমি প্ৰতিক্ৰিয়াশীল চক্ৰান্তকাৰী সকলৰ অপচেষ্টাক, এক মুষ্টিবদ্ধ হৈ ব্যাহত কৰিব পাৰো আৰু তেতিয়াই হ'ব আমাৰ জাতিসত্তা শক্তিশালী, পাৰস্পৰিক সম্প্ৰীতিৰ এনাজৰী হৈ পৰিব অনাবিল অনন্ত সুদূৰ প্ৰসাৰী।

এইবেলি আমাৰ মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰত আত্ম সমালোচনাৰ দৃষ্টিৰে আলোকপাত কৰিলে দেখা যাব যে—মহাবিদ্যালয়ৰ ৰুগ্ন বাতাবৰণৰ প্ৰভাৱ মোৰ কাৰ্যকালৰ আলোচনী খনত অৱধাৰিত ভৱেই নপৰাকৈ থকা নাই। প্ৰয়োজনীয় গল্প-প্ৰৱন্ধ, কবিতা-অনুবাদ আদিৰ অভাৱ, প্ৰাপ্ত ৰচনা সমূহৰ বৰ্ণাশুদ্ধি তথা বাক্য গাঠনিৰ বিভ্ৰাটে মোক তথা মোৰ সহযোগী সকলৰ অৱস্থা সপ্তৰথী পৰিবেষ্টিত অভিমন্যু সদৃশ কৰি তুলিছিল। কবলৈ লাজ লাগে আৰু কলেওঁ জোলোঙাৰ মেকুৰীটো ওলাই পৰে। নকলেওঁ ………… ………… ………………… নহ'লেনো ………… ক'ত জনৰ পাদপদ্মত নতি স্বীকাৰ কৰিব লাগে নে?



তেনেদৰে মহাবিদ্যালয়ত হোৱা প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ তাকৰীয়া সংখ্যাই আৰু শিক্ষক সকলৰ বহি বাহু পাঠ্যক্ৰম কাৰ্য্যৱলীও নিষ্ক্ৰিয় ভূমিকাই মহাবিদ্যালয়ৰ উজ্জ্বল-স্বৰ্ণ-ভৱিষ্যতৰ পথত তমসাৰ আমোঘ এন্ধাৰে পৰিবেষ্টিত কৰিতোলা সৰ্বজন হীতাকাংশী লোকৰে দৃষ্টি আকৰ্ষন হৈছে আৰু সকলোৰে হতাশ আৰু সৌভাগ্যৰ ভাৱে দোদ্ধল্যমান অৱস্থাত ৰাখিছে।

আমি আশাবাদী। আমি দৃঢ় বিশ্বাস কৰোঁ যে নিশ্চিদ্ৰ অন্ধকাৰৰ পৰিসমাপ্তি ঘটাই এদিন উদিত হব প্ৰত্যয়ৰ সোণালী সূৰ্য্য। সৱিতাৰ প্ৰখৰ জ্যোতিয়ে আঁতৰাই দিব সমাজৰ তথা ছাত্ৰ সমাজৰ ক্লেদ-জৰ্জৰতা। আন্দোলিত হৈ উঠিব ছান্দোগ্য সংগীতত ৰঙিয়া মহাবিদ্যালয়। প্ৰতিষ্ঠাৰ উদ্যমত নাচি উঠিব, নিনড় অৱসাদ উন্মত্ত দিবা-স্বপ্নৰ-ফল নিষ্ফলাৰ স্থবিৰতাক প্ৰত্যাহবান জনায়। সহস্ৰ কণ্ঠত পুণৰ ধ্বনিত হব পৰম প্ৰজ্ঞাৰ অনঘ সংগীত। চৌদিশে দিগন্ত প্ৰসাৰী আলোড়িত হব স্বৰ্ণ ভৱিষ্যতৰ দন্দুভি, সদৌ বিশ্বত বাজিব অন্তহীন অনুৰণন। নিশ্চয়কৈয়ে দুৰ্ভাগ্যৰ বুকুত স্খলিত হোৱা প্ৰাচীন কলা-সংস্কৃতি, ঐতিহ্যৰ খোদিত হব নৱ ভাষা বিজ্ঞান, কলা-সংস্কৃতিৰ শাশ্বত, প্ৰোজ্বল ভাস্কৰ্য্য।

শ্ৰীদশৰথ কলিতা
সম্পাদক

# কৃতজ্ঞতা জ্ঞাপন-

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ইং ১৯৮৭-৮৮ চনৰ আলোচনীখন প্ৰকাশ কৰাত বিভিন্ন ধৰণে আমাক সহায়-সহযোগ কৰা নিম্নোক্ত শ্ৰদ্ধেয় ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

● ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্ব্বাহক সমিতি ●

- শ্ৰীযুত নীলকান্ত মহন্ত, অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়।
- অধ্যাপক শ্ৰীযুত অমৰেন্দ্ৰ শৰ্মা।
- অধ্যাপক শ্ৰীযুত গদাধৰ ফাটোৱালী।
- অধ্যাপক শ্ৰীযুত নবেন্দ্ৰ কলিতা।
- অধ্যাপক শ্ৰীযুত হৰেন্দ্ৰ শৰ্মা।
- শ্ৰীদীপক দাস, প্ৰাক্তন, সাধাৰণ সম্পাদক, তথা উপ-সভাপতি, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।
- শ্ৰীজনেক বৈশ্য, গাণনিক, ৰঙিয়া মহাবিদ্যালয়।
- শ্ৰীঅবনী কলিতা, কাৰ্য্যালয় সহায়ক ৰঙিয়া মহাবিদ্যালয়।
- শ্ৰীৰমনী ৰাজবংশী, " "

—সম্পাদনা সমিতি—
ৰঙিয়া মহাবিদ্যালয় আলোচনী
সপ্তদশ সংখ্যা



# সোঁৱৰণ



৺ জলিলুদ্দিন আলী

ৰঙিয়া মহাবিদ্যালয়ৰ স্নাতক ৩য় বাৰ্ষিক ( বিজ্ঞান )ৰ ছাত্ৰ জলিলুদ্দিন আলীয়ে আমাৰ মাজৰ পৰা হঠাতে সকলোকে কন্দুৱাই মৃত্যুক আকোঁৱালি লয়।

তেওঁক আজি পুনৰ আন্তৰিকতাৰে সোঁৱৰিছোঁ আৰু অশ্ৰু নিবেদন কৰি, আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ।

সম্পাদক

# প্রবন্ধ

প্ৰবন্ধ

# ভূপেন হাজৰিকা
## (এটি মূল্যায়ন)

শ্ৰীসঞ্জীৱ কুমাৰ ভাগৱতী
স্নাতক তৃতীয় বাৰ্ষিক
(কলা)

ইং ১৯২৬ চন। এই বছৰটোক অসমৰ এটি নতুন যুগৰ পাতনিৰ বছৰ বুলিব পাৰি। এই যুগটো হ'ল অসমৰ কলাকৃষ্টি বিকাশৰ যুগ, অসমৰ সাংস্কৃতিক আন্দোলনৰ যুগ, গন-চেতনা বিকাশৰ যুগ অসমৰ সৰ্ব্বাঙ্গীন বিকাশৰ বাবে কৰা আন্দোলনৰ যুগ। এই বছৰটোৰ ভাদ মাহত অসমৰ সাংস্কৃতিক আকাশ পোহৰাবলৈ এটি উজ্জ্বল নক্ষত্ৰৰ জন্ম হৈছিল যাৰ জ্যোতিয়ে আজি অসমৰ লগতে সমগ্ৰ ভাৰতকো জ্যোতিষ্মান কৰি তুলিছে। এই মহান যুগস্ৰষ্টা জনৰ বিষয়ে আমাৰ অলপীয়া জ্ঞানৰে লিখিবলৈ যোৱাটো আচলতে "অহো বলিয়ালি"হে, তথাপি তেখেতৰ জীৱনৰ দুটি-এটি কথা লিখিবলৈ কাপ লৈছো— ১৯২৬ চন। ভাদ মাহ। এই সময় ছোৱাতে অসমৰ পূব প্ৰান্তত থকা শদিয়া চহৰৰ ওচৰৰ এখন অকা গাওঁত এজন অসমীয়া ভদ্ৰ লোকৰ ঘৰত এটি নবজাত শিশুৰ কান্দোন শুনিবলৈ পোৱা গৈছিল, এই কান্দোনেই যেন শেষত সুৰত পৰিনত হৈছিল—, যি সুৰ আজি অসমৰ তথা ভাৰতবৰ্ষৰ আকাশত নিনাদিত। যি জন অসমীয়া ভদ্ৰলোকৰ ঘৰত এই কান্দোন শুনিবলৈ পোৱা গৈছিল সেই ভদ্ৰলোক জনৰ নামহ'ল ৺ নীলকান্ত হাজৰিকা আৰু সহ-ধৰ্মিনী গৰাকীৰ নাম হল ৺ শান্তি প্ৰিয়া হাজৰিকা। তেওঁলোকে এই নব-জাতকৰ নাম ৰাখিলে ভূপেন্দ্ৰ কুমাৰ হাজৰিকা যিজন বৰ্ত্তমানৰ গীতিকাৰ, সুৰকাৰ সাহিত্যিক, সুবক্তা, দেশপ্ৰেমিক দৰদী শিল্পী পদ্মশ্ৰী ডঃ ভূপেন হাজৰিকা। বিশ্বৰ জনগনৰ এজন মহান শিল্পী। আকাশক যি ভাবেই বিশ্লেষণ কৰা নহওঁক কিয় – আকাশ সদায় আকাশেই। সেই আকাশক চুই চাবলৈ বিচৰা জনৰ পৰা আকাশ যি দূৰত্বত অবস্থিত সিমান দূৰত্বত বাঙ্ময় ব্যক্তিত্বৰে এইজন ব্যক্তিওঁ অৱস্থানৰত। কোনোজনে কৈছিল— "You can dislike him, You can hate him, but you cannot ignore him.' যাৰ জীৱনক, যাৰ সংগ্ৰামক, যাৰ প্ৰতিভাক কোনেও কাহানিও অস্বীকাৰ কৰিব নোৱাৰে। সেইজন বহু বিতৰ্কিত ব্যক্তি আন কোনো নহয়— "মোৰে আইৰ চম্পাৰে ফুলনি" অসমৰ মাটিৰ ল'ৰা, অসমৰ সৰস মাটিৰ বুকুত জন্ম লোৱা

ডঃ ভূপেন হাজৰিকা।

হাজৰিকা দেৱৰ পিতৃ ৺নীলকান্ত হাজৰিকাৰ জন্ম হয় অনুমানিক ১৯০১ চনত শিৱসাগৰৰ পৰা ১৫ কিঃ মিঃ দূৰত অৱস্থিত নাজিৰা চহৰত। জীৱনৰ প্ৰথম ছোৱাত এম-ই স্কুলত শিক্ষকতা কৰাৰ পিছত তেখেতে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত শিক্ষক হিচাবে যোগদান কৰে। এই সময় ছোৱাতে তেখেতে ভৰলুমুখৰ শান্তিপ্ৰিয়াক বিয়া কৰাই যুগ্ম জীৱনৰ পাতনি মেলে। তেখেতৰ দহটি ল'ৰা-ছোৱালীৰ ভিতৰত ভূপেন হাজৰিকাই হ'ল জ্যেষ্ঠ আৰু দৰদী কণ্ঠৰ গায়ক সমৰ হাজৰিকা হ'ল কনিষ্ঠ। জীৱনৰ শেষৰ ফালে হাজৰিকাদেৱে অসম চৰকাৰৰ প্ৰশংসনীয় সেৱাত যোগদান কৰি মেজিষ্ট্ৰেট হিচাপে কিছুবছৰ কাম কৰি ১৯৫২ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ৺হাজৰিকাৰ শিল্পী সুলভ মনটিৰ বাবেই তেখেতৰ পুত্ৰ-কন্যা প্ৰায় আটাই কেইগৰাকীয়ে শিল্প সাধনাত ব্ৰতী হোৱা বুলি কলেও সম্ভৱ ভুল কোৱা নহব। তেখেতে লিখা গীতবোৰৰ কিছুমান ইতিমধ্যে ভূপেন হাজৰিকা আৰু সুদক্ষিনা শৰ্মাই সুৰদি ৰেকৰ্ড কৰিছে। ১৯৬৬ চনৰ লক্ষী পূৰ্ণিমাত এই গৰাকী মহান পিতৃৰ গুৱাহাটীৰ নিজৰা পাৰত থকা নিজা বাসভৱনত পৰলোকগত হয়।

ভূপেন হাজৰিকা এটি নাম নহয়, এটি গীত নহয়, এটি অনুষ্ঠান, এটি সংগ্ৰাম, নামেই যাৰ পৰিচয়, পৰিচয়ে যাৰ বক্তব্য, বক্তব্যই যাৰ জীৱন দৰ্শন।

কোনোজনে কৈছিলে—"মানব প্ৰেমী সঁচা শিল্পীজন কেতিয়াও পিঞ্জৰা বন্ধ চৰাইৰ দৰে হব নোৱাৰে।" তেওঁ এজন সজ শিল্পী। এই কথাটি তেওঁৰ এই গানৰ পৰাই গম পোৱা যায়। তেওঁ গাইছে—

"মই এটি যাযাবৰ
ধৰাৰ দিহিঙে-দিপাঙে লৰৰো
নিবিচাৰি নিজা ঘৰ·····।"

কিন্তু হাজৰিকা লক্ষ্যবিহীন যাযাবৰ নহয় ধৰাৰ দিহিঙে দিপাঙে ঘূৰি ফুৰোঁতে বাটকৰা মানুহকো আপোন কৰি লৈছে। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে কৈছে "ভূপেনৰ গুৰিটো নাজিৰাত আৰু হেন্দোলনিখন গোটেই বিশ্বত।" মৰম সহানুভূতিৰ ভৰাল অসমী আইৰ চিৰ সেউজ শিল্পী ভূপেন হাজৰিকাই বিশ্ব কৃষ্টিৰ মজিয়াত অসমীয়া কৃষ্টিকো যোগ্যস্থান দিবলৈ সক্ষম হৈছে।

আকৌ কেতিয়াবা বহুজনৰ কঠিন সমালোচনাৰ সন্মুখীন হৈ নিজৰ সবল মনৰ পৰিচয়ৰ লগতে হাজৰিকা দেৱে ঘুনেধৰা সমাজখনৰ পৰা ঘুন আতৰ কৰি এখন শোষন মুক্ত নিকা সমাজ গঢ়িবলৈ প্ৰেৰণা যোগাইছে—

মোৰ গান হওঁক
বহু আস্থা হীনতাৰ বিপৰীতে
এক গভীৰ আস্থাৰ গান।
··· ··· ··· ···
ধ্বংসমুখী দৃষ্টি ভঙ্গি কিম্বা মনোমালিন্য
সেয়া নহয় মোৰ গানৰ লক্ষ্য
লক্ষ্য শান্তি অনন্য ··· ···

দুখৰ ৰাতি নুপুওঁৱা পৃথিবীৰ সৰু সৰু মানুহবোৰৰ জীৱন নিৰ্ব্বাহৰ সঁচা কাহিনীবোৰে প্ৰকৃত শিল্পীক কন্দুৱাই আৰু সেই নিপীড়িত নিৰ্যাতিত মানুহবোৰক শোষনৰ পৰা মুক্ত কৰাৰ কাৰণে শিল্পী মনে হাঁহাকাৰ কৰি উঠে—সৃষ্টি হয় মানুহৰ মুক্তিৰ গান। বিশ্ব মানৱৰ



মুক্তিৰ বাবে গান গাই বিশ্বৰ আকাশ বতাহ কঁপাই তোলা সঁচা শিল্পী হাজৰিকাৰ গুণ মুগ্ধ Terald Macann এ কৈছিল—
"Dr. Hazarika has demonstrated his melodious singing through out the world"

প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ শস্য-শ্যামলা অসমী মাতৃক বিদেশী শক্তিবোৰে পদাঘাট কৰিবলৈ ওলোৱাত বজ্ৰ নিনাদে চিঞঁৰি গাইছিল—

আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান
মনৰ দিগন্তত ধোৱা উৰে
আকাশত পপিয়া তৰা ঘুৰে
পদে পদে কৰে কাক অপমান
— — —

আকৌ গাইছে। ১৯৮৩ চনৰ অবৈধ জুয়ে পোৰা ৰক্তাক্ত নিৰ্ব্বাচনৰ সময়ত অসমী আইৰ সন্তানবোৰৰ অকাল মৃত্যু আৰু হেজাৰ পুত্ৰহাৰা মাতৃৰ দুখ দুৰ্গতি দেখি শিল্পী মনে হাহাকাৰ কৰি উঠিছিল আৰু বজ্ৰ নিনাদে গাইছে—

"জুয়ে পোৰা তিৰাশীৰ নিৰ্ব্বাচনী বতৰ
ভাইটি নোহোৱা হ'ল জানানে খবৰ"

সংঘাট হেনো মানুহৰ জীৱনলৈ আহে। জীৱনটো উপলব্ধি কৰিবলৈ, জীৱনটোক বুজিবলৈ হলে সংঘাটৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। সেয়েহে কোনোজনে কৈছিল "সংঘাটেই জীৱন, সংঘাটেই আনি দিয়ে জীৱনৰ নতুন তৰঙ্গ।" হাজৰিকা দেৱৰ জীৱনলৈও সংঘাট আহিছিল আৰু সেই সংঘাটৰ অনুপম প্ৰকাশ কৰিছে এনেদৰে—

"বিমূৰ্ত্ত মোৰ নিশাটি যেন
মৌনতাৰ সূতাৰে বোৱা
এখনি নীলা চাদৰ
তাৰে এটি মিঠা ভাজত
নিশ্বাসৰে সুৰ আৰু জীয়া জীয়া আদৰ'
— — — —

বয়সে আনি কৰা সময়ৰ পৰা কোনো এজনীৰ লগত একেটি পাত্ৰতে জীৱন মদিৰা পান কৰি এখনি সুখৰ সংসাৰ গঢ়াৰ সপোন হয়তো তেখেতেও কৰিছিল। (আপোনাৰ মোৰ নিচিনাকৈ) পিছে তেখেতৰ জীৱনলৈ যি ধুমুহা আহিছিল; সেই ধুমুহাৰ মূৰ্ত্ত প্ৰকাশ কৰি তেখেতে গাইছে—

"শৈশবতে ধেমালীতে
তোমাৰে ওমলা মনত আছে
— — —
মনৰ গৰাকী এৰি তুমি
ধনৰ গৰাকী কৰিলা
ধন ধন বুলি ধনৰ প্ৰেমেৰে
স্বৰূপ প্ৰকাশ কৰিলা "

আকৌ গাইছে—

"মই যেতিয়া এই জীৱনৰ
মায়া এৰি গুছি যাম
আশা কৰো মোৰ চিতাৰ কাষত
তোমাৰ সঁহাৰি পাম।"

১৯৫০ চনৰ ১ আগষ্টত নিউইয়ৰ্ক চহৰত গুজৰাটি কন্যা প্ৰিয়ম্বদা এম্ পেটেলক বিয়া কৰায়। ডাঃ এম্ এম্ পেটেলৰ কন্যা শ্ৰীমতী প্ৰিয়ম্বদা এম্ পেটেল "মেনহাচান ভিলে" কলেজৰ পৰা স্নাতক আৰু পাৰ্কি লত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰে। পেটেলৰ এই পৰিয়ালটি গুজৰাটী ব্ৰাহ্মণ সম্প্ৰদায়ৰ আছিল। হাজৰিকা

আৰু প্ৰিয়ম্বদা হাজৰিকাৰ দাম্পত্য জীৱনৰ চিন হল—তেওঁলোকৰ একমাত্ৰ মৰমৰ সন্তান—তেজ হাজৰিকা। অৱশ্যে হাজৰিকা দেৱৰ বৈবাহিক জীৱন সুখৰ ন'হল। কিবা এক অজান ধুমুহাই ভূপেন হাজৰিকা আৰু প্ৰিয়ম হাজৰিকাৰ সুখৰ সংসাৰখন থান-বান কৰি পেলালে। যা হওঁক পৰিবাৰিক জীৱনতকৈ হাজৰিকা দেৱৰ সামাজিক সাংস্কৃতিক জীৱনটোহে আমাৰ বাবে অতি তাৎপৰ্যপূৰ্ণ।

পুৰণি চামে বহুতো কাম কৰিব নোৱাৰিলে বা নকৰিলে। নতুন সাহেৰে নতুন পুৰুষে যদি সমাজখন বচাবৰ বাবে সংগ্ৰাম কৰে তেন্তে সেই সংগ্ৰামী পুৰুষ সকল সন্মানৰ পাত্ৰ। জীয়াই থকাৰ যুজত মৃত্যু শপত খাই যুদ্ধক্ষেত্ৰত নমা সকলক সন্মান জনাই হাজৰিকা দেৱে গাইছিল—

"লুইত পৰীয়া ডেকা বন্ধু
তোমাৰ সাহসৰ তুলনা নাই
জীয়াই থকাৰ যুজত নামিছা
মৃত্যু শপত খাই"
... ... ... ...

গণ শিল্পী গৰাকীৰ মতে দেশখনেই আমাৰ প্ৰকৃত নাটঘৰ আৰু প্ৰতিজন দেশবাসীয়েই দেশ নামৰ নাটঘৰৰ ভাৱৰীয়া। এই ভাৱৰীয়া সকলৰ অভিনয়ৰ জৰিয়তে প্ৰতিজন ভাৱৰীয়াৰ স্বৰূপ প্ৰকাশ কৰিবলৈ তেখেতে ভাৱৰীয়া সকলৰ প্ৰতি আহ্বান জনাইছে। ভোকাতুৰ অৰ্ধনগ্ন জনতাক দেশ নাটঘৰৰ অভিনেতা ৰূপে বৰ্ণনা কৰি তেখেতে গাইছে—

"ৰাইজ আজি ভাওৰীয়া দেশেই নাটঘৰ
কোনে কি ভাওঁ ল'ৱা আহা
সময় যে তাকৰ ... ... ...

সমাজৰ এনে এটি দিশ নাই, এনে এটি সমস্যা নাই যিটো দিশ বা যিটো সমস্যা হাজৰিকাৰ গীতৰ পৰা বাদ পৰিছে। এই চমু প্ৰবন্ধত তেখেতৰ সকলো দিশৰ বিষয়ে আলচ কৰা, সকলোবোৰ গীতৰ বিষয়ে আলচ কৰা অসম্ভৱ। এতিয়া আমি চাওঁচোন হাজৰিকা দেৱৰ শৈক্ষিক জীৱনলৈ, এভুমুকি মাৰি—

এইজন হাজৰিকা দেৱে ১৯৪০ চনত তেজপুৰৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি ১৯৪২ চনত কটন কলেজৰ পৰা ইণ্টাৰ মিডিয়ত পৰীক্ষা পাছ কৰে। ১৯৪৪ চনত বেনাৰস্ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষা পাছ কৰি সেইখন বিশ্ববিদ্যালয়ৰ পৰাই ১৯৪৬ চনত ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৫০ চনত আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা মনোবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে "সঙ্গীত নাটকৰ জৰিয়তে প্ৰাপ্ত বয়স্ক শিক্ষা" বিষয়ত গবেষণা কৰি কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা "ডক্টৰেট্" উপাধি লাভ কৰে।

৺ নীলকান্ত হাজৰিকাদেৱে যেতিয়া অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া হিচাপে তেজপুৰত আছিল তেতিয়াই তেওঁ লাভ কৰিছিল জ্যোতি প্ৰসাদ আৰু বিষ্ণু প্ৰসাদৰ সান্নিধ্য। শিল্পীয়ে শিল্পীক চিনি পায়। জ্যোতি-বিষ্ণুৱেওঁ শিশু ভূপেনৰ প্ৰতিভা গমপালে। ভূপেন হাজৰিকাৰ শিল্পী প্ৰতিভাৰ বিকাশৰ ক্ষেত্ৰত এই দুগৰাকী মহান শিল্পীৰ অবদান অনন্য। হাজৰিকাদেৱৰ প্ৰথম সুৰদিয়া গীতটিৰ ৰচক আছিল পিতৃ ৺নীলকান্ত হাজৰিকা ভূপেন হাজৰিকাই সদায় এই দুগৰাকী শিল্পীক নিজৰ



সাংস্কৃতিক গুৰু হিচাবে স্বীকাৰ কৰি আহিছে। হাজৰিকা দেৱে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ ২য় ছবি "ইন্দ্ৰ মালতী"ত এটি গৰখীয়াৰ চৰিত্ৰত অভিনয় কৰি বোলছবি জগতৰ লগত যোগসূত্ৰ স্থাপন কৰে। একেখন ছবিতে তেওঁ গানো গাইছিল।

হাজৰিকা দেৱে ১৯৫৬ চনত "এৰাবাটৰ সুৰ" নামৰ কথাছবিখন নিৰ্মানৰ জৰিয়তে বোলছবি জগতত এক বিশেষ আসন দখল কৰে। এইখন ছবিতে হাজৰিকা দেৱে পোন প্ৰথম বাৰৰ বাবে জগতৰ খ্যাতনামা গায়িকা লতামঙ্গেশকাৰৰ দ্বাৰাই কণ্ঠ দান কৰোৱাই। ইয়াৰ পিছত ১৯৫৮ চনত "মাহুত বন্ধুৰে" নামৰ বঙালী ছবিখন নিৰ্মান কৰি বঙালী ছবি জগতত প্ৰৱেশ কৰে। এই ছবি খনৰ দ্বাৰাই হাজৰিকা দেৱে গোৱালপৰীয়া লোক গীতক পোহৰলৈ আনিবলৈ কৰা প্ৰচেষ্টা ডঃ হাজৰিকা দেৱৰ জীৱনৰ অন্য এক উজ্জ্বল দিশ। প্ৰথমেশ বৰুৱাৰ পিছতে ডঃ হাজৰিকাই প্ৰথম অসমীয়া ব্যাক্তি যিজনে বঙালী ছবি নিৰ্ম্মানত হাত দিছে। ১৯৬১ চনত তেখেতৰ ২য় খন অসমীয়া ছবি মুক্তি পায়। ছবিখন হ'ল মহাকবি কালজয়ী কলাকাৰ কবি কালি দাসৰ নাটক "অভিজ্ঞানম্ শকুন্তলম্ৰ" আধাৰিত "শকুন্তলা" এই ছৱিখনে ৰাষ্ট্ৰপতি পুৰস্কাৰ পায়। ১৯৬১ চনত মুক্তি পোৱা "প্ৰতিধ্বনি" তেখেতৰ তৃতীয় ছবি। এইখন ছবিয়েও ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক পায়। এইখন ছবি নিৰ্ম্মান কৰিছিল খাচী পাহাৰত প্ৰচলিত এটি সাধু কথাক লৈ। পৰ্বত ভৈয়ামক একে কৰিবলৈ কৰা প্ৰচেষ্টা হাজৰিকা দেৱৰ এই ছবিখনৰ মুখ্য বিষয় বস্তু। এই ছবিত দিয়া এটি গীত এই প্ৰসংগত উল্লেখ কৰিব পাৰি—

"হে-হে ঢোলে দগৰে
হে-হে হিয়াৰ উমেৰে
নেদেখা এনা জৰিৰে
বান্ধো আমি পাহাৰ শিখৰৰ
মহান চিয়েমক।"
... ... ... ... .. ...

১৯৬৬ চনত মুক্তি পোৱা "লটি-ঘটি" তেখেতৰ চতুৰ্থ ছবি। এই ছবিখনতেই ভাৰতৰ হিন্দি ছবি জগতৰ বিখ্যাত গায়ক ৺মহম্মদ ৰফিয়ে প্ৰথম বাৰৰ বাবে কণ্ঠ দান কৰে। এই ছবি খনেওঁ ৰাষ্ট্ৰপতিৰ পদক লাভ কৰে। অসমীয়া বোলছবি নিৰ্মানৰ ক্ষেত্ৰত থকা অ'াহুকলীয়া সমস্যাৰাজিক কেন্দ্ৰ কৰিয়েই তেখেতে বাস্তৱ ভিত্তিক এই ছবিখন নিৰ্মান কৰিছিল ১৯৬৯ চনত মুক্তি পোৱা "চিকমিক বিজুলী" অসমীয়া বোলছবি জগতলৈ এক অনবদ্য উপহাৰ ১৯৭৫ চনত অৰুনাচলৰ এজন ছাত্ৰই ৰচনা কৰা নাটকৰ তেখেতে "মেৰা ধৰম মেৰা মা" নামেৰে চিত্ৰ ৰূপ দি সেই অঞ্চলৰ জন সাধাৰণৰ বাবে চিত্ৰ নিৰ্মানৰ পথ মুকলি কৰে। ১৯৭৬ চনত নিৰ্ম্মান কৰা "ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আৰু জয়মতী" অন্য এখন উল্লেখ যোগ্য কথাছবি। এই কথাছবিত জ্যোতি প্ৰসাদৰ জীৱনৰ লগতে "জয়মতী" বোলছবিৰ কিছু-কিছু অংশ সংযোগ কৰা হৈছে। কাৰণ জ্যোতি প্ৰসাদে নিৰ্ম্মান কৰা "জয়মতী" ছবিখনৰ কিছু অংশ নষ্ট হৈ গৈছিল। যিখিনি অংশ নষ্ট নোহোৱাকৈ আছিল তাৰ পৰাই নিৰ্ম্মান কৰা হৈছিল এই কথাছবিখন। ১৯৭৯ চনত মুক্তি পোৱা "মনপ্ৰজাপতি" ডঃ হাজৰিকাৰ আন এখন লেখত লব লগা ছবি। এনেবোৰ

ছবিৰ পৰিচালনা কৰি তেখেতে অসমীয়া জাতিৰ বাবেই গৌৰব কঢ়িয়াই আনে।

১৯৭৫ চনত "ছামেলি মেমচাহাব" ছবিখনৰ বাবে হাজৰিকাদেৱ সৰ্ব্বভাৰতীয় ভিত্তিত সৰ্বশ্ৰেষ্ঠ সংগিত পৰিচালক ৰূপে পুৰস্কৃত হয়। "একপল" আৰু "আৰোপ"ত তেখেতে হিন্দী গীতত অসমীয়া লোক সংগীতৰ সুৰ সংযোজন কৰি অসমীয়া লোক সংগীতৰ মান উন্নত কৰিছে।

১৯৭৪ চনত হাজৰিকা দেৱক তেখেতে আগবঢ়োৱা অবদানৰ চিন-স্বৰূপে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে পদ্ম শ্ৰী উপাধিৰে বিভূষিত কৰে।

১৯৭৯ চনত H. M. V এ মৰমৰ চিন স্বৰূপে এখনি সোনৰ প্ৰলেপ যুক্ত "ৰেকৰ্ড" উপহাৰ দিয়ে।

সৌ সিদিনাখনে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগে এইজনা মহান শিল্পীক তিনিবছৰৰ বাবে "প্ৰডিউচাৰ এমিৰিটাছ" নিৰ্ব্বাচিত কৰি ভাৰতৰ যিকোনো আকাশ বাণী আৰু দূৰদৰ্শন কেন্দ্ৰত যেতিয়াই ইচ্ছা কৰে তেতিয়াই নিজৰ অনুষ্ঠান পৰিবেশন কৰাৰ ক্ষমতা প্ৰদান কৰিছে আমাৰ মৰম আৰু শ্ৰদ্ধাৰ শিল্পী গৰাকীক জনোৱা এই সন্মানৰ বাবে আমি প্ৰতিজন অসমীয়াই গৌৰৱ বোধ কৰো।

সাংবাদিক সাহিত্যিক হিচাবেওঁ ডঃ ভূপেন হাজৰিকাৰ অবদান লেখত লব লগীয়া। "গতি" "আমাৰ প্ৰতিনিধি" আৰু "প্ৰতিধ্বনি" এই আলোচনী তিনিখনৰ জৰিয়তে তেওঁ অসমীয়া সাহিত্যৰ স্বকীয়া আসন দখল কৰিব পাৰিছে। "গতি" আৰু "আমাৰ প্ৰতিনিধি" বৰ্ত্তমান মৃত্যুৰ গৰ্ভত, "প্ৰতিধ্বনি" ওলাই আছে।

"আগলি বাহৰে লাহৰি গগনা" "বহ্নিমান ব্ৰহ্মপুত্ৰ" "অগ্নিযুগৰ ফিৰিঙতি", ভূপেন হাজৰিকাৰ প্ৰেমৰ গীত" "সুন্দৰৰ ন-দিগন্ত" আৰু "সুন্দৰৰ সকৰৰ আলিয়েদি'—তেওঁৰ এই কেইখন গীত আৰু প্ৰবন্ধৰ পুথি প্ৰকাশ হৈছে। "সহস্ৰ জনে মোক প্ৰশ্ন কৰে"—শিল্পী জনাৰ বিভিন্ন প্ৰশ্নোত্তৰ সংগ্ৰহৰ পুথি প্ৰকাশ হৈছে।

বিশ্বৰ শীৰ্ষস্থানৰ শিল্পী সকলৰ ভিতৰত অন্যতম অসমী আইৰ চিৰ সেউজ শিল্পী ডঃ হাজৰিকা দেৱৰ বিষয়ে নিচেই কম পৰিষৰৰ ভিতৰত লিখিবলৈ যোৱাতো ঠিক বাওঁনা হৈ চন্দ্ৰলৈ হাত মেলাৰ নিচিনা হে হব। তথাপিও ডঃ হাজৰিকাই তেওঁৰ সীমাহীন জনপ্ৰিয়তা আৰু গীতৰ ভাবৰ লগত সংগতি ৰাখি বাস্তৱ জীৱনতো গীতৰ আদৰ্শৰ সফল প্ৰয়োগেৰে জনমানসত নিজকে মহীমান কৰিব পাৰিছে। তেওঁৰ গীতত যেনেদৰে আমি সমাজৰ সকলো শ্ৰেণীৰ পীড়িত মানুহৰ প্ৰতি সহানুভূতি দেখো, বেদনাৰ হুমুনিয়াহ তথা প্ৰতিবাদৰ ধ্বনি শুনো থিক তেনেকৈ আমি তেওঁক নিঃস্ব সকলৰ লগত আন্তৰিকতাৰে মিলি যোৱাও দেখো। আমাৰ সমাজত এনে বহু শিল্পী আছে যি সকলে মানুহৰ বিষয়ে গান গায় মানুহক লৈ কবিতা লিখে কিন্তু সাধাৰণ মানুহৰ ওচৰলৈ আহিব লগিয়া হলে ভ্ৰুকোচ খায়। নৱ-প্ৰস্ফুটিও ফুলে ভোমোৰাক মৌচুহিবলৈ আকৰ্ষণ কৰাৰ দৰে ভূপেন হাজৰিকাৰ গীতৰ মৌৱেও বিশ্ববাসীক আকৰ্ষণ কৰিছে। ভূপেন হাজৰিকাই লুইতৰ দুয়োপাৰৰ সাধাৰণ ৰাজইৰ পোৱা-নোপোৱাৰ, আশা নিৰাশাৰ সুখ-দুখৰ সমভাগী হৈ শব্দৰ নপুৰ ধ্বনিৰে



সৃষ্টি কৰিছে তেখেতৰ গীত বোৰ হাজৰিকা দেৱে স্বকীয় প্ৰকাশ ভঙ্গীৰে এইবোৰ গীতত ব্যক্ত কৰিছে। তেখেতৰ নিজস্ব দৃষ্টিভঙ্গী। সেয়ে হাজৰিকাই কৈছে এই গীতবোৰ কেৱল গীতৰ বাবেহে গীত হ'ব যদিহে এই গীতবোৰে কাৰোবাক সচা পথৰ সন্ধান দিব নোৱাৰে।

অনাদি কালৰ পৰা অসমত হিন্দু মুছলমানে একে লগে বাস কৰি আহিছে বুলি বুৰঞ্জীয়ে চিঞৰে—লুইতৰ পাৰৰ স্বকীয়তা ৰাখিবলৈ অসমৰ লাচিতৰ সেনা-বাহিনীতো অসমীয়া মুছলমান সেনা আছিল—বুৰঞ্জীয়ে সকীয়াই, ভাৰতৰ অন্যান্য ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষত তেজৰ নৈ বোৱাৰ সময়তো অসমত হিন্দু-মুছলমানৰ মাজত কাহিনীও কোনো কাৰণতে সংঘাত বা সংঘৰ্ষ হোৱা নাছিল। কিন্তু সময়ে সময়ে কিছুমান চক্ৰান্ত কৰিয়ে এই ঐক্য ভাঙিবলৈ চেষ্টা কৰাত হাজৰিকা দেৱে বজ্ৰ-নিনাদে গাইছে—

"আজি কিয় অসমীৰ কথা মনত পৰিছে
আমাৰ হাজোত মক্কাৰ দৰে পোৱামক্কাও সাজিছে
কাষতে মাধবৰ মন্দিৰো বিৰাজ কৰিছে
শঙ্কৰে ইছলামকো সন্মান যাচিছে"

হাজৰিকা দেৱে বিহুত এখন নতুন কাপোৰ গাত ললেই বিহুৰ বিহুত্ব বোজাই নেথাকে বুলি কৈছে যদিহে আমাৰ বোৰৰ মনৰ মৰম, স্নেহৰ বান্ধোনবোৰ কত-কতিয়া নহয়। সেয়ে গাইছে—

"বহাগ মাথো ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।

হাজৰিকা দেৱ এজন গীতি কবি। এই কথাটি—

এই ভিজা-ভিজা ৰাতি
এই জীৱন জোখা ৰাতি
নিজ হাতে জুখিম বুলি
ললো দুখৰ মালা গাঁঠি।।
জীৱন মানেই ৰঙ্ নহয়
জীৱন মানেই চঙ্ নহয়
সংগ্ৰামেৰে কাইটিয়া
বাট ললো কাটি-কাটি
প্ৰতিতো ক্ষন
ভয়াল ৰণ
নিজ মনেই ললো মাতি
ঠেকি ঠেকি
শিকি শিক
কৰিলোঁ পান বিষৰ বাটি।।
বিচাৰিছিলোঁ জীৱন ফুল
বুটলিলো প্ৰচণ্ড ভুল
যি হিচাবতে হল ঘাটি।। "

ভূপেন হাজৰিকা দেৱৰ জীৱনৰ প্ৰথম গীতটোৰ ৰচনা কৰিছিল ১৯৩৭ চনত, তেজপুৰত।

গীততি

"কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিলে
নামৰে সুৰতে আনন্দত নাচিছিল পবিত্ৰ
বৰদোৱা ধাম।।"

মৃত্যুৰ পিচত সমাধিৰ তলিত ফুলৰ পৰশ পাবলৈ আশা নকৰি সীমাহীন দুৰ্যোগৰ মাজতো জীৱন সুন্দৰতা বিলাই আমাৰ ঐতিহ্য মণ্ডিত প্ৰাচুৰ্য্যতাৰে ভৰা বাৰে-বৰণীয়া অসমীয়া সংস্কৃতিৰ ধ্বজা উৰুৱাই যাৰ জীৱনে সমগ্ৰ বিশ্বতে লৰি ধাপৰি ফুৰিছে তেনে এগৰাকী শিল্পী ডঃ ভূপেন হাজৰিকা।

জীৱন যাৰ এক গীতময়, সংগ্ৰামময়, মন যাৰ এক ছন্দময় সুৰৰ লহৰি, গতি যাৰ এক

দুৰন্ত ধাবমান অশ্বৰ দৰে তীব্ৰ সেই ভূপেন হাজৰিকাৰ জীৱন সংগ্ৰামী হেজাৰজন সংগ্ৰামী শিল্পীৰ জীৱনৰ পাথেয় হৈ ৰওক। অসমী আইৰ চিৰ সেউজ সন্তান আজীৱন চিৰ সেউজ হৈ থাকিবলৈ, অসমৰ গানগাবলৈ, লুইতপাৰৰ ডেকাৰ গান গাবলৈ ওপৰৰ জনে ভূপেন হাজৰিকাক দীৰ্ঘ জীৱন আৰু অফুৰন্ত শক্তি প্ৰদান কৰক এই কামনাৰে—।

—×—

(এতিয়া দেখিছো উপদেশ দিবলৈ কোনো তথাকথিত বৰ্ত্তমানৰ নেতাৰো আৱশ্যকতা নাই, কাৰণ লুইতপাৰৰ ডেকাশক্তিয়ে স্ব-পৰিচালিত আন্দোলনেৰেই সমগ্ৰ পূৰ্ব ভাৰতকে সজাগ কৰি তুলিছে-নিজৰ প্ৰাপ্যখিনিৰ বাবে। আৰু কাকেইবা উপদেশ খুজিব? কোন নেতাৰ পৰা? সিংহসৱ কেনিবা লুকালে? যোৱা ডেৰকুৰি বছৰে অধিক সংখ্যক অসমৰ নেতাই নেগুৰকটা শৃগাল সদৃশ ৰাজসভালৈ গৈ দিল্লীৰ কোনো ধুতি বা পেটিকোটত ধৰি, কাৰোবাৰ পদলেহন কৰাতেইতো ব্যস্ত। বাঙ্ময় অথচ মৌন সমদলক কিম্বা ভবিষ্যত এন্ধাৰ দেখা লুইতপৰীয়া ডেকাশক্তিক দোষ দিয়াৰ অধিকাৰ বা সময় তেওঁলোকৰ জানো আছে? শান্তিপূৰ্ণ আৰু বলিষ্ঠ সংযম লৈ প্ৰকাশ কৰা যুক্তি দেখি সমগ্ৰ পৃথিবীয়ে এতিয়া বহ্নিমান (মনৰ বহ্নি) ব্ৰহ্মপুত্ৰৰ পিনে ডিঙি মেলি চাইছে—চাবলগীয়া হৈছে)

ডঃ ভূপেন হাজৰিকা



# অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিত ইছলামীয় অৱদান—

অধ্যাপক চৈয়দ চফিউদ্দিন আহমেদ

ভাৰতত মুছলমান ৰাজ্য ১২০৬ চনৰ পৰা ১৮৫৭ চনলৈকে বাহাল থাকে। এই ছয়শ পঞ্চাশ বছৰীয়া শাসনৰ ফলত ভাৰতৰ বিভিন্ন ৰাজ্যৰ থলুৱা সংস্কৃতিত ইছলামী প্ৰভাৱ পৰা স্বাভাৱিক। মুছলমান সকল অকল আৰবৰ পৰাই অহা নাছিল। তেওঁলোক আফগানিস্থান, তুৰ্কীস্থান আৰু পাৰস্যৰ পৰাও দলে দলে সময়ে সময়ে আহিছিল। মুছলমান সকল ভাৰতলৈ আহোতে কোনো মাইকী মানুহ লগত অনা নাছিল। গতিকে তেওঁলোকে ভাৰতীয় মাইকী মানুহক বিয়া কৰাইছিল। যুদ্ধত বন্দী হোৱা মানুহক ভাৰতীয়ই ভাল চকুৰে নোচোৱা বাবে আৰু হিন্দু ধৰ্ম্মৰ অস্পৃশ্যতা, জাতিভেদ আৰু সামাজিক অসমতাৰ কাৰণে তেওঁলোকে সহজ, সৰল, আৰু সাম্যবাদ ইছলাম ধৰ্ম গ্ৰহন কৰিছিল। এনেকৈ ইছলাম ধৰ্ম্মই গা কৰি উঠাৰ সুবিধা পাইছিল। এই বিষয়ে হুমায়ুন কবিৰৰ মন্তব্য মন কৰিব লগীয়া—

'In discussing the Muslim ruler of India, we must remember. that the Muslims came in Succeeding waves. They are in most cases armies of fightingmen who did not bring their women with them and took local wives'

মিঃ জিন্নাই ভাৰতৰ মুছলমান সকলৰ শতকৰা ৭৫ জন আৰু নেহৰুৱে শতকৰা ৯৫ জন হিন্দুৰ পৰা হোৱা মুছলমান বুলি অভিমত দিছে। মুছলমান সকলৰ সংস্পৰ্শত থাকি ভাৰতৰ উচ্চ আৰু অভিজাত শ্ৰেণীৰ হিন্দু সকলৰ খোৱা-বোৱা, পিন্ধন-উৰণ, চলন-ফুৰণ, আদব-কায়দা আদিত অপৰ্যাপ্তভাৱে পৰিবৰ্ত্তন ঘটিল। মুছলমানৰ কোৰ্ম্মা, পোলোও, পাৰাথা কোপ্তা আদি ভাৰতীয় হিন্দু সমাজত সোমাই পৰিল। মহাপ্ৰতাপী ৰাজপুত সকলে মুছলমান সম্ভ্ৰান্ত পৰিয়ালৰ পোছাক-পৰিচ্ছদ গ্ৰহণ কৰিলে।

ইছলামৰ চুফীবাদ হাফিজ সেখ ছাদী, ৰুমী, ওমৰ খৈয়াম আদিৰ প্ৰভাৱ ভাৰতীয় কবি সাহিতিাক কবীৰ, মীৰাবাঈ, নামদেৱ ৰসখান, জায়সী খান আব্দুৰ ৰহিমখাঁন আদিৰ লিখনীৰ ওপৰত পৰিছিল। গতিকে ইছলামৰ

চুফীবাদ একেশ্বৰবাদৰ মূল ৰহস্য হিন্দী সাহিত্যৰ মাজেৰে ভাৰতীয় সাহিত্যত প্ৰবেশ কৰে।

সংগীতত ভাৰতীয় মুছলমান আমীৰ খুশ্ৰু, তানসেন সদাৰঙ্গ ( নিয়ামত খাঁ ) মীৰ্জ্জা খাঁ আদিয়ে চাঞ্চল্যৰ সৃষ্টি কৰে। ৰাজদৰবাৰত খেয়াল গীতৰ প্ৰচলন নিয়ামত খাঁই কৰিছিল। ইয়াৰোপৰি স্থাপত্য বিদ্যাতো মুছলমান সকলৰ প্ৰভাৱ ভাৰতত কম বুলি কোৱাৰ থল নাই। পাৰশ্যৰ ইছা আফ্‌গান্দিৰ সপোন তাজমহলত প্ৰতিফলিত হৈছে। দিল্লীৰ লাল কিল্লা, জামে মছজিদ, ফতেহপুৰ চিকৰি আদিৰ কাৰুকাৰ্যই ইন্দোচেৰাচিনিক আৰ্টৰ প্ৰমাণ সূচায়। ভাৰতীয় সংস্কৃতিত ইছলামীয় সংস্কৃতি এনেকৈ সোমাই পৰিল যে তাক আজি পৃথক কৰা সম্ভৱ নহয়।

ভাৰতৰ বিভিন্ন ৰাজ্যত ইছলামী সভ্যতা-সংস্কৃতিৰ যি প্ৰভাৱ পৰিছিল অসমতো সেই প্ৰভাৱ কোনো গুণে কম বুলি কব নোৱাৰি। এবাৰ নহয়, দুবাৰ নহয়, সোঁতৰ বাৰকৈ অসম দেশ মোগলৰ আক্ৰমনৰ সন্মুখীন হব লগা হৈছিল। সেয়ে নীতি-নিয়ম, পিন্ধন-উৰণ, খোৱা-বোৱা আদব-কায়দা আদিত যে অকল ইছলামীয়া প্ৰভাৱ পৰিছে এনে নহয়, অসমীয়া ভাষা-সাহিত্যৰ শব্দ শম্ভাৰতো হাজাৰ-হাজাৰ শব্দৰ প্ৰভাৱ পৰিছে। গতিকে আজি অসমীয়া মাত্ৰেই এই অৱদানৰ কথা মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব।

ভাষাৰ মূল উপকৰণ হৈছে শব্দ সম্ভাৰ। শব্দ সম্ভাৰ অবিহনে পৃথিবীৰ কোনো ভাষাই পৰিপুষ্টি সাধন কৰিব নোৱাৰে। এটা ভাষাত যিমান বেছি পৰিমানে শব্দ-শম্ভাৰ থাকে সিমানে সেই ভাষাটো সমৃদ্ধিশালী হয়। সেইকাৰণে কোনো এটা ভাষাই আন এটা ভাষাৰ পৰা শব্দ-সম্ভাৰ ধাৰ কৰি নিজৰ ভাষাৰ পৰিপুষ্টি লাভ কৰা একো নতুন বা দোষণীয় কথা নহয়। কোনো এটা ভাষাত আৱশ্যকীয় ভাৱ অনুভূতি প্ৰকাশ কৰাৰ উদ্দেশ্যে যিবোৰ শব্দ ব্যৱহাৰ কৰা হয়, তাকেই সেই ভাষাটোৰ শব্দ-সম্ভাৰ বুলি কোৱা হয়।

পৃথিবীৰ ভাষা সমূহৰ ধ্বনি, শব্দৰূপ, শব্দ গঠন, বাক্যৰূপ, বাক্যগঠন; শব্দ-সম্ভাৰ আদিৰ তুলনা মূলক বিচাৰ বিশ্লেষণ কৰি কেইটামান প্ৰধান ভাষা পৰিয়ালত ভাগ কৰা হৈছে। সেই ভাষা পৰিয়াল সমূহৰ ভিতৰত ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল উল্লেখ যোগ্য। ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ইন্দো-এৰিয়ান শাখা বা ভাৰতীয় আৰ্য ভাষাৰ মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হৈছে। একোটা ভাষাৰ বোৱতী সুঁতিক একোখন নৈৰ বোৱতী সুঁতিৰ লগত ৰিজাবঁ পাৰি। এখন নৈৰ মূল প্ৰৱাহৰ লগত কেবা ফালৰ পৰা ভালেমান উপনৈৰ সোঁত আহি লগ লাগি মূল প্ৰৱাহক পৰিপুষ্ট কৰাৰ দৰে একোটা ভাষাৰ মূল প্ৰৱাহত অন্যান্য ভাষাৰ প্ৰভাৱ পৰি সেই ভাষাটোৰ পৰিপুষ্টি সাধন কৰে। অসমীয়া ভাষাতো এই লক্ষণ চকুত পৰে। অসমীয়া ভাষাৰ মূল সুঁতি হৈছে সংস্কৃত ভাষাৰ সুঁতি। ইয়াৰ লগত বহুতো অন্যান্য ভাষাৰ উপসুঁতি লগ লাগি ভাষাটোৰ আচল ৰূপৰ ভালেখিনি সলনি কৰি পেলাইছে। সেইবাবে অসমীয়া ভাষাৰ এটা স্বকীয়া বৈশিষ্ট গঢ়ি উঠিছে।

মোগল সেনাপতি তুৰ্বকে ১৫৪৩ চনত কলিয়াবৰৰ যুদ্ধত বংগ দেশৰ পৰা বন্দুক



আনি পোন প্ৰথমে অসমত ব্যৱহাৰ কৰে। সেই যুদ্ধত ফ্ৰাচেংমুং আৰু বীৰাংগনা মূলা গাভৰু মৃত্যু হলেও শেষত বীৰ কনচেঙৰ হাতত তুৰ্বকো নিহত হয়। সেই সময়লৈকে অসমত বন্দুক সজা আৰু তাৰ ব্যৱহাৰো হোৱা নাছিল। গতিকে তেতিয়াৰ পৰা অসমত বন্দুক, হিলৈ, খাৰ-বাৰুদৰ প্ৰচলন হয়। আনকি গেন্ধেলা গৰীয়া নামৰ এজন অসমীয়া মুছলমানে মীৰজুমলাৰ অসম আক্ৰ নৰ সময়ত যুদ্ধত ব্যৱহাৰ কৰাৰ বাবে বৰতোপো সজাইছিল। ইয়াৰ প্ৰমান শিৱসাগৰৰ কছাৰীঘৰৰ আগত থকা বৰমূৰীয়া বৰতোপে দিয়ে। যুদ্ধত বন্দী হোৱা মুছলমান সৈন্য সকলে অসমত নিগাজীকৈ বসবাস কৰিবলৈ ধৰিলে। ভাৰতলৈ অহা মুছলমান সকলে ভাৰতীয় মাইকী মানুহ বিয়া কৰোৱাৰ দৰে অসমৰ যুদ্ধ বন্দী আৰু অন্য মুছলমান সকলেও অসমীয়া মাইকী মানুহ বিয়া কৰাই বংশ বৃদ্ধি কৰে। বৰ্ত্তমান অসমৰ মুছলমান সকল তেওঁলোকৰে বংশধৰ বুলি জনা যায়। বুৰঞ্জীবিদ চাহাবুদ্দিন তালিচে অসমীয়া থলুৱা মুছলমানৰ বিষয়ে দিয়া মন্তব্য মন কৰিবলগীয়া —

"As for the Musalmans who had been taken prisoner in former times and had chosen to marry there, their desecndants are exactly in the manner of Assamese and have nothing of Islam exeept the name; their hearts are inclined far more to-wards mingling with the Assamese than to-wards association with muslims."

সেই যুগত সাধাৰণ অসমীয়া প্ৰজা হিন্দু আৰু মুছলমানৰ মাজত থকা সদ্‌ভাৱ আৰু সম্প্ৰীতিৰ কথা ইয়াৰ পৰা সহজে বুজিব পৰা যায়। অসমীয়া হিন্দু সমাজত আগতে ঘিউ খোৱা প্ৰথা নাছিল। কিন্তু অসমীয়া মুছলমান সমাজৰ সংস্পৰ্শত অসমীয়া অভিজাত হিন্দু সমাজৰ খানা কোৰ্ম্মা, পোলাও, কোপ্তা আদিত ব্যৱহাৰ কৰা ঘিউৰ গোন্ধে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আমোল-মোলাই পেলালে। এনে ধৰণে ভালেমান ইছলামী পদ্ধতি, আদব কায়দা, আচৰ-ব্যৱহাৰ, ৰীতি-নীতি অসমত প্ৰৱৰ্তন হয়। সেয়েহৈছে এটা জাতিৰ সাংস্কৃতিক জীৱনৰ প্ৰভাৱ আৰু ৰূপান্তৰ।

মাটি জৰীপ বা পিয়ল কৰা প্ৰথা ইছলামৰ অৱদান বুলি কব লাগিব। আহোম ৰজা গদাধৰ সিংহই মুছলমানৰ মাটি জৰীপ পদ্ধতি ভাল পাই বংগদেশ আৰু কোচবিহাৰৰ, পৰা অভিজ্ঞলোক আনি অসম জৰীপ কৰে। অসম চৰকাৰে মোগলৰ পদমৰ্যদাৰ লগত সাদৃশ্য ৰাখি ফুকনক সামৰিক পদ-মৰ্যদা দান কৰি আদালতৰ ফুকন পাতিছিল। অসমৰ এই নিয়মৰ বিষয়ে ডঃ ৱেড্‌চাহাবে লিখিছে—

"The nation of Assam generally denominate the Military Fokuns by the more respectable Titles of Judges (Adal atar Fekuns )'

অসমত মুছলমান সকলে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ পাছৰ পৰা অসমীয়া হিন্দু সমাজৰ মাজত পৰ্দা প্ৰথা আৰু বাদ্য-যন্ত্ৰৰ প্ৰচলন হয়। পৰ্দাপ্ৰথা অসমীয়া সমাজত আভিজাত্যৰ চিনাকিৰূপে পৰিগণিত হ'ল। ইয়াৰোপৰি বৰ্ত্তমান অসমীয়া সমাজত প্ৰচলিত আঁৰকাপোৰৰ ব্যৱহাৰ নন কৰিবলগীয়া।

সংগীতৰ বিভিন্ন বাদ্য যন্ত্ৰই অসমীয়া সমাজত প্ৰসাৰতা লাভ কৰিব ধৰিলে। মাইকী মানুহৰ কাণ, নাক বিন্ধাই কাণফুল, নাকফুল আদি পিন্ধা প্ৰথা প্ৰথমে আৰবত হজৰত ইব্ৰাহিম (আঃ)ৰ পত্নী-হজৰত হাজেৰা বিবিৰ দিনৰ পৰা প্ৰচলন হোৱা বুলি জনা যায়। মুছলমান সকলক অনুকৰণ কৰিয়েই এই প্ৰথা অসমীয়া সমাজে গ্ৰহণ কৰে। অসমত প্ৰচলিত সূত্ৰধাৰী নৃত্যৰ সাজ-সজ্জাত মোগল পোছাকৰ সাদৃশ্য বিদ্যমান।

শ্বাহ আকবৰ, শ্বাহ বগমাৰ, শ্বাহশৰণ, শ্বাহসুফী, শ্বাহ কামাল নামৰ পাচজন পীড় মীৰজুমলাৰ লগত অসমলৈ আহিছিল। তেওঁলোকে অসমৰ বিভিন্ন ঠাইত মচ্‌জিদ, দৰ্গাহ আদি নিৰ্মাণ কৰিছিল। গিয়াছুদ্দিন নামৰ এজন আউলীয়াই হাজোৰ পোৱামক্কাৰ মচ্‌জিদ নিৰ্ম্মাণ কৰা কথা কাৰো অবিদিত নহয়। বৰ্ত্তমান সেই মচ্‌জিদৰ সন্মুখত তেখেতৰ সমাধি আছে। আহোম ৰজাসকলে আজানফকীৰ, বান্দৰ ফকীৰ, নেৱাজ আদি পীড়-ফকীৰ সকলক বৰ সমাদৰ কৰিছিল। আজান ফকীৰে অসমীয়াভাষা শিকি জিকিৰ, জাৰী-মৰ্চিয়া আদি গীতসমূহ অসমীয়া ভাষাত ৰচনা কৰে আৰু সেই গীত সমূহৰ মাধ্যমেৰে পবিত্ৰ একেশ্বৰবাদ ইচলাম ধৰ্ম অসমত প্ৰচাৰ কৰে। তেওঁৰ নাম শ্বাহ মিলন আছিল। আজান দি নামাজ পঢ়া বাবে তেওঁ অসমীয়া সমাজত আজান ফকীৰ নামেৰে খ্যাত হয়। জিকিৰৰ বিষয়ে ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা দেৱৰ মন্তব্য প্ৰণিধান যোগ্য—"এই জিকিৰত (নামজপ বা ধ্যান) ইচ্‌লামৰ আচাৰ-নীতি আৰু ধৰ্ম্মতত্ব সমূহ সহজভাবে অসমীয়া ভাষাত প্ৰকাশ কৰা হৈছে। প্ৰত্যেকটো গীতত একোটা ঘোষা আৰু পাছত পদ থাকে, যাতে সকলোৱে নাম-কীৰ্ত্তণৰ দৰে গাব পাৰে।"

প্ৰাক্‌বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ কবি, সাহিত্যিক সকল বৰ উদাৰ মনোভাৱৰ আছিল। প্ৰাক্‌বৈষ্ণৱ যুগৰ কবি হেম সৰস্বতীয়ে অসমীয়া ভাষাৰ লিখিত নিদৰ্শনৰ প্ৰথম গ্ৰন্থ প্ৰহ্লাদ চৰিত্ৰত আৰবী ভাষাৰ শব্দ নিঃসংকোচে ব্যৱহাৰ কৰি উদাৰতাৰ পৰিচয় দিয়া দেখা যায়।

"কেহো সুখি কেহো দুখি বহুত অন্তৰ।
কেহো কাক বায়ে কোহো কৰয় নফৰ॥"

ইয়াত ব্যৱহাৰ কৰা 'নফৰ' শব্দটো আৰবী শব্দ। বৈষ্ণৱ গুৰু শ্ৰীমন্ত শংকৰ দেৱৰ ধৰ্ম্মমত বৰ উদাৰ আছিল। তেওঁৰ এক শৰণ নাম ধৰ্ম্মত গাৰো, মিৰি, ভোট, মুছলমান আদি সকলো ধৰ্মৰ মানুহে একেশাৰীত ঠাই পাইছিল। অসমৰ হিন্দু মুছলমানৰ মাজত সদ্‌ভাৱ, সম্প্ৰীতি আৰু ঐক্য স্থাপন হোৱা ই এটা অন্যতম্ নিদৰ্শন। চান্দখাঁ নামৰ এজন মুছলমান দৰ্জিয়ে ৰচনা কৰা কেইটামান ভকতীয়াগীত অসমীয়া সাহিত্যত আজিও মূল্যবান সম্পদ ৰূপে জিলিকি আছে। এই বিষয়ে ৺ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে দিয়া মন্তব্য তাৎপৰ্যপূৰ্ণ—"চান্দসায়ে হিন্দু মুছলমানৰ মাজত সদ্‌ভাৱ সম্প্ৰীতি স্থাপন চেষ্টা কৰাৰ উপৰিও বৈদ্ধচৰ্যা পদৰ সদৃশ দ্বি অৰ্থব্যঞ্জক মনোৰম ফকৰাগীত ৰচনা কৰি গৈছে।" শংকৰ দেৱ আৰু মাধৱদেৱে বৰগীতত কোনো দ্বিধাবোধ নকৰাকৈ আৰবী, ফাৰ্চী শব্দ সন্ধালনিকৈ ব্যৱহাৰ কৰিছিল।

"গোবিন্দ দীন দয়াল স্বামী।
তুহু মেৰি চায়েব চাকৰ হামি॥"



"হামাৰ ৰাম চৰণে মন লাগু।
মায়াময় সয়ল দুনিয়াই॥"

ইয়াত ব্যৱহাৰ কৰা "চায়েব", 'চাকৰ', আৰু 'দুনিয়া' আৰবী ভাষাৰ শব্দ।

মীৰজুমলাৰ অসম আক্ৰমণৰ পাছত সাতঘৰ নবাব অসমত নিগাজীকৈ বাস কৰিবলৈ লয়। তেওঁলোকৰ ভিতৰত নবাব আমানত উল্লা "ফুকনৰ ঘৰৰ খেল" নামে জনাজাত আছিল। আমানত উল্লালৈ স্বৰ্গদেৱ পুৰন্দৰ সিংহই এজনী আহোম জীয়াৰী উপহাৰ দিছিল। তেওঁলোকৰ কন্যা দিল গাওঁবুঢ়াৰ নাতিয়েক স্বনামধন্য বাহাদুৰ গাওঁবুঢ়ালৈ বিয়া দিছিল। বাহাদুৰ গাওঁবুঢ়া অসম স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ নেতা আছিল। তেওঁৰ যোৰহাটৰ ঘৰত সিংহপুৰুষ মণিৰাম দেৱানে, পিয়লী ফুকন আৰু দুতিৰাম বৰুৱাৰ সৈতে অসমৰ স্বাধীনতা সংগ্ৰামৰ মন্ত্ৰনা কৰিছিল। গতিকে অসমীয়া হিন্দু সমাজত মুছলমান বাহাদুৰ গাওঁবুঢ়াৰ যথেষ্ট প্ৰতিপত্তি আছিল। এনেকৈ হিন্দু মুছলমানৰ মাজত সদ্‌ভাৱ আৰু সম্প্ৰীতি গঢ়ি উঠিছিল।

আহোম যুগৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই অসম দেশ সুদৃঢ়কৈ গঢ়াৰ বাবে ভাটিদেশৰ বিশেষ পাৰদৰ্শিতা থকা আঠটা পৰিয়াল আমাৰ দেশলৈ আনি নিগাজীকৈ বাস কৰিবৰ দিছিল। তেওঁলোক আছিল ফাৰ্চীপঢ়ীয়া, আখৰ-কটীয়া, শিলা-কটীয়া, গুণাকটীয়া, খনিকৰ, নেগেৰীয়া, দৰ্জি আৰু জোলা।

ফাৰ্চীপঢ়ীয়াই বিদেশী ৰজাৰৰ লগত আদান প্ৰদান হোৱা চিঠি পত্ৰ লিখিছিল আৰু ৰজাঘৰীয়া চিঠিপত্ৰ অসমীয়ালৈ অনুবাদ কৰি বুজাই দিছিল।

আখৰ-কটীয়াসকলে নিম্পি খেৰাজ আৰু লা-খেৰাজ মাটিৰ আখৰ তামৰ বা শিলৰ ফলিত কাটিছিল। তেওঁলোকে হাতীদাঁতৰ ফনি, সঁফুৰা আদি অকল সজোৱা নাছিল—ৰজাৰ মোহৰো তৈয়াৰ কৰিছিল। বৰ্ত্তমান বৰপেটাৰ হাতীদাঁতৰ শিল্পই ইয়াৰ নিদৰ্শন।

শিলাকটীয়া ফিদাৰিণ ৰহমতৰ নাতিয়েক আছিল। তেওঁ 'নগাৰজা' নামেৰে জনাজাত। সেই সময়ত নগাসকলে ঘিলা, মনি, নগামাকো, জলকীয়া, আদা আদিৰ বিনিময়ত ভৈয়ামৰ পৰা নিমখ, কাপোৰ, চাহপাত আদি নিছিল। তেওঁ নগাসকলৰ লগত এনেধৰণৰ বেহা-বেপাৰৰ সম্বন্ধ ঘটাই পৰ্ব্বত ভৈয়ামৰ ঐক্যস্থাপন আৰু মিলা প্ৰীতিত অৰিহনা যোগাইছিল।

গুণাকটীয়া সকলে আগছোৱাত গুণাকটাত খুব পাৰদৰ্শিতা দেখুৱাইছিল যদিও শেষত তেওঁলোকৰ ব্যৱসায় লোপ পায়।

খনিকৰ পৰিয়ালৰ লোকসকলে শিল, কাঠ আদিৰ মূৰ্ত্তি তৈয়াৰ কৰাৰ উপৰিও সুন্দৰ সুন্দৰ চিত্ৰ আঁকিছিল। শিল্পী দিলবৰে হস্তী বিদ্যাৰ্ণৱ নামৰ সুকুমাৰ বৰকাঠৰ পুথিত ছবি আঁকিছিল। এই আপুৰুগীয়া ছবি সমূহ মোগলসকলৰ চাৰুচিত্ৰৰ অনুপম নিদৰ্শন। গতিকে চিত্ৰকৰী আৰু খনিকৰী বিদ্যাত ইছলামৰ অৱদান উলাই কৰিব পৰা বিধৰ নহয়।

নেগেৰীয়া সকল নেগেৰা বজোৱাত বৰ পাৰ্গত আছিল। আনহাতে দৰ্জি ব্যৱসায় মুছলমান সকলৰ একচেতীয়া আছিল বুলি কলেও ভুল নহয়। মুছলমান সকল অহাৰ পাছৰ পৰা অসমত দৰ্জি ব্যৱসায়ে প্ৰসাৰতা লাভ কৰে।

জোলা সকল কাপোৰ বোৱাত বৰ পাকৈত আছিল। ৰজাঘৰীয়া কাপোৰ তেওঁলোকেই

বুইছিল। কাপোৰ বোৱা বহুতো ক'লা-কৌশল তেওঁলোকৰ অৱদান বুলি কব পাৰি।

আহোম ৰজাসকল বৰ উদাৰ মনোভাৱৰ আছিল। সকলো ধৰ্মৰ মানুহক নিজ নিজ ধৰ্ম্ম আচৰণ কৰিবলৈ অকল সুবিধা যে দিছিল এনে নহয়, অন্যান্য ধৰ্মৰ প্ৰতিও তেওঁলোকৰ সদ্ভাৱ আছিল। আহোম ৰজা প্ৰমত্তসিংহৰ বিষয়ে ৺ গুণাভিৰাম বৰুৱাই লিখিছে—"লোকে এনে কথা কয় বোলে, এইজনা ৰজাদেৱৰ বৰকৈ মূৰৰ বিষ আছিল। অনেক ঔষধ কৰাতো আৰোগ্য নহ'ল। পাছে স্বৰ্গদেৱে এনে স্বপ্ন দেখিলে বোলে মুছলমানৰ তীৰ্থত পূজা কৰিলে স্বৰ্গদেৱৰ শৰীৰ আৰোগ্য হব। এই স্বপ্নাদেশ অনুসৰি স্বৰ্গদেৱে এজন মুছলমানক ধন-বস্তু দি মক্কালৈ পঠালে। সেই মুছলমান আপোন পুত্ৰ আৰু ভাতৃক লগত লৈ মক্কালৈ গ'ল। ইফালে প্ৰায় আঢ়ৈ বছৰৰ মূৰত মক্কাৰ পৰা ঘূৰি আহিল, কিন্তু নগৰ পোৱাৰ কিছুমান দিন আগেয়ে স্বৰ্গদেৱ ১৬৭৩ শকৰ ২৯ আশ্বিন; কৃষ্ণা নৱমী তিথিত স্বৰ্গী হ'ল।"

ইছলামী চুফিবাদ হিন্দি সাহিত্যৰ মাধ্যমেৰে ভাৰতীয় সাহিত্যত প্ৰৱেশ কৰাৰ দৰে দ্বিজৰামৰ মৃগাৱতী চৰিতৰ (চাহাপৰী উপাখ্যান) মাজেৰে অসমীয়া সাহিত্যত সোমায়। আধুনিক যুগত জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজাৰিকাৰ কবিতাৰ মাজেৰে এই চুফিবাদ অসমীয়া সাহিত্যত গাঢ়ভাৱে সোমায় পৰে।

ফৰ্ম্মুদ আলি নামৰ এজন মুছলমান মানুহ ৰজাকন্দৰ্পেশ্বৰ সিংহৰ ৰজাঘৰীয়া গায়ন-বায়নৰ ওপৰত ওজা আছিল। তেওঁ এজন সুদক্ষ সংগীতজ্ঞ আৰু বেহেলবাদক আছিল। ৰজাঘৰীয়া কুঁৱৰী সকলক তেওঁ সংগীত শিকাইছিল।

গতিকে বাদ্য যন্ত্ৰ আৰু সংগীতত ইছলামৰ অৱদান লেখত লবলগীয়া।

মুছলমান সকলে সকলো দিশৰ পৰা নিজকে অসমৰ আৰ-হাৱাৰ লগত খাপ খুৱাই লৈছিল। অসমকে নিজৰ দেশৰূপে, জন্মভূমিৰূপে আৰু স্বৰ্গতকৈও অধিক জ্ঞান কৰিছিল, যাক আমি সংস্কৃতত কব পাৰো—"জননী জন্মভূমিস্য স্বৰ্গাদপি গৰিয়সী।" এই সকলোবিলাক কাৰণত অসমীয়া সংস্কৃতি আৰু ভাষা-সাহিত্যত ইছলামৰ অৱদান থকা স্বাভাৱিক।

অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ বিভিন্ন দিশত ইছলামী শব্দৰ অৱদান অতিকৈ মনকৰিব লগীয়া। এই অৱদানে অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ সৌষ্ঠৱ বঢ়াইছে।

হাৰাম, হাৰামী, হাৰামজাদা, হাৰামখোৰ, বদমাইচ, পাজি, চয়তান, বেইমান, বইজাত, নালায়ক আদি শব্দ আৰবী-ফাৰ্চী ভাষাত গালি-শপনিত ব্যৱহাৰ কৰা হয়। এই শব্দবোৰ ৰূপান্তৰ নোহোৱাকৈ অসমীয়া ভাষাত ব্যৱহাৰ কৰা দেখা যায়।

কলম, কাগজ, চিয়াহী, দোৱাত মজলিচ, চেতাৰা, তবলা, নাসাৰা, তানপুৰা, দামামা আদি ইছলামী শিক্ষা আৰু সংস্কৃতি বুজোৱা শব্দ অসমীয়া ভাষাত একেৰূপতে পোৱা গৈছে।

মহকুমা, জিলা, চৰ্কাৰ, চহৰ, আইন-কানুন, আদালত, হাকিম, উকিল, দৰ্খাস্ত, দলিল, এজাহাৰ, নালিচ, বাজেয়াপ্ত, হাজত, আমানত, ফৰিয়াদি, জবানবন্দি, ক্ৰোক, জামানত দোকান, খৰিদ, দোকানদাৰ, কাৰবাৰ দালাল আদি ইছলামী শব্দ, শাসন, আইন, খাজনা, ব্যৱসায় আদি কামত অসমীয়া ভাষাত প্ৰয়োগ কৰা হয়।



বাদচাহ, চুলতান, দেৱান, তালুকদাৰ, জমিদাৰ, চুবেদাৰ, দাৰোগা, খলিফা, পেচকৰ, দাৰোৱান, হুজুৰ, মালিক, চাকৰ, চৰ্দাৰ, ফৌজ, নাজিৰ, জমাবন্দি, চিঠাবন্দি, মাচুল, মালখানা, কামান, কেল্লা, চিপাহী, হাবিলদাৰ ইত্যাদি ইছলামী শব্দ,—ৰাজবিষয়া, ৰাজসন্মান, যুদ্ধ আদি বুজোৱা অৰ্থত অসমীয়াত প্ৰচলিত হৈ আছে।

মোগল সকল খোৱা-বোৱা, থকা-মিলাত বৰ আড়ম্বৰপূৰ্ণ আৰু পিন্ধন-উৰণত বৰ বিলাসী আছিল। এনে ধৰণৰ শব্দ,—বাবুৰ্চি, নাস্তা, কাবাব, হালোৱা, পোলাও, বাদাম, পেস্তা, চালগোম, পিয়াজ নহৰু, তৰমুজ, গাজৰ, কালিয়া, বালুচাহি, মঞ্জিল, দালান, হাউলি, বুনিয়াদ, পুল (দলং), চালামি, দৰ্জ্জা মিনাৰ, আইনা, আতৰ, আৎক, চচমা, তক্তাপোচ, আতচবাজী আদি শব্দই অসমীয়া শব্দসম্ভাৰ টনকীয়াল কৰিছে।

চিকিৎসা বিষয়ক আৰু সাধাৰণ বয়বস্তু বুজোৱা বহুতো শব্দ অসমীয়া ভাষাত দেখিবলৈ পোৱা যায়। সেই শব্দবোৰ হৈছে—দাৱাই, ইচবগুল, জুলাব, মলম, চিৰিকা, হাইজা, বদ-হজম, শতৰঞ্চি, তাচ, পালোৱান, কুস্তি, গৰজ, কাৰখানা, জাহাজ, দখল, নগদ, কদৰ, মতলব ইত্যাদি।

কিতাব, গুলাব, হিচাব, গজব আদি আৰবী ভাষাৰ ঘোষ ধ্বণিৰ শব্দ ক্ৰমে কিতাপ, গোলাপ, হিচাপ, গজপ অঘোষ হৈ অসমীয়া ভাষাত সোমাইছে। আফচোচ, দাফতৰী, দোতৰফা আদি মহাপ্ৰাণ বৰ্ণৰ শব্দ ক্ৰমে আপচোচ, দপ্তৰী, দুতৰপীয়া ৰূপত অল্পপ্ৰাণ হৈ অসমীয়াত প্ৰৱেশ কৰিছে।

ইয়াৰোপৰি অসমীয়া ভাষাত ধ্বন্যাত্মক ৰূপে ব্যৱহাৰ হোৱা চিৰ্ চিৰ্, কৰ্ কৰ্, খৰ্ খৰ্, কা,-কা, খচ্ খচ্ আদি শব্দ, আৰবী ভাষাৰ কিছুমান ধ্বন্যাত্মক শব্দৰ লগত সাদৃশ্য থকা দেখা যায়।

সামৰণীত কব পাৰি যে ইছলামী ভাষা সাহিত্য আৰু সংস্কৃতিৰ অৱদানত অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি বহুগুণে টনকিয়াল হৈছে।

# শিল্পী হেমাঙ্গ বিশ্বাস—এটি আলেখ্য—

শ্রীদিনমণি ডেকা
ৰঙিয়া

অসমৰ সোণ গজা মাটিত উপজি যিসকলে স্বকীয় সোণালী আভাৰে জগত আলোকিত কৰি থৈ গ'ল সেইসকলৰে এজন হেমাঙ্গ বিশ্বাস। আধুনীক যুগৰ অগ্ৰগণ্য সঙ্গীত শিল্পী আৰু অন্যতম লোকসংস্কৃতিবিদ এইজনা মহান সুন্দৰৰ সাধক জগতত যি বুলিয়েই পৰিচিত নহওক কিয় অসমৰ সংস্কৃতিক ইতিহাসত তেওঁ নিজেই এক বিৰাট স্বৰ্ণোজ্জ্বল অধ্যায়। অসমৰ সংস্কৃতিৰ বাবে বৰণীয়া পথাৰখনত বৰঢোল বাই খলক লগোৱা হেমাঙ্গ বিশ্বাস আছিল অসমক হাড়ে হিমজুৰে ভাল পোৱা ভাল অসমীয়া। পঞ্চাছৰ দশকত গণনাট্য আন্দোলনক কেন্দ্ৰ কৰি অসমীয়া কাব্য নাটক আৰু সঙ্গীতত নতুন সৃষ্টিৰ যি জোৱাৰ উঠি-ছিল তাৰ প্ৰেৰণাৰ এটা প্ৰধান উৎস আছিল হেমাঙ্গ বিশ্বাস। কবি, গীতিকাৰ, গায়ক, সুৰকাৰ, গৱেষক পণ্ডিত হেমাঙ্গ বিশ্বাস আছিল ভাৰতীয় গণনাট্য সংঘৰ অন্যতম প্ৰতিস্থাপক, সংগঠক আৰু অসম গণনাট্য সংঘৰ প্ৰাণ-পুৰুষ, সংগঠক আৰু প্ৰধান সম্পাদক।

১৯১২ খ্ৰীষ্টাব্দৰ ১৪ ডিচেম্বৰ, অসমৰ বাবে এক সৌভাগ্যৰ দিন। সেইদিনাই মানৱসেৱাৰ মহা আশীৰ্বাদ শিৰত লৈ জন্ম লৈছিল হেমাঙ্গ বিশ্বাসে, তেতিয়াৰ অসমৰ শ্ৰীহট্ট জিলাৰ হবিগঞ্জ মহকুমাৰ মিৰাশী গাঁৱত। হিন্দুৰ ধৰ্মীয় ৰীতি-নীতিৰ টান ডোলেৰে বন্ধা এক আঢ্যৱন্ত পৰিয়াল। প্ৰাচীন ঘৰৰ আন্ধাৰত হেমাঙ্গৰ শ্বাসৰুদ্ধ হোৱাৰ উপক্ৰম। পোহৰ লাগে, লাগে আলোকিত এখনি বহল আকাশ। পোহৰ বিচাৰি ওলাল হেমাঙ্গ বিশ্বাস; পালে দেশৰ মাটি আৰু মানুহৰ প্ৰাণৰ সম্পদ, মানুহৰ বুকুৰ সুৰ, মনৰ কথা। হেমাঙ্গৰ সহজাত প্ৰতিভাৰ উৰ্বৰ ভূমিত পৰি এই কথা আৰু সুৰে অভিনৱ অঙ্কুৰ মেলিলে। আমি পালো তেওঁৰ প্ৰাণ—'পৰিভুগী" গণ-গীতি। হেমাঙ্গ আগবাঢ়িল মুকলী পথাৰৰ বতাহলৈ, বাঁহনি-গছনি, নৈ-বিল, চৰাই-চিৰিকতিৰ ফুটা-নুফুটা কোঁহালৰ মাজলৈ, মাটি খোৱা মানুহৰ হৃদয়ৰ পৰা হৃদয়লৈ, গণমানসৰ বন্তিত শলিতা জ্বলাবলৈ।

স্বাধীনতা যুজৰ সময়। দাসত্বৰ শিকলী ছিঙি দেশমাতৃৰ উদ্ধাৰৰ বাবে সন্তান সকলৰ জীৱন পণ। ভাৰতবৰ্ষক বৃটিছ সাম্ৰাজ্যবাদৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ কিছুমান সশস্ত্ৰ বিদ্ৰোহীৰ গোট গঢ়ি উঠিছে। ন যুৱক হেমাঙ্গৰ শিল্পী হৃদয় আলোড়িত হ'ল। তেনে বিদ্ৰোহী গোটৰ অন্যতম অনুশীলন পাৰ্টিত যোগ দি তেওঁ গোপন বিপ্লৱীৰ পথ ললে। ধৰা পৰিল ১৯৩২ চনত আৰু তিনিবছৰ কাৰাবাস খাতি ১৯৩৫ চনত মুক্তি পালে। কিন্তু কাৰাগাৰতে তেওঁ যক্ষ্মা ৰোগত আক্ৰান্ত হ'ল। সময় আগবাঢ়িল। লাহে লাহে তেওঁ বুজিবলৈ আৰম্ভ কৰিলে, এই আত্মাহুতি নিস্বাৰ্থ, দেশাত্মবোধেৰে অগ্নিবৰ্ষী আৰু মুক্তি পিয়াসী হলেও, প্ৰকৃত বিপ্লৱীৰ পথ ভিন্ন। জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিষ্পেষিত মানুহক তেওঁলোকৰ স্বকীয় অভিজ্ঞতাৰ ভিত্তিত সংগঠিত কৰি এটা বিশেষ পৰ্য্যায়লৈ সন্মিলিতভাৱে তুলি নিব নোৱাৰিলে, কেৱল জনদিয়েকৰ চৰম আত্মত্যাগেৰে বিপ্লৱ সাধন কৰিব নোৱাৰি। ইয়াৰ বাট একা-বেকা, খলা-বমা, দীঘলীয়া আৰু শ্ৰমসাধ্য। অস্থিৰ চিত্ততাই হিতে বিপৰীতহে কৰে। হেমাঙ্গ বিশ্বাস ক্ৰমে ক্ৰমে মাৰ্ক্সবাদৰ তত্ব, কৰ্ম আৰু পন্থাৰ ফালে ঢাল খালে।

১৯৪৮ চনত স্বাধীন দেশৰ পুলিচে হেমাঙ্গ বিশ্বাসক কলিকতাত আছে বুলি ভাবি বিচাৰি চলাথ কৰিছিল। ১৯৫১ চনত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি স্বাস্থ্যজনিত কাৰণত এৰি দিব লগীয়া হ'ল। ১৯৫৭ চনৰ হিন্দী চিনী ভাই ভাইৰ যুগত হেমাঙ্গই চীনলৈ বুলি বিদায় ললে। ১৯৫৯ চনত তেওঁ গুৱাহাটীলৈ উভতি আহিল। ১৯৬০ চনত কলিকতাৰ পৰা "ছোভিয়েত দেশ" পযেকীয়া আলোচনীৰ এটা অসমীয়া সংস্কৰণ উলিয়াবলৈ তেওঁ গুৰি ধৰিলে। তেওঁ ছোভিয়েট দেশ কাৰ্য্যালয়ত জনসংযোগ বিষয়া হিচাপে সোমাল হেম শৰ্ম্মা আৰু কেশৱ মহন্তক কাগজখনৰ সম্পাদনাৰ দায়িত্ব লবলৈ লৈ গ'ল। ১৯৮০ চনত তেওঁ আকৌ চীনলৈ গ'ল, পিছত আকৌ এবাৰ। দুয়ো পৰ্যটনৰ দুই ফলাগম—"চীন চাই আহিলো" আৰু "আকৌ চীন চাই আহিলো"।

হেমাঙ্গ বিশ্বাসে এসময়ত তেওঁৰ পুৰণি ঘৰখনত আৰু বিশ্বাস স্থাপন কৰিব নোৱাৰা হ'ল। পাৰত্ৰিক অনন্ত সুখৰ স্বপ্ন এৰি ইহকালৰ সুৰমাৰ সুঁতিয়েদি "উজান ঠেইকা আইলুম আমি লুইতেৰ চৰ।" প্ৰাণদায়িনী লুইতৰ বায়ুত জীৱন ডিঙাৰ পাল তৰি দিলে হেমাঙ্গ বিশ্বাসে।

কেন্দ্ৰস্থ পুৰুষ হেমাঙ্গ বিশ্বাসক লৈ গোৱা আৰু নচা নতুন মানুহৰ দল এটা ব্ৰহ্মপুত্ৰ উপত্যকাত ভৰি দিলেহি, নাম যাৰ সুৰমা ভেলি স্কোৱাড। তেওঁলোকে গালে "দেশেৰ বন্ধু শহীদ, তোমাৰে-তো ভুলি নাই……।" লুইতৰ সোঁতৰ পাৰত হেমাঙ্গই পাহাৰ, ধাননি আৰু মানুহৰ বুকুৰ দুৱাৰদলিত ভৰি দি দুৱাৰত টুকুৰিয়াবলৈ ধৰিলে, যেন বিষ্ণুপ্ৰসাদৰ সুৰৰ দেউল, যাৰ সোণোৱালী দুৱাৰ মেলি দিবলৈ আহিল ৰূপৰ শিকলি চিঙি এই দলটো।

১৯৪৩ চনৰ মেই মাহত বোম্বাইৰ মাটিত ভাৰতীয় গণনাট্য সংঘৰ জন্ম হ'ল। তাৰ বীজ বিয়পি পৰিল সমগ্ৰ ভাৰততে। কলিকতাত বিজন ভট্টাচাৰ্য্য, শম্ভু মিত্ৰ, বিনয় ৰায় আদি প্ৰাতঃ স্মৰণীয় কলাকাৰ সকলে গণনাট্য সংঘ গঢ়ি তুলিছিল। ইসকলৰ লগতে হেমাঙ্গয়ো

তেওঁৰ প্ৰথম অৰিহনা যোগালে।

এই শতিকাৰ পাঁচৰ দশকটো অসমত গণনাট্য সংঘৰ জয় জয়কাৰ। হেমাঙ্গ বিশ্বাসৰ শয়নে-ভোজনে, সচিতে-সপোনে এটাই মাত্ৰ চিন্তা—অসমৰ লোককলা আৰু পৰম্পৰাৰ সাংস্কৃতিক ঐশ্বৰ্য্যৰ খনিৰ অনুসন্ধান। ব্ৰজ শৰ্মাক চিনি পাওঁনে? মঘাই ওজা, নৰহৰি বুঢ়া ভকতক? প্ৰতিমা বৰুৱাক? চন্দ্ৰকুমাৰ, পৰমানন্দ জ্যোতিপ্ৰসাদক? বিষ্ণুৰাভাক? দেখিছো বা শুনিছোঁ, কিন্তু চিনি পাওঁনে কব নোৱাৰো। হেমাঙ্গই চিনি পালে। চিনি উলিয়ালে আৰু বহু স্বৰ্ণময় প্ৰতিভা।

ডঃ ভূপেন হাজৰিকা আমেৰিকাৰ পৰা উভতি ঘৰলৈ আহিছে। বিদেশত স্নাতকোত্তৰ অধ্যয়নৰ সফল সমাপ্তিৰ লগে লগে ডঃ হাজৰিকাই হৃদয়ত লৈ আহিছে তাৰ মাটিৰ সুৰ, লোক-গীতৰ ঐশ্বৰ্য্য, নিগ্ৰো স্পিৰিচুৱাল গীত আৰু সুৰ। জনালোকে ঠাৰৰ কৰিছে, যি স্বৰূপত থলুৱা সিয়েই বিশ্বজনীন। আমেৰিকাৰ মাটি আৰু মাটিৰ মানুহৰ মৰ্মবাণী ভাৰত তথা অসমৰ মৰ্মবাণীৰে একে ডঃ হাজৰিকাৰ কণ্ঠৰ সহজাত ঐশ্বৰ্য্যও যুগপৎ বলিষ্ঠ আৰু মধুৰ। এনে এজন ব্যক্তিক পাই হেমাঙ্গৰ হৃদয়ত আনন্দৰ জোৱাৰ উঠিল। তেওঁ আত্মহাৰা হৈ গ'ল আৰু গণনাট্য সংঘৰ সৃজনশীল কৰ্মধাৰাৰ লগত ডঃ হাজৰিকাক চিনাকি কৰি দিলে। লগে লগে সৃষ্টি হ'ল ভূপেন হাজৰিকাৰ প্ৰাণস্পৰ্শী গীতৰ মল্লিকা। অকল গণনাট্য সংঘৰ কালৰ গীতখিনিৰেই ডঃ হাজৰিকা অসমৰ কাৰণে যুগ যুগ স্মৰণীয় হৈ ৰব। কিন্তু কথা হ'ল হেমাঙ্গ বিশ্বাস নথকাহলে এই প্ৰতিভাক চিনিব পৰা হ'ল হেতেন নে? গণনাট্য সংঘই এই অভিনৱ ডঃ হাজৰিকাক সৃষ্টি কৰিলে আৰু ডঃ হাজৰিকাই সৃষ্টি কৰিলে গণনাট্য সংঘৰ বিস্তৃতি। এই সকলোৰে গুৰিত হেমাঙ্গ বিশ্বাস, নামে-কামে এচেকুৰা কেচাঁসোণ।

হেমাঙ্গই আৱিস্কাৰ কৰিলে আৰু এজন সমমৰ্মীক. ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদক। জ্যোতিপ্ৰসাদৰো চিন্তা-ভাৱনাত এক ৰূপান্তৰৰ প্ৰতিশ্ৰুতি দেখি হেমাঙ্গ বিশ্বাস অভিভূত হৈ পৰিছিল। হেমাঙ্গৰ নিজৰ কথাৰে, "১৯৪৬ চনৰ নৌ বিদ্ৰোহৰ বৰটোপৰ প্ৰতিধ্বনিৰে ৰঞ্জিত গণনাট্য সংঘৰ নৃত্য-নাট্য আৰু গীতৰ শৰাই "ৰক্তেৰ ঋণ" লৈ অসমৰ বিভিন্ন চহৰ পাৰ হৈ যিদিনা তেজপুৰ পালোহি, জ্যোতিপ্ৰসাদে নৰিয়া পাটীৰ পৰা সেইদিনা আমাক আঁকোৱালি ললে। এয়েই মোৰ প্ৰথম চিনাকি। তেখেতৰ তেতিয়া অসুখ বৰ বেছি।...... তেখেতৰ চকুৰ গভীৰ তলিত পাইছিলো, ৰবীন্দ্ৰনাথৰ অনন্ত জীৱনাকুতি। "তবু বিহঙ্গ, ওৰে বিহঙ্গ মোৰ, এখনি অন্ধ, বন্ধ কৰো না পাখা।"—(প্ৰবাহ, জ্যোতি সংখ্যা, ১৯৫৬) হেমাঙ্গই এই বিপ্লৱী মণীষাৰ ধাৰকজনক চিনি পালে। আজি ভাৰতীয় গণনাট্য সংঘৰ যি মূল বাণী 'পিপ্‌লছ্‌ থিয়েটাৰ ষ্টাৰছ্‌ দি পিপল্‌' ইংৰাজী ভাষাত আছিল—তাৰো অসমীয়া অনুবাদৰ প্ৰাথমিক কথা বতৰা কেশৱ মহন্ত আদিৰ সৈতে পাতি হেমাঙ্গ জ্যোতিপ্ৰসাদৰ কাষ চাপিছিল আৰু জ্যোতিপ্ৰসাদে 'দেশেই আমাৰ নাটঘৰ, ৰাইজেই ভাৱৰীয়া' বুলি শেষ সিদ্ধান্ত দিছিল। অসম গণনাট্য সংঘই আগবঢ়োৱা সভাপতিৰ পদ জ্যোতিপ্ৰসাদে সানন্দে গ্ৰহণ কৰিছিল। জ্যোতিপ্ৰসাদৰ পৰবৰ্তী জীৱনৰ সংস্কৃতি সাধনাত,



শিল্প-ভাৱনাত গণনাট্য সংঘৰ শিল্প-ভাৱনাৰ মিল পৰিলক্ষিত হৈছিল।

বিষ্ণুপ্ৰসাদৰ লগতো হেমাঙ্গ আছিল নলে-গলে লগা। কলিকতাত তেওঁৰ স্মৃতিদিৱসো হেমাঙ্গৰ উদ্যোগতে অনুষ্ঠিত হৈ গৈছে।

১৯৫৮ চনৰ পৰা ১৯৮৬ চনলৈকে—এই ২৮ টা বছৰত ভাৰতীয় গণনাট্য সংঘৰ অস্তিত্ব খণ্ডিত হৈ যায়। ভাৰতবৰ্ষৰ দুই এখন ৰাজ্যত সুকীয়াকৈ ইয়াৰ কাম চলিলেও, তাৰ সেই সৰ্বভাৰতীয় সংগঠিত ৰূপটো নাইকিয়া হৈ পৰে। এই সময়ছোৱাত ইয়াৰ শিল্পী সকল কিন্তু বহি থাকিব পৰা নাছিল। তেওঁলোকে গণনাট্য সংঘৰ কৰ্মধাৰাৰ অনুসৰণ কৰিয়েই স্বতন্ত্ৰ গোট গঠন কৰি দেশৰ বিভিন্ন প্ৰান্তত কলা-অনুশীলন চলাই আছিল। যি 'সাৰে জহাঁসে অচ্ছা' গীত গণনাট্য সংঘৰ গীত হৈ পৰিছিল—তাৰ সুৰ দিছিল ৰবি শংকৰে। প্ৰেম ধাৱানৰ মিলকে চলো গণনাট্য সংঘৰে গীত। গতিকে সংঘ খণ্ডিত হলেও এইসকল প্ৰতিভাতো খণ্ডিত হব নোৱাৰে। তেওঁলোক গৈ আছিল। ঠিক হেমাঙ্গয়ো নিজে এটা দল এই সময়তে সংগঠিত কৰি লৈছিল—মাছ্ ছিংগাৰ্ছ। এই দলে ভাৰত তথা বিশ্বৰ গণ-গীত পৰিৱেশন কৰিছিল। এই দলত হেমাঙ্গৰ সোঁহাত আছিল শ্ৰীযুতা ৰত্না সৰকাৰ। কিন্তু হেমাঙ্গ নিজৰ দলটিক লৈয়েই সন্তুষ্ট হব পৰা নাছিল। তেওঁ গণনাট্য সংঘৰ সৰ্বভাৰতীয় পুণৰ্জ্জীৱন বিচাৰিছিল। কলিকতাৰ এচাম গণশিল্পীয়ে তেওঁৰ আশাৰ কথাৰ উমান পাইছিল আৰু ভাৰতীয় জন সংস্কৃতি সংঘ নামৰ গণনাট্য সংঘৰে সহোদৰ সংগঠন এটাৰ তেওঁক সভাপতি পাতিছিল।

ইতিমধ্যে হেমাঙ্গৰ এই হেঁপাহ পুৰ্ণ হোৱাৰ দুৱাৰ মুকলি হবলৈ আৰম্ভ হৈছিল। হেমাঙ্গৰ সমকালীন আৰু নতুনৰো এচাম গণ-শিল্পীয়ে মিলি আগ্ৰাত এখন সৰ্বভাৰতীয় প্ৰস্তুতি সমিতি পাতিছিল। তালৈ হেমাঙ্গৰে সহকৰ্মী আৰু গণনাট্য সংঘৰ প্ৰাক্তন সহ সম্পাদক নগেন কাকতি অসমৰ পৰা গৈছিল। তাতেই ঠিক হয়, ভাৰতীয় গণনাট্য সংঘৰ ৯ম মহা সন্মিলন হায়দৰাবাদত অনুষ্ঠিত কৰাৰ। অসমতো তাৰ প্ৰস্তুতি সমিতি হৈছিল আৰু হেমাঙ্গ মুখ্য-উপদেষ্টা হবলৈ মান্তি হৈছিল। দিলীপ শৰ্মা এই সমিতিৰ সভাপতি আৰু নগেন কাকতি সম্পাদক আছিল। ১৯৮৬ চনত সংঘৰ এক মহা সন্মিলন হায়দৰাবাদত অনুষ্ঠিত হৈছিল আৰু উদ্বোধন কৰিছিল হেমাঙ্গ বিশ্বাস আৰু তেওঁৰ মাছ-চিঙ্গাৰ্ছ দলে। ভাষাৰ ভিন্নতা সত্বেও গায়নৰ আন্তৰিকতা, সুৰৰ উদাত্ত গতিয়ে সেইদিনা সভাথলী মন্ত্ৰমুগ্ধ কৰি পেলাইছিল। তেতিয়া হেমাঙ্গ বিশ্বাসৰ বয়স হৈছিল ৭৪ বছৰ। মহা-সন্মিলনে কাইফি আজমিক সভাপতি নিৰ্বাচিত কৰিছিল আৰু উপ-সভাপতি কেইজনৰ ভিতৰত আছিল এ, কে হাঙ্গল, দীনা পাঠক আৰু আমাৰ হেমাঙ্গ বিশ্বাস। সেই মহা-সন্মিলনতে বিভিন্ন আলোচনা চক্ৰত আলোচনা চলিছিল। গীত সম্বন্ধে হোৱা আলোচনা চক্ৰ এখনৰ মূল প্ৰৱন্ধটো আছিল হেমাঙ্গ বিশ্বাসৰ। চক্ৰৰ সভাপতি হৈছিল দিলীপ শৰ্মা। তাত বঙ্গ, বিহাৰ উৰিষ্যা আদিৰ প্ৰতিনিধিৰ লগতে অসমেও ভাগ লৈছিল। অসমৰ পৰা আলোচনাত ভাগ লোৱাত হেমাঙ্গ পৰম আহ্লাদিত হৈ কাষলৈ মাতি নিছিল। বঙ্গদেশৰ সহকৰ্মী সকলে হেমাঙ্গলৈ চাই হাঁহি

হাঁহি কৈছিল “এতিয়া আৰু হেমাঙ্গদাক ক’ত পাবা ? অসম আহিছে।” অসমৰ প্ৰতি তেওঁৰ অকৃতিম প্ৰেম সৰ্বজনবিদিত।

অসমত অসমীয়া ভাষাৰ হকে কেইবাবাৰো আন্দোলন হৈছে। ১৯৬০ চনতো হৈছিল। আন্দোলনত অনেক অপ্ৰিয় ঘটনাও ঘটিছিল। ফলত জনসাধাৰণৰ মাজত সম্প্ৰীতিৰ ভাৱ নষ্ট হৈছিল। এই কথাত হেমাঙ্গ মৰ্মাহত হৈছিল। তেওঁ ইয়াৰ নিৰাময় বিচাৰিছিল আৰু শেষত ঠাৱৰ কৰিছিল যে এটা শান্তি সম্প্ৰীতিৰ দল উলিয়াই অসমৰ চুকে-কোণে প্ৰীতিৰ পৰিবেশ গঢ়ি তুলিব। গতিকে শ্ৰদ্ধাভাজন শ্ৰীযুত যুগল দাসৰ লগ লাগি হেমাঙ্গই গঠিত কৰিছিল—‘লেট্ আছ্ মিট্ ফৰ পিছ এণ্ড হাৰমণি’ দল। এই দলৰ মূল গায়ক আছিল হেমাঙ্গ বিশ্বাস আৰু ডঃ ভূপেন হাজৰিকা। গুৱাহাটীত খোজ পেলাই এই অভিযাত্ৰীৰ দল ডিব্ৰু পৰ্যন্ত পাইছিল গৈ। এই দলত আছিল শ্ৰীযুতা জ্ঞানদা কাকতি, শ্ৰীমতী কবিতা আৰু স্তুতি হাজৰিকা, শ্ৰীৰাজেশ্বৰ বৰদলৈ, বিজয় শঙ্কৰ, ৰোহিনী বৰুৱা, জয়ন্ত হাজৰিকা আৰু খগেন মহন্ত আদি শিল্পী সকল।

হেমাঙ্গই লোকগীতৰ বা পৰম্পৰা গীতৰ কথা আৰু সুৰ বিকৃত কৰিলে বৰ বেয়া পাইছিল। বিশেষকৈ আধুনিক গীত গোৱা ডেকাগাভৰুৰ লোক-সুৰত একোটা আধুনিক পাক দিয়াৰ প্ৰবণতা তেওঁ লক্ষ্য কৰিছিল। তেওঁ কৈছিল, “লোকগীত আমাৰ মানুহৰ একোটা সৃষ্টি। তাক সেইভাজেই পৰিবেশন কৰিব লাগে। নিজৰ কিবা থাকিলে, তাতে জোৰা নিদি তেনে সুৰৰ ভিত্তিত পুনৰ সৃষ্টি কৰিব লাগে। তেতিয়া সি আধুনিক সৃজনশীল গীতৰ শ্ৰেণীত পৰিব।” ১৯৮৯ চনত কলিকতাৰ নেতাজী সুভাষ ইনড’ৰ ষ্টেডিয়ামত অনুষ্ঠিত পূৰ্বভাৰত সংহতি সন্মিলনত হেমাঙ্গৰ মাছ-ছিংগাৰ্ছ দলে গণ-গীত পৰিবেশন কৰিছিল। এই দলটোৱে অসমৰ বিহুও গায়। তদুপৰি ডঃ হাজৰিকায়ো তাত বিহুগীতৰ এখন থল কৰি থৈছে। সেই সন্মিলনলৈ খগেন মহন্তকো মাতিছিল। তেওঁ বিহুগীত তাৰ কথা আৰু সুৰেৰে নিভাজকৈ আৰু কোনো ছফিষ্টিকেশ্যন নকৰাকৈ পৰিবেশন কৰাত হেমাঙ্গ আৰু সলিল চৌধুৰীয়ে খগেন মহন্তক হেনো আকোৱালী ধৰি কৈছিল, লোকগীত ঠিক তেনেকৈয়ে পৰিবেশন কৰিব লাগে।

লোক সঙ্গীতৰ বিশ্লেষণত হেমাঙ্গই এটা নতুন দৃষ্টিভঙ্গী লৈছিল। তেওঁ সেইবোৰক কৃত্ৰিম কৰাটো বিচৰা নাছিল আৰু তাৰ প্ৰসঙ্গৰ আৰ্থসামাজিক দিশটো চালি-জাৰি চাবলৈ পৰামৰ্শ দিছিল। লোক-সঙ্গীতত স্ৰষ্টাৰ ইচ্ছা, লক্ষ্য আৰু বাস্তৱ কেনেকৈ সানমিহলি হৈ আছে তাক তেওঁ সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে। সেইবোৰ অতীত ঐতিহ্যক তেওঁ চাইছিল বৰ্তমানৰ পোহৰত, কাৰণ, বৰ্তমানেইহে আমাক ভবিষ্যতলৈ নিয়াত সহায় কৰিব।

হেমাঙ্গ বিশ্বাসে সৰহ গ্ৰন্থ উত্তৰ কাললৈ এৰি যোৱা নাই। “চীন চাই আহিলোঁ” “আকৌ চীন চাই আহিলোঁ” এই দুই পুথিৰ উপৰিও তেওঁ ৰচনা কৰা গ্ৰন্থ হ’ল,—সীমান্ত প্ৰহৰী, কুলখুৰাৰ চোতাল, শংখচিলেৰ গান, অসম আৰু বাংলা লোকসঙ্গীত সংক্ৰান্ত গ্ৰন্থ লোক সংগীত সমীক্ষা, সম্পাদিত ফ’ক ছংছ অব্ ইণ্ডিয়া। প্ৰবন্ধ-পাতিও সংখ্যাত সৰহ নহলেও লেখৰ। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ সংক্ৰান্ত চিন্তা উদ্ৰেককাৰী প্ৰৱন্ধ সমূহ আমাৰ



সম্পদ। হেমাঙ্গই খনদিয়েক চলচিত্ৰতো সঙ্গীত দিছিল। তাৰ ভিতৰত উৎপল দত্ত পৰিচালিত কল্লোল আৰু তীৰ আছে। লালন—ফকিৰ নামৰ কথাছবিত হেমাঙ্গৰ সুৰাৰোপিত গীত এটা গাই শ্ৰুতকীৰ্তি হেমন্ত মুখোপাধ্যায়ে নেশ্যনেল এৱাৰ্ড (জাতীয় পুৰস্কাৰ ?) পাইছিল। বিশ্ববিখ্যাত ‘জন হেনৰি’ গীতৰ শেষৰ স্তবকটো ৰচয়িতাৰ আহ্বানত সহাঁৰি জনাই ৰচনা কৰি মূল গীতটোত জুৰি দিলে হেমাঙ্গই। তদুপৰি লেংষ্টন হিউজৰ ‘কমৰেড্ লেনিন অব ৰাচিয়া’ কবিতাৰ কবি বিষ্ণু দেই কৰা বাংলা অনুবাদটিত হেমাঙ্গই স্তোত্ৰৰ সুৰাৰোপন কৰিছিল। তেওঁৰ সুবিখ্যাত গণ-গীতবোৰৰ ভিতৰত কেইটিমান হ’ল—কাস্তেটাৰে দিও জোৰেশান কিষাণ ভাই ও, মাউণ্টবেটেন মঙ্গল কাব্য, আমৰা তো ভুলি নাই স্বহীদেৰে, পদ্মা কথা কও আমাৰে, বাচব ৰে বাচব আমৰা, মশাল জ্বাল, পেলাম চাচা, আমি যে দেখেছি সেই দেশ, আবাৰ আমি বান্ধমু ঘৰ ইত্যাদি। হেমাঙ্গৰ গীতৰ দুটা কেছেট ওলাইছে:—হেমাঙ্গ বিশ্বাসেৰ গান আৰু হেমাঙ্গ বিশ্বাসেৰ শ্ৰেষ্ঠ গান। তেওঁৰ পাণ্ডিত্য আছিল অগাধ, বিশেষকৈ লোকসঙ্গীতত। পঞ্চাশৰ দশকৰ প্ৰথম কালচোৱাত অসমৰ বিখ্যাত আলোচনী ‘আৱাহন’ৰ সম্পাদক মণ্ডলীত বিখ্যাত ঔপন্যাসিক চৈয়দ আব্দুল মালিক, সাহিত্যিক আৰু দাৰ্শনিক ভবানন্দ দত্ত, শিল্পী ডঃ ভূপেন হাজৰিকাৰ লগত তেওঁ এজন সদস্য আছিল আৰু আলোচনীখনৰ উন্নতিৰ বাবে সৰ্বতোপ্ৰকাৰে সাহাৰ্য্য আগবঢ়াইছিল।

এই সদাহাস্যমুখ আশাপূৰ্ণ ৭৪ বছৰীয়া ভাৰতীয় গণনাট্য সংঘৰ অন্যতম প্ৰাণপুৰুষ যুৱকজনে ১৯৮৭ চনৰ ২২ নৱেম্বৰৰ নিশা ৮ বাজি ৪৫ মিনিটত কলিকতাৰ এছ, এছ, কে, এম, হস্পিতেলত চিৰকাললৈ চকু মুদিলে। এৰি থৈ গ’ল অসম তথা ভাৰতবৰ্ষৰ অগণন অনুগামী, সহযোদ্ধা, গুণমুগ্ধ নৰ-নাৰীক।

হেমাঙ্গ বিশ্বাসৰ মৃত্যুত মানবতাবাদী কণ্ঠস্বৰ এটি স্তব্ধ হ’ল। নানা প্ৰতিকূল পৰিস্থিতি আৰু হতাশাৰ মাজতো তেওঁ নিজৰ জীৱন-ছন্দ প্ৰবাহিত কৰি ৰাখিছিল। তাৰবাবে তেওঁ যথেষ্ট ত্যাগ কৰিবলগীয়া হৈছিল। আপোচবিমুখ এই মানুহজনে নিজ কৰ্ম্ম আৰু সৃষ্টিৰ জৰিয়তে মানবতাবাদৰ বন্তি জ্বলাই ৰাখিছিল। আজি এনেবোৰ মূল্যবোধক আমি বিদায় দিছোঁ। বিস্বাসৰ জীৱন আৰু আদৰ্শৰ পোহৰত যেতিয়া আমি নিজকে চাওঁ, তেতিয়া মনত ভাৱ হয় আমাৰ ব্যাক্তিত্ব যেন খণ্ডিত। তেওঁ জ্যোতিপ্ৰসাদৰ দৰেই লুইতৰ ঘাটেদি পৃথিৱী চাবলৈ ওলাইছিল, কিন্তু সেইবুলি লুইতৰ ঘাটকো পাহৰি যোৱা নাছিল। অসমৰ বহু তৰুণ প্ৰতিকূল পৰিস্থিতি আৰু সংঘাতৰ মাজত আজি বিভ্ৰান্ত, হেমাঙ্গ বিশ্বাসৰ এই বিভ্ৰান্তি নাছিল। আমাৰ তৰুণ সকলৰ বাবে তেওঁ আলোকস্তম্ভ হ’ব পাৰে। তেওঁৰ অসম প্ৰীতি আছিল নিভাঁজ আৰু অকপট; অসমৰ গাৱঁত থকা সুপ্ত প্ৰতিভা তেওঁৰ স্নেহ-স্পৰ্শত সাৰ পাই উঠিছিল। তদুপৰি তেওঁ আছিল অসম আৰু বঙ্গৰ সাধাৰণ মানুহৰ মাজত সেতু স্বৰূপ। তেওঁৰ যৌৱনৰ শ্ৰেষ্ঠ দিনবোৰ কটাইছিল গুৱাহাটীতে। তেওঁ মাত্ৰ অসমীয়া সংগীতৰেই যে এজন পথ প্ৰদৰ্শক আছিল এনে নহয়। তেওঁ অসমীয়া ভাষাৰ এজন শ্ৰেষ্ঠ কবিও আছিল। “আবাহন’ত তেওঁ লিখা কবিতা “শালগছ” উল্লেখযোগ্য। তেওঁৰ

হাঁহি কৈছিল "এতিয়া আৰু হেমাঙ্গদাক ক'ত পাবা ? অসম আহিছে।" অসমৰ প্ৰতি তেওঁৰ অকৃতিম প্ৰেম সৰ্বজনবিদিত।

অসমত অসমীয়া ভাষাৰ হকে কেইবাবাৰো আন্দোলন হৈছে। ১৯৬০ চনতো হৈছিল। আন্দোলনত অনেক অপ্ৰিয় ঘটনাও ঘটিছিল। ফলত জনসাধাৰণৰ মাজত সম্প্ৰীতিৰ ভাৱ নষ্ট হৈছিল। এই কথাত হেমাঙ্গ মৰ্মাহত হৈছিল। তেওঁ ইয়াৰ নিৰাময় বিচাৰিছিল আৰু শেষত ঠাৱৰ কৰিছিল যে এটা শান্তি সম্প্ৰীতিৰ দল উলিয়াই অসমৰ চুকে-কোণে প্ৰীতিৰ পৰিবেশ গঢ়ি তুলিব। গতিকে শ্ৰদ্ধাভাজন শ্ৰীযুত যুগল দাসৰ লগ লাগি হেমাঙ্গই গঠিত কৰিছিল—'লেট্ আছ্ মিট্ ফৰ পিছ এণ্ড হাৰমণি' দল। এই দলৰ মূল গায়ক আছিল হেমাঙ্গ বিশ্বাস আৰু ড়ঃ ভূপেন হাজৰিকা। গুৱাহাটীত খোজ পেলাই এই অভিযাত্ৰীৰ দল ডিবৰু পৰ্যন্ত পাইছিল গৈ। এই দলত আছিল শ্ৰীযুতা জ্ঞানদা কাকতি. শ্ৰীমতী কবিতা আৰু স্তুতি হাজৰিকা. শ্ৰীৰাজেশ্বৰ বৰদলৈ, বিজয় শঙ্কৰ, ৰোহিনী, বৰুৱা, জয়ন্ত হাজৰিকা আৰু খগেন মহন্ত আদি শিল্পী সকল।

হেমাঙ্গই লোকগীতৰ বা পৰম্পৰা গীতৰ কথা আৰু সুৰ বিকৃত কৰিলে বৰ বেয়া পাইছিল। বিশেষকৈ আধুনিক গীত গোৱা ডেকা-গাভৰুৰ লোক-সুৰত একোটা আধুনিক পাক দিয়াৰ প্ৰবণতা তেওঁ লক্ষ্য কৰিছিল। তেওঁ কৈছিল, "লোকগীত আমাৰ মানুহৰ একোটা সৃষ্টি। তাক সেইভাজেই পৰিবেশন কৰিব লাগে। নিজৰ কিবা থাকিলে, তাতে জোৰা নিদি তেনে সুৰৰ ভিত্তিত পুনৰ সৃষ্টি কৰিব লাগে। তেতিয়া সি আধুনিক সৃজনশীল গীতৰ শ্ৰেণীত পৰিব।" ১৯৮৯ চনত কলিকতাৰ নেতাজী সুভাষ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত পূৰ্বভাৰত সংহতি সন্মিলনত হেমাঙ্গৰ মাছ-ছিংগাৰ্ছ দলে গণ-গীত পৰিবেশন কৰিছিল। এই দলটোৱে অসমৰ বিহুও গায়। তদুপৰি ডঃ হাজৰিকায়ো তাত বিহুগীতৰ এখন থল কৰি থৈছে। সেই সন্মিলনলৈ খগেন মহন্তকো মাতিছিল। তেওঁ বিহুগীত তাৰ কথা আৰু সুৰেৰে নিভাজকৈ আৰু কোনো ছাফিষ্টিকেশ্যন নকৰাকৈ পৰিবেশন কৰাত হেমাঙ্গ আৰু সলিল চৌধুৰীয়ে খগেন মহন্তক হেনো আকোৱালী ধৰি কৈছিল. লোক-গীত ঠিক তেনেকৈয়ে পৰিবেশন কৰিব লাগে।

লোক সঙ্গীতৰ বিশ্লেষণত হেমাঙ্গই এটা নতুন দৃষ্টিভঙ্গী লৈছিল। তেওঁ সেইবোৰক কৃত্ৰিম কৰাটো বিচৰা নাছিল আৰু তাৰ প্ৰসঙ্গৰ আৰ্থসামাজিক দিশটো চালি-জাৰি চাবলৈ পৰামৰ্শ দিছিল। লোক-সঙ্গীতত স্ৰষ্টাৰ ইচ্ছা. লক্ষ্য আৰু বাস্তৱ কেনেকৈ সানমিহলি হৈ আছে তাক তেওঁ সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে। সেইবোৰ অতীত ঐতিহ্যক তেওঁ চাইছিল বৰ্তমানৰ পোহৰত, কাৰণ. বৰ্তমানেইহে আমাক ভৱিষ্যতলৈ নিয়াত সহায় কৰিব।

হেমাঙ্গ বিশ্বাসে সৰহ গ্ৰন্থ উত্তৰ কাললৈ এৰি যোৱা নাই। "চীন চাই আহিলোঁ" "আকৌ চীন চাই আহিলোঁ" এই দুই পুথিৰ উপৰিও তেওঁ ৰচনা কৰা গ্ৰন্থ হ'ল,—সীমান্ত প্ৰহৰী, কুলখুৰাৰ চোতাল, শংখচিলেৰ গান, অসম আৰু বাংলা লোকসঙ্গীত সংক্ৰান্ত গ্ৰন্থ লোক সংগীত সমীক্ষা, সম্পাদিত ফ'ক ছংছ্ অব্ ইণ্ডিয়া। প্ৰবন্ধ-পাতিও সংখ্যাত সৰহ নহলেও লেখৰ। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ সংক্ৰান্ত চিন্তা উদ্ৰেককাৰী প্ৰৱন্ধ সমূহ আমাৰ



সম্পদ। হেমাঙ্গই খনদিয়েক চলচিত্ৰতো সঙ্গীত দিছিল। তাৰ ভিতৰত উৎপল দত্ত পৰিচালিত কল্লোল আৰু তীৰ আছে। লালন—ফকিৰ নামৰ কথাছবিত হেমাঙ্গৰ সুৰাৰোপিত গীত এটা গাই শ্ৰুতকীৰ্তি হেমন্ত মুখোপাধ্যায়ে নেশ্যনেল এৱাৰ্ড (জাতীয় পুৰষ্কাৰ ?) পাইছিল। বিশ্ব-বিখ্যাত 'জন হেনৰি' গীতৰ শেষৰ স্তবকটো ৰচয়িতাৰ আহ্বানত সহাঁৰি জনাই ৰচনা কৰি মূল গীতটোত জুৰি দিলে হেমাঙ্গই। তদুপৰি লেংষ্টন হিউজৰ 'কমৰেড্ লেনিন অব ৰাচিয়া' কবিতাৰ কবি বিষ্ণু দেই কৰা বাংলা অনুবাদটিত হেমাঙ্গই স্তোত্ৰৰ সুৰাৰোপন কৰিছিল। তেওঁৰ সুবিখ্যাত গণ-গীতবোৰৰ ভিতৰত কেইটিমান হ'ল—কাস্তেটাৰে দিও জোৰেশান কিষাণ ভাই ও. মাউন্টবেটেন মঙ্গল কাব্য, আমৰা তো ভুলি নাই স্বহীদেৰে, পদ্মা কথা কও আমাৰে, বাচব ৰে বাচব আমৰা, মশাল জ্বাল, পেলাম চাচা, আমি যে দেখেছি সেই দেশ, আবাৰ আমি বান্ধমু ঘৰ ইত্যাদি। হেমাঙ্গৰ গীতৰ দুটা কেছেট ওলাইছে:—হেমাঙ্গ বিশ্বাসেৰ গান আৰু হেমাঙ্গ বিশ্বাসেৰ শ্ৰেষ্ঠ গান। তেওঁৰ পাণ্ডিত্য আছিল অগাধ, বিশেষকৈ লোক-সঙ্গীতত। পঞ্চাশৰ দশকৰ প্ৰথম কালচোৱাত অসমৰ বিখ্যাত আলোচনী 'আৱাহন'ৰ সম্পাদক মণ্ডলীত বিখ্যাত ঔপন্যাসিক চৈয়দ আব্দুল মালিক, সাহিত্যিক আৰু দাৰ্শনিক ভবানন্দ দত্ত, শিল্পী ডঃ ভূপেন হাজৰিকাৰ লগত তেওঁ এজন সদস্য আছিল আৰু আলোচনীখনৰ উন্নতিৰ বাবে সৰ্বতোপ্ৰকাৰে সাহাৰ্য্য আগবঢ়াইছিল।

এই সদাহাস্যমুখ আশাপূৰ্ণ ৭৪ বছৰীয়া ভাৰতীয় গণনাট্য সংঘৰ অন্যতম প্ৰাণপুৰুষ যুৱকজনে ১৯৮৭ চনৰ ২২ নৱেম্বৰৰ নিশা ৮ বাজি ৪৫ মিনিটত কলিকতাৰ এছ, এছ, কে, এম, হস্পিতেলত চিৰকাললৈ চকু মুদিলে। এৰি থৈ গ'ল অসম তথা ভাৰতবৰ্ষৰ অগণন অনুগামী, সহযোদ্ধা, গুণমুগ্ধ নৰ-নাৰীক।

হেমাঙ্গ বিশ্বাসৰ মৃত্যুত মানবতাবাদী কণ্ঠস্বৰ এটি স্তব্ধ হ'ল। নানা প্ৰতিকূল পৰিস্থিতি আৰু হতাশাৰ মাজতো তেওঁ নিজৰ জীৱন-ছন্দ প্ৰবাহিত কৰি ৰাখিছিল। তাৰ-বাবে তেওঁ যথেষ্ট ত্যাগ কৰিবলগীয়া হৈছিল। আপোচবিমুখ এই মানুহজনে নিজ কৰ্ম্ম আৰু সৃষ্টিৰ জৰিয়তে মানবতাবাদৰ বন্তি জ্বলাই ৰাখিছিল। আজি এনেবোৰ মূল্যবোধক আমি বিদায় দিছোঁ। বিস্বাসৰ জীৱন আৰু আদৰ্শৰ পোহৰত যেতিয়া আমি নিজকে চাওঁ, তেতিয়া মনত ভাৱ হয় আমাৰ ব্যাক্তিত্ব যেন খণ্ডিত। তেওঁ জ্যোতিপ্ৰসাদৰ দৰেই লুইতৰ ঘাটেদি পৃথিৱী চাবলৈ ওলাইছিল, কিন্তু সেইবুলি লুইতৰ ঘাটকো পাহৰি যোৱা নাছিল। অসমৰ বহু তৰুণ প্ৰতিকূল পৰিস্থিতি আৰু সংঘাতৰ মাজত আজি বিভ্ৰান্ত, হেমাঙ্গ বিশ্বাসৰ এই বিভ্ৰান্তি নাছিল। আমাৰ তৰুণ সকলৰ বাবে তেওঁ আলোকস্তম্ভ হ'ব পাৰে। তেওঁৰ অসম প্ৰীতি আছিল নিভাঁজ আৰু অকপট; অসমৰ গাৱঁত থকা সুপ্ত প্ৰতিভা তেওঁৰ স্নেহ-স্পৰ্শত সাৰ পাই উঠিছিল। তদুপৰি তেওঁ আছিল অসম আৰু বঙ্গৰ সাধাৰণ মানুহৰ মাজত সেতু স্বৰূপ। তেওঁৰ যৌৱনৰ শ্ৰেষ্ঠ দিনবোৰ কটাইছিল গুৱাহাটীতে। তেওঁ মাত্ৰ অসমীয়া সংগীতৰেই যে এজন পথ প্ৰদৰ্শক আছিল এনে নহয়। তেওঁ অসমীয়া ভাষাৰ এজন শ্ৰেষ্ঠ কবিও আছিল। "আবাহন'ত তেওঁ লিখা কবিতা "শালগছ" উল্লেখযোগ্য। তেওঁৰ

“কুলখুৰাৰ চোতাল’ নামৰ অসমীয়া কাব্য গ্ৰন্থখনে অসমীয়া সাহিত্যত ইতিমধ্যে এক চিৰস্থায়ী স্থান অধিকাৰ কৰিছে। তেওঁৰ চীণ ভ্ৰমণ বিষয়ৰ গ্ৰন্থকিখনো প্ৰথমতে অসমীয়া ভাষাতে লিখিছিল, পিছত সেইবোৰ বঙালী ভাষালৈ অনুবাদ কৰা হয়। অসমীয়া ভাষাত লিখা তেওঁৰ স্মৃতিচাৰণ মূলক প্ৰবন্ধবোৰ আৰু অসমীয়া সংস্কৃতিৰ ওপৰত লিখা তেওঁৰ অজস্ৰ ৰচনা ভৱিষ্যতৰ ঐতিহাসিক সকলৰ বাবে এক অমূল্য সম্পদৰূপে পৰিগণিত হৈ ৰব। হেমাঙ্গ বিশ্বাসে তেওঁৰ ‘অসম আৰু বঙ্গদেশৰ লোকসংস্কৃতি’ গ্ৰন্থত অসমীয়া লোকসঙ্গীত আৰু লোক সংস্কৃতিৰ ওপৰত যেনে ধৰণৰ মৌলিক আলোকপাত কৰিছে কোনো অসমীয়া পণ্ডিতে আজিলৈকে তেনেদৰে কৰিব পৰা নাই। জন্মসূত্ৰে হেমাঙ্গ বিশ্বাস আছিল বঙালী তেওঁৰ জীৱনৰ বেছি ভাগ সময় কটাইছিল কলিকতাতে। তথাপিও তেওঁৰ প্ৰথম প্ৰেম আছিল অসমীয়া মানুহৰ প্ৰতি। অসমৰ জীৱন ধাৰা; অসমৰ সভ্যতা সংস্কৃতিৰ প্ৰতি। অসম এৰি কলিকতালৈ যোৱাৰ সময়ত তেওঁ অন্তৰৰ মাজত বহন কৰি নিছিল অসমখনক নতুবা আৰু শুদ্ধভাৱে কবলৈ গলে অসমীয়াৰ প্ৰতি থকা তেওঁৰ অন্ত-হীন ভালপোৱাৰ স্মৃতিখিনি। কলিকতাৰ তেওঁৰ ঘৰটোৰ নাম আছিল ‘জিৰণি’ এটা অসমীয়া শব্দ যাৰ অৰ্থ হৈছে বিশ্ৰাম। শুনা-মতে তেওঁৰ ল’ৰা-ছোৱালীবোৰৰো নাম ৰাখিছিল নিভাজ অসমীয়া শব্দেৰে। ডাঙৰ ল’ৰাটোৰ নাম হৈছে ৰংমন এটা ‘টিপিক্যাল’ অসমীয়া নাম। অসমীয়া মানুহৰ প্ৰতি প্ৰেমত এনেদৰে আকণ্ঠ নিমজ্জিত হৈ থাকিলেও তেওঁ আছিল এক বিশ্ব নাগৰিক যিজনে মনে প্ৰাণে বিশ্বাস কৰিছিল—

“সব ঠাই মোৰ ঘৰ আছে
আমি সেই ঘৰ মৰি খুজিয়া
দেশে দেশে মোৰ দেশ আছে
আমি সেই দেশ লব খুজিয়া”

এই সকলোবোৰৰে ভেটি আছিল তেওঁৰ গভীৰ মানবতাবোধ।

হেমাঙ্গ বিশ্বাস মৃত্যুৰ শিল্পী নহয়, তেওঁ জীৱনৰ শিল্পী। জীৱনক লৈহে তেওঁৰ অস্বস্তি, মৃত্যুক লৈ নহয়। সেইবাবে সাধাৰণ মানুহৰ জীৱন আৰু মননৰ পূৰ্ণ বিকাশৰ অঙ্গীকাৰ লৈয়ে তেওঁ কাম কৰিছিল। ভৱিষ্যতৰ প্ৰশ্নটো তেওঁৰ বাবে বেছি জৰুৰী। জীৱনৰ প্ৰতি অবহেলা দেখি তেওঁ ক্ৰোধান্বিত হৈছিল; যি সকল এনে অবহেলাৰ ৰাজনীতিত ওজা, তেওঁ সেইসকলক ঘিণ কৰিছিল। জীৱন এষণাৰে মানুহক কিদৰে সংস্কৃতিবান কৰি তুলিব পাৰি তাৰ স্বপ্ন তেওঁ দেখিছিল। সেইবাবে তেওঁৰ ব্যক্তিত্ব আছিল উদাৰ আৰু অখণ্ড। বস্তুনিষ্ঠ আৰু বিজ্ঞান সন্মত দৃষ্টিকোণ এটাই তেওঁৰ আশাৰ প্ৰদীপ জ্বলাই ৰাখিছিল।

আজি জাতি, ধৰ্ম, ভাষা কণ্টকিত সংকীৰ্ণতাবোধৰ মাজত আমি বুৰ গৈ আছোঁ। কথা আৰু কামৰ মাজত ব্যৱধান ৰাখিছোঁ। আমি মুখা পিন্ধা ভাও দিছোঁ। এইবোৰ আমাৰ চিন্তাৰ দৈন্যৰ লক্ষণ। এই বাস্তৱ ঘটনাক যি সকলে কাল-বিৰোধী বুলি ভাবে, তেওঁ বিলাকে তাৰ পৰা উদ্ভৱ হোৱা সমস্যাক ফুতে উৰাই দিব নোৱাৰে। সেইবাবে আমাৰ মাজৰ পৰা এনে কৰ্মী ওলাব লাগিব, যি এই সংকীৰ্ণতাবোধৰ কবলৰ পৰা বা ক্ষুদ্ৰ আবেশৰ মাজৰ পৰা মানুহক উদ্ধাৰ কৰিবলৈ ওলাই আহিব পাৰে। হেমাঙ্গ বিশ্বাস আছিল এনে



মানবতাবাদী। আজিৰ মধ্যবিত্ত যিমান আত্ম-কেন্দ্ৰিক, যুবশক্তি যিমান বিভ্ৰান্ত আৰু নগদ ৰাজনীতিয়ে সাধাৰণ মানুহক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি। যিমান ভুলপথে পৰিচালিত কৰিছে, হেমাঙ্গ বিশ্বাসৰ সময়ত তেনে ধৰণৰ অসহনীয় ৰুদ্ধশ্বাস অৱস্থা এটাৰ সৃষ্টি হোৱা নাছিল। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব পৰা মানবীয় বলিষ্ঠতা তেতিয়াও জীয়াই আছিল। তেতিয়াৰ অসমত আজিৰদৰে ইমান জটিলতা নাছিল। সেই মুহূৰ্ত আছিল জাতীয় আৰু আন্তৰ্জ্জাতিক চেতনাৰ মিলন মুহূৰ্ত। যিসকলে এই মিলনৰ সুৰটো ধৰিব পাৰিছিল, তেওঁবিলাকৰ ভিতৰত জ্যোতি-প্ৰসাদো এজন। জ্যোতিপ্ৰসাদে হেমাঙ্গ বিশ্বা-সক যেনেকৈ উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰি-ছিল, হেমাঙ্গ বিশ্বাসেও জ্যোতিপ্ৰসাদৰ দ্বন্দ আৰু উত্তৰণৰ আকাংক্ষা প্ৰথমে অনুভৱ কৰি-ছিল আৰু সৰ্ব্বসন্মুখত দাঙি ধৰিছিল। ইতি-হাসৰ আধাৰত জ্যোতিপ্ৰসাদৰ ব্যক্তিত্ব আৰু সৃষ্টি সমূহ হেমাঙ্গ বিশ্বাসে চালি-জাৰি চাই-ছিল। এনে বিশ্লেষণৰ দাপোণত জ্যোতিপ্ৰসাদ অদ্বিতীয় শিল্পী হিচাপে জিলিকি উঠিছিল। অকল জ্যোতি প্ৰসাদেই নহয়, বিষ্ণুৰাভাৰ দৰে সৈনিক শিল্পীকো তেওঁ লগ পাইছিল। তেতি-য়াৰ অসমত তেওঁবিলাকৰ চিন্তা ভাবনাৰ গভীৰতা আৰু ব্যপকতা সম্বন্ধে শুদ্ধ বিশ্লেষণ হোৱা নাছিল। তত্ৰাচ ক’ব পাৰি, সমকালীন অসমৰ ঐক্য সংহতিত তেওঁ বিলাকৰ অৰিহনা আছিল যথেষ্ট। এতিয়া হয়তো শিক্ষাৰ প্ৰসাৰ হৈছে, শিক্ষিতৰো সংখ্যা বাঢ়িছে, কিন্তু গুণ-গত দিশটো বাঢ়িব পৰা নাই। সংস্কৃতিতকৈ অপসংস্কৃতিৰ ফালে আমাৰ মন বেছি ঢাল খাইছে—এই কথা চিন্তাৰ বিষয় হৈ পৰিছে। আমি আত্ম বিশ্লেষণৰ জৰিয়তে নিজৰ মানবীয় সত্তাক জীয়াই ৰাখিব নোৱাৰিলে দেশৰ ভবিষ্যত যে অন্ধকাৰ সেই কথা নকলেও হব। এই পৰিস্থিতিত হেমাঙ্গ বিশ্বাসৰ দৰে মানুহৰ জীৱন আৰু কৃতিয়ে আমাক বাট দেখুৱাব পাৰে।

বাস্তৱৰ ঘটনাৱলী সম্পৰ্কে সচেতন হৈ তাৰ আৱশ্যকীয় সংশোধনেৰে ৰূপান্তৰৰ সংস্কৃতি নিৰ্মাণ কৰাই যদি আমাৰ লক্ষ্য হয়, তেন্তে আমি হেমাঙ্গ বিশ্বাসৰ গণ দৃষ্টিকে লব লাগিব। অশুভ শক্তিক বাধা দিয়াৰ জোখাৰে বৌদ্ধিক জিজ্ঞাসা আহৰণৰ বাবে আমি সচেতন হব লাগিব। অন্যথাই সমস্যা সমস্যা হৈয়েই থাকিব। ভাগ্যলিপি অখণ্ডণ এই ধাৰণাই আমাক ডুবাই ৰাখিব। এনে ধাৰণাৰ বাবেই সাধাৰণ মানুহ আজি কবিতাৰ স্ৰষ্টা হৈও দুষ্ট চক্ৰৰ কৌশলত সৃষ্টিৰ আবৰ্জ্জনা স্বৰূপ হৈ পৰিছে। হেমাঙ্গ বিশ্বাসে এই আবৰ্জ্জনাৰ মাজত সফলতাৰে প্ৰতিভাৰ সন্ধান কৰিছিল।

হেমাঙ্গ বিশ্বাসৰ লোকসঙ্গীত বা লোক-গানৰ প্ৰতি আগ্ৰহ; সেই সম্পৰ্কে তেওঁৰ জ্ঞান, তাৰ ভিত্তিত গণ-সংস্কৃতি নিৰ্ম্মাণৰ প্ৰচেষ্টা আমাৰ অনুকৰণীয়। তেওঁ জ্যোতিপ্ৰসাদৰ দৰেই বিশ্বাস কৰিছিল—‘যি যিমান উচ্চ সংস্কৃতি, সি সিমান বহলাই জনতাক সামৰিব লাগিব।’ জনপ্ৰিয়তা সেই সংস্কৃতিৰ ভিত্তি নহয়—আচলতে জনতাৰ জীৱন মননৰ বিকাশৰ বাবে বা তাৰ অনুপ্ৰেৰণা যোগাবৰ বাবে যি সংস্কৃতি নিৰ্মাণ কৰা হয়, সিয়েই প্ৰকৃত গণ-সংস্কৃতি বা জন-সংস্কৃতি। হেমাঙ্গ বিশ্বাসেই এনে এক গণ-সংস্কৃতি ৰচনাৰ বাবেই যত্ন কৰিছিল। ভাৰতীয় গণনাট্য সংঘৰো উদ্দেশ্য সেয়ে। এজন

বুল গেৰিয়াৰ কবিয়ে কৈছিল: 'I cannot do without People' হেমাঙ্গ বিশ্বাসৰো সৃষ্টিৰ ভেটি আছিল সেইটোৱেই। কিন্তু তেওঁ তেওঁৰ কাম সম্পূৰ্ণ কৰি যাব পৰা নাই। আমাৰ মাজৰ যি সকলে তেওঁৰ কাম হাতত লব বা লৈছে, তেওঁবিলাকে ৰোমা ৰ'লাৰ দৰে "মই নিজিৰাও" বুলি সংকল্প লব লাগিব। হেমাঙ্গ বিশ্বাসৰ জিৰণি বিহীন কৰ্ম সূচীয়ে আমাক তাকেই সকীয়াই দিয়ে। তেওঁ তেওঁৰ বহু মূল্যবান কথা আৰু কৰ্ম্মৰ লগতে 'I will not rest,' 'মই নিজিৰাও'—এই কথাষাৰো আমালৈ থৈ গৈছে। হেমাঙ্গই জীৱন আৰু সংস্কৃতিৰ সমন্বয় সাধনত গুৰুত্ব দিছিল। ধনৰ অৰ্থনীতিৰ যাঁতুত আমি উন্মাদ হৈ সেই সমন্বয়ৰ সাধনা পাহৰি পেলাইছোঁ। সকলো সংস্কৃতিবান মানুহেই আনৰ কথা ভাবিব লাগিব। সংস্কৃতিবান হোৱাৰ অৰ্থও সেইটোৱেই। কিন্তু দুখৰ বিষয় আজি আমি আত্মকেন্দ্ৰিক হৈ পৰিছোঁ। এই ভুল আঁতৰাবলৈ যদি আমি যত্ন নকৰোঁ, তেন্তে মানবীয় দিগন্ত হেৰাই যোৱাৰ আশংকাই বেছি।

হেমাঙ্গ বিশ্বাস এতিয়া নাই। অসম, বঙ্গ, তথা ভাৰতৰ প্ৰগতিবাদী জনসাধাৰণৰ মাজৰ পৰা এজন প্ৰতিভাবান আৰু লোক সংগীতৰ দৰদী শিল্পী অন্তৰ্দ্ধান হ'ল। কিন্তু তেওঁৰ দৰে এজন নিষ্ঠাবান সাংস্কৃতিক কৰ্মীৰ জীৱন প্ৰতিভা এতিয়া আমাৰ ইতিহাসৰ ভিতৰুৱা হৈ পৰিছে। এই ইতিহাস আমাৰ বাবে বোজা নহয়; ই আমাৰ বাবে জোৰ বস্তি, প্ৰগতিৰ সহায়ক। এই কথা মনত ৰাখি তেওঁ থৈ যোৱা কীৰ্তি সমূহ সংৰক্ষণ কৰি তাক আত্মসাৎ কৰিবলৈ আমি যত্ন কৰিব লাগিব। তেওঁৰ কুলখুৰাৰ চোতালৰ স্বপ্ন আজিও স্বপ্ন হৈ ৰ'ল সচা, কিন্তু সেই স্বপ্ন আমাৰ স্মৃতিৰ সঞ্চয় হোৱাটো আশা কৰিব পাৰি। তেওঁ যি ৰূপান্তৰৰ বাবে জীৱন উছৰ্গা কৰিছিল. সেই ৰূপান্তৰলৈ এতিয়াও দিগ্ ছো বাট। অথচ তাৰ বাবেই তেওঁ দুখৰ কাইটনিত ভৰি দিছিল, তেৰো হয়তো শ্বেলীৰ দৰেই ভাবিছিল: I fall upon the tharns of life, I fleed.

জীৱনৰ এই কাঁইটীয়া বনত নক্ষত্ৰলোকৰ পোহৰ পেলোৱাৰ স্বপ্ন দেখা বাবেই হেমাঙ্গ বিশ্বাস আজি কিম্বদন্তি হ'ল। এই কিম্বদন্তিক আমি জীয়াই ৰাখিব পাৰিলেহে এই জনা পুৰুষৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

---

বিঃদ্ৰঃ—বিশ্বাসদেৱৰ বিষয়ে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলক জনোৱাৰ অদম্য ইচ্ছা হেতু "নতুন সঁৰলু'ৰ বিভিন্ন জন শ্ৰদ্ধেয় লেখকৰ লিখনি সামৰা হৈছে, ত্ৰুটি মাৰ্জনীয়।



# পৰিবেশ প্ৰদূষণ— বায়ু আৰু পানীত ইয়াৰ প্ৰভাৱ।

শ্ৰীগীতিমণি ডেকা।
প্ৰবক্তা, ৰসায়ন বিভাগ
ৰঙিয়া মহাবিদ্যালয়।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নতুন নতুন উদ্ভাৱন বোৰে মানুহৰ সভ্যতা বিকাশত পৰিবৰ্ত্তন ঘটাইছে। পৃথিৱীত দ্ৰুতভাৱে বাঢ়ি অহা জনসংখ্যাই প্ৰাকৃতিক পৰিবেশ আৰু সম্পদ ৰাজিৰ ওপৰত যথেষ্ঠ প্ৰভাৱ পেলাইছে।

পৰিবেশ প্ৰদূষণৰ ফলত জলবায়ুৰ অভাৱনীয় পৰিবৰ্ত্তন ঘটিব লাগিছে। পৃথিৱীৰ কোনো কোনো অঞ্চল অত্যন্ত খৰাং বতৰৰ সন্মুখীন হৈছে—যেনে উত্তৰ আফ্ৰিকা আৰু ৰাছিয়াৰ মধ্যাঞ্চল। আনহাতে কোনো কোনো অঞ্চল অভাৱনীয় শীত নাইবা বা-মাৰলী, ঘূৰ্ণীবতাহৰ (বাংলাদেশ, চীণ, জাপান) কবলত পৰিছে।

পৃথিৱীৰ বায়ুমণ্ডল প্ৰতিবছৰে প্ৰায় ১০০ কৌটি টন আবৰ্জ্জনাই দূষিত কৰিছে। কল-কাৰখানা, যান-বাহন, শিল্প-উদ্যোগত ব্যৱহৃত কয়লা, ডিজেল আদি পোৰাৰ ফলত বায়ুমণ্ডল কাৰ্ব্বন-ডাই-অক্সাইড, কাৰ্ব্বন-ম'ন-অক্সাইড, চালফাৰ-ডাই-অক্সাইড, মিথেন, নাইট্ৰাচ অক্সাইড গেছবোৰে দূষিত হৈ উঠিছে। বায়ুমণ্ডলত কাৰ্ব্বন-ডাই-অক্সাইডৰ ($Co_2$) পৰিমান বাঢ়িলে পৃথিৱী পৃষ্ঠৰ উষ্ণতা বাঢ়িব কাৰণ জলীয় ভাপৰ দৰেও $Co_2$ গেছেও পৃথিৱীয়ে বিকিৰণৰ দ্বাৰা এৰি দিয়া তাপৰ এক বুজন অংশ ধৰি ৰাখিব পাৰে। এক সমীক্ষাৰ পৰা দেখা গৈছে যে যোৱা এশ বছৰত পৃথিবীৰ তাপমাত্ৰা $3°c$ মান বৃদ্ধি হৈছে। বায়ুদূষিত কৰণ ৰোধ কৰাৰ কাৰণে অধিক পৰিমাণে গছ-গছনি ৰোৱা দৰকাৰ। ১ হেক্টৰ সেউজ বনভূমিয়ে ১ ঘণ্টাত ৩৪-৩৬ কিঃ গ্ৰাঃ অক্সিজেন গেছ এৰি দি ৫০ কিঃ গ্ৰাঃ কাৰ্ব্বন-ডাই-অক্সাইড ব্যৱহাৰ কৰে। তেনেক্ষেত্ৰত বনাঞ্চল ধ্বংশই পাৰিপ্যাশ্বিৰ্কতা ৰক্ষা কৰাত কেতিয়াও সহায় নকৰিব। পৃথিৱীত প্ৰতিদিনে ৩১৮০০ হেক্টৰ বনাঞ্চল ধ্বংশ হৈছে। ঘৰ-সজা, আচবাব পত্ৰ তৈয়াৰ কৰাৰ কাৰণে গছ-কটা হয়। অকল খৰিৰ বাবেই ভাৰতবৰ্ষত প্ৰতিবছৰে ১৮৪ নিযুত কিউবিক মিটাৰ গছ কটা হয়। অধিক পৰিমানে গছকটাৰ ফলত মাটিৰ পানী শোষণ ক্ষমতা কমি যায় তাৰ ফলত বানপানী, খৰনীয়া আদি হয়।

বিশ্বৰ ৪০% মহানগৰতেই বায়ু প্ৰদূষণে চৰমসীমা অতিক্ৰম কৰিছে। ভাৰতবৰ্ষৰ কলিকতা, বোম্বে, কানপুৰ, আহমদাবাদ চহৰো ইয়াৰ ভিতৰত আছে। কল-কাৰখানা, যান-বাহনৰ পৰা ওলোৱা ধোঁৱাই কৃটিম কুঁৱলিৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত মহানগৰ বোৰৰ বাসিন্দা সকল সংকাইটিছ, এজমা, মুৰৰ বিষ, হাফঁফাওৰ কেন্সাৰ, আদিৰ কবলত পৰিছে। কয়লাৰ দহনৰ পৰা নিৰ্গত চালফাৰ-ডাই

অক্সাইড ($SO_2$). নাইট্ৰাছ অক্সাইড গেছে বায়ু-মণ্ডলৰ লগত বিক্ৰিয়া কৰি চালফিউৰিক এছিড আৰু নাইট্ৰিক এছিডৰ সৃষ্টি কৰে আৰু বৰষুণৰ লগত পৃথিৱীলৈ নামি আহে। এই "এছিড বৰষুণে" মাটি অনুৰ্ব্বৰ কৰে।

শিল্প উদ্যোগ, কল-কাৰখানা, তেলশোধ-নাগাৰ আদিৰ বৰ্জিত পদাৰ্থ প্ৰায়ে নৈ, বিল, খালত পৰা দেখা যায়। দুষিত পানীত ফিনল, হাইড্ৰকাৰ্বন, আৰ্চেনিক, কেডমিয়াম, চালফাৰ আদি বিষাক্ত পদাৰ্থ থাকে। এই দুষিত পানী খোৱাৰ ফলত মানুহ বেমাৰত আক্ৰান্ত হৈছে, জলজ উদ্ভিদ আৰু মাছ-কাছৰ মৃত্যু হৈছে। ১৯৭৪ চনত লক্ষ্ণৌ চহৰৰ গোমতী নৈত পানী বিষাক্ত হৈ বহুত মাছ মৰিছিল। মেঘালয়ৰ উমিয়াম, মনিপুৰৰ লোকটক হ্ৰদ, শ্ৰীনগৰৰ ডাল আৰু নাগিন হ্ৰদৰ পানী প্ৰদূষণৰ কবলত পৰিছে। অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ নদীত ক্ৰমান্বয়ে ১২ লাখ লিটাৰ আৰু ১১৪০ লাখ লিটাৰ উদ্যোগ বৰ্জিত পানী প্ৰতিদিনে পৰে। ইয়াৰ ফলত ৫০-৭০% পানী দূষিত হয়। ২৫২৫ কিঃমিঃ দৈৰ্ঘ্যৰ গংগা নৈৰ ½ অংশই, ইয়াৰ পাৰৰ মানুহ, জীৱ-জন্তু, শিল্পউদ্যোগ (প্ৰায় ১৩২ টা), কলকাৰখানাৰ আবৰ্জ্জনাৰে প্ৰদূষিত হৈছে। ইয়াৰ উপৰিও, খেতি পথাৰত ব্যৱহাৰ কৰা বিভিন্ন কীটনাশক দ্ৰব্য বোৰেও পৰিবেশ দূষিত কৰি মানুহ আৰু জীৱজন্তুৰ ওপৰত প্ৰভাৱ পেলাইছে। এই ব্যৱহৃত দৰব-বোৰৰ কিছু অংশ বায়ুত মিহলি হয় আৰু মাটিত পৰা অংশবোৰ বৰষুণে ধুই পুখুৰী, নৈ, বিলত পেলায়। এক সমীক্ষাৰ পৰা দেখা গৈছে, খেতিত প্ৰয়োগ কৰা ডি, ডি, টিয়ে এন্দুৰৰ জিনৰ পৰিবৰ্তন ঘটাইছে, লিভাৰৰ কেন্সাৰ হৈছে। তেনে শস্য খোৱা চৰাইৰ কণীত কেলচিয়ামৰ পৰিমান কমি গৈছে। দুষিত পানী খোৱাৰ ফলত নানান ৰোগে দেখা দিছে। নগালেণ্ডৰ তুলি কাগজ কলৰ পেলনীয়া পদাৰ্থৰে জাঁজী নৈ সম্পূৰ্ণ দূষিত হৈছে। ফলত তাৰ পানী খাই মানুহ বেমাৰত আক্ৰান্ত হৈছে। কেতিয়াবা দেখা যায় পানী শোধন কৰিবৰ কাৰণে ব্যৱহাৰ হোৱা ক্ল'ৰিণ আৰু অ'জনে বীজাণু সম্পূৰ্ণ ধ্বংশ কৰিব নোৱাৰে।

পৰিবেশৰ এই ভয়াবহ সংকটৰ কাৰণে বিশ্বজোৰা সচেতনতা গঢ়ি উঠা উচিত। 'ৰাষ্ট্ৰ-সংঘ' আৰু 'বিশ্ব স্বাস্থ্য সংস্থা'ই ইয়াৰ বাবে আচনি যুগুত কৰিছে। ভাৰতবৰ্ষতো ১৯৭৪ চনত "পানীৰ প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ বিধি" প্ৰস্তুত কৰা হয়। আমাৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিতো "পৰিবেশ শিক্ষাৰ" পাঠ্যক্ৰম প্ৰাথমিক স্তৰতেই অন্তৰ্ভুক্ত কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকল অন্যান্য জ্ঞান-বিজ্ঞানৰ লগতে পৰিৱেশ সম্পৰ্কে অধ্যয়ণ কৰি উপকৃত হ'ব। অসমত জলপ্ৰদূষণ ৰোধ কৰাৰ কাৰণে তেজপুৰত প্ৰতিৰক্ষা গবেষণাগাৰত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন, পৰিবেশ বিজ্ঞান আৰু পদাৰ্থ-বিজ্ঞান বিভাগত গবেষণা আৰম্ভ হৈছে।

ইয়াৰ উপৰিও গাওঁ-চহৰৰ বাসিন্দা সকলৰ মাজত "পৰিবেশ সচেতনতা" ভাৰ জগাই তুলিব লাগিব। প্ৰদূষণ ৰোধৰ কাৰণে পেট্ৰোলিয়াম যাত ইন্ধনৰ ব্যৱহাৰ কম হ'ব লাগিব। সম্ভৱ-পৰ স্থানত সৌৰ শক্তি, বতাহ শক্তি, সাগৰৰ ঢৌৰ শক্তি কামত লগাব পাৰি। কল-কাৰ-খানা সমূহ জনবসতিপূৰ্ণ এলেকাত পতাৰ বিৰো-



ধিতা কৰা উচিত। শিল্পউদ্যোগ, তেল শোধনাগাৰৰ আবৰ্জ্জনাবোৰ পুৰি নাইবা পুতি পেলাব লাগে। তাৰোপৰি কিছুমান পদাৰ্থক ৰাসায়নিক প্ৰকাৰে কম দূষিত পদাৰ্থলৈ ৰূপান্তৰিত কৰিব পাৰি। ইয়াৰ বাবে উদ্যোগ সমূহে আৱশ্যকীয় যন্ত্ৰপাতি ব্যৱহাৰ কৰি ৰাসায়নিক পদাৰ্থই অনিষ্ট কৰিব নোৱাৰা পদাৰ্থলৈ ৰূপান্তৰিত কৰিব পাৰে। পৰিবেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দি ভাৰত চৰকাৰে কেইবাখনো আইন প্ৰণয়ন কৰিছে। ইয়াৰ ভিতৰত বায়ু প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন, ১৯৮১; বন সংৰক্ষণ আইন ১৯৮০, পৰিবেশ সুৰক্ষা আইন ১৯৮৬ উল্লেখযোগ্য।

বিশ্বব্ৰহ্মাণ্ডৰ "জীৱৰ বাসস্থান" পৃথিৱীৰ পাৰিপাৰ্শ্বিকতাৰ সমস্যা দিনে দিনে বাঢ়িছে। মানুহে পৰিবেশ পৰিচালনা কৰিব নোৱাৰে। কিন্তু যিকোনো উপায়ে আমি "প্ৰকৃতিক" ৰক্ষা কৰিব লাগিব। তেতিয়াহে পাৰিপাৰ্শ্বিকতা ৰক্ষা পৰিব আৰু ভৱিষ্যতৰ বংশধৰ সকলৰ কাৰণে পৃথিৱী বাসযোগ্য হ'ব।



প্ৰবন্ধ

# আধুনিক অসমীয়া কবিতাৰ বিষয়ে দুষাৰ—

শ্ৰীচম্পাৰতী কলিতা
স্নাতক ১ম বাৰ্ষিক
কলা শাখা

আধুনিক অসমীয়া কবিতাৰ ধাৰাৰ প্ৰতি যদি আমি এবাৰ নিৰীক্ষণ কৰো তেতিয়া-হলে ইয়াত প্ৰধানতঃ দুটা ধাৰা দেখিবলৈ পাও। এটা যুদ্ধ-পূৰ্ব ৰোমাণ্টিক আৰু অতীন্দ্ৰিয় বাদী। এই ধাৰাটিক প্ৰৱাহিত কৰিছে স্বদেশ প্ৰীতি মূলক কবিতাই। নলিনীবালা দেৱী, অম্বিকাগিৰি ৰায় চৌধুৰী, নীলমণি ফুকন আদি পুৰণি চাম কবিৰ ৰচনাত এনে ধাৰা বিৰাজমান। অৱশ্যে শেষৰফালে ৰঘুনাথ চৌধাৰী যতীন্দ্ৰ নাথ দুৱৰা আদি প্ৰথিত যশা কবিৰ সুৰ স্তিমিত হৈ বৈ আহিছিল। যুদ্ধোত্তৰ কবিতাৰ দ্বিতীয় ধাৰাটো প্ৰৱৰ্তন কৰিছে শিক্ষিত প্ৰগতিবাদী যুৱক সকলে। এই ধাৰাটোক বৰ্তমান যুগৰ কাব্য-প্ৰৱাহৰ বাম মাৰ্গীয় সুঁতি বুলিও অভিহিত কৰিব পাৰি। বিজ্ঞানৰ প্ৰগতিয়ে পৃথিৱীৰ বুকুলৈ যি ৰূপান্তৰ আনিলে সাহিত্য সংস্কৃতিৰ মাজত তাৰ প্ৰভাৱ সুস্পষ্ট হৈ উঠিল। বিজ্ঞানে মানুহৰ চকুৰ আগত জ্ঞানৰ নতুন জগত উদ্ভাৱিত কৰি তুলিলে। বিজ্ঞানৰ নতুন নতুন সূত্ৰই মানুহৰ মন, মানৱ সভ্যতাৰ ক্ৰমবিকাশাদিৰ নতুন ব্যাখ্যা দাঙি ধৰিলে। এহাতে বিজ্ঞানৰ বিধ্বংসীৰূপ আৰু আনহাতে নতুন জগত আৰু জ্ঞানৰ তথ্যই আধুনিক কবিতা সমূহক এফালে মানুহৰ নৈতিক অধঃ পতনৰ প্ৰতি সন্ত্ৰাস গ্ৰস্ত আৰু আনফালে বুদ্ধিদীপ্ত কৰি তুলিলে। সেয়ে Mr. Roy Cambell এ আধুনিক কবিতাক অভিহিত কৰিছে—"An epidemic of intellectual and emotional diarrhoe" বুলি। যান্ত্ৰিক সভ্যতাৰ ক্ৰমবিকাশো কাব্যৰ মাজত ধ্বনিত হৈ উঠিল।

আধুনিক কবিতা বুদ্ধিদীপ্ত। পুৰণি কবিতাৰ দৰে সহজ-সৰল, পোনপতীয়া ভাৱ প্ৰকাশৰ পৰিবৰ্তে বুদ্ধিক খটুৱাই কলা-কৌশলতাৰে সমৃদ্ধ কবি প্ৰকাশৰ চেষ্টা আধুনিক কবিতাত কৰা হয়। এই বৌদ্ধিকতাক অনুশীলন কৰাৰ বাবেই হয়তো এনে কবিতাই কেতিয়াবা সৰ্ব্ব সাধাৰণ পাঠকৰ বাবে দুৰ্ব্বোধ্য যেন হৈ পৰে। উপমা, ৰূপক, চিত্ৰকল্প, প্ৰতীক আদি প্ৰয়োজনীয় আভৰণেৰে আধুনিক কবিতা ভাৰাক্ৰান্ত। এইবোৰৰ অন্তৰ্নিহিত অৰ্থ বুজিবলৈ বহু সময়ত প্ৰাচীন গ্ৰন্থ বা ফ্ৰয়দৰ সপোনাদিৰ ব্যাখ্যাৰ লগত পাঠকৰ পৰিচয়ৰ প্ৰয়োজন আহি পৰে। তাৰোপৰি ব্যঞ্জনায়ো আধুনিক কবিতাৰ মুখ্য স্থান অধিকাৰ কৰিছে। আচলতে কবিতাৰ চিৰকলীয়া ধাৰাটোক এক নতুন প্ৰৱাহেৰে প্ৰৱাহিত কৰিলে আধুনিক কবিতাই। সেয়েহে ই হ'ল বিদ্ৰোহৰ কবিতা। সমালোচকৰ ভাষাত—"Modern poetry is the poetry of revolt" জীৱনৰ নতুন অভিজ্ঞতা, নতুন আঙ্গিক আদিৰ মাজেৰে আধুনিক কবিতা প্ৰকাশি উঠিল। তাত পুৰণি উপমান আৰু কবি প্ৰসিদ্ধিবোৰৰ প্ৰয়োগ কৰি নতুন উপমাৰ প্ৰতীক আদিৰ প্ৰয়োগে আঙ্গিকৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিলে। ইংৰাজীৰ মাধ্যমত ফ্ৰান্সৰ প্ৰতীকবাদী আন্দোলনেও অসমীয়া কবি সকলক বিশেষভাবে আকৰ্ষিত কৰিলে। প্ৰাচীন প্ৰতীক বোৰৰ আলমতে নতুন প্ৰতীক সমূহেও কাব্যক সজায় পৰায় নতুন ৰূপ দিলে। সম সাময়িক জীৱনৰ পৰাও সমল বুটলি আনি কবি সকলে কাব্যত ব্যৱহাৰ কৰিলে। ছন্দৰ ক্ষেত্ৰতো কবি সকলে মুক্তক ছন্দ আৰু স্পন্দিত ছন্দ ব্যৱহাৰ কৰি কবিতাক অভিনৱ ৰূপ দিলে। নতুন নতুন ভাৱধাৰা আৰু আঙ্গিকৰ প্ৰসাৰেৰে অসমীয়া কবিতায়ো বিশ্বৰ অন্য আধুনিক কবিতাবোৰৰ লগত তাল মিলাই খোজ পেলোৱাৰ অনুশীলন আৰম্ভ কৰিলে। অৱশ্যে অসমীয়া আধুনিক কবিতাৰ ইতিহাস আৰম্ভ হয় পঞ্চম দশকৰ মাজ ভাগৰ পৰা। "জয়ন্তী" আলোচনীয়ে এই চাম কবি সৃষ্টিত বিশেষ অৰিহণা আগবঢ়ালে। তাৰ পিছত "পছোৱা," 'ৰামধেনু'ৰ ক্ৰমে দুৰ্ব্বাৰ বতাহ আৰু উজ্জল ৰঙে অসমীয়া কাব্যৰ সুঁতিটোক খৰস্ৰোতা কৰি তুলিলে। অমূল্য বৰুৱা এই যুগৰ কবি সকলৰ ভিতৰত "মধ্যমণি" স্বৰূপ ৰোমাণ্টিক ভাৱৰ উচ্ছাস আৰু শিথিল প্ৰকাশ ভঙ্গী ত্যাগ কৰি বাস্তৱবাদৰ প্ৰতি এওঁলোক আগ্ৰহান্বিত হৈ পৰে। যুগৰ বাস্তৱ চিত্ৰ এই কবি সকলে কবিতাত প্ৰকাশ কৰিবলৈ সাহসী হৈ উঠিল। কবি ভবেন্দ্ৰ নাথ শইকীয়াই অমূল্য বৰুৱাৰ কাব্যৰ প্ৰসঙ্গত কৈছিল—"আধুনিক অসমীয়া কবি একমাত্ৰ অমূল্য বৰুৱাৰ এই নিৰ্ভীকতা, সত্যনিষ্ঠা আৰু আত্ম বিশ্বাস আছিল।" কবি বৰুৱাই সাহসী কণ্ঠেৰে প্ৰকৃত সত্যক উন্মুক্ত কৰিয়ে এৰা নাই তেওঁ কবিতাৰ মাজেৰে নিজৰ আশাবাদী দৃষ্টিভঙ্গীও প্ৰকাশ কৰিছে কবিতাৰ মাজত। প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধি কবিয়ে গাইছে—


"শক্তিৰ কঁপনি উঠে
অসুৰৰ আঁহে আঁহে
বিদ্ৰোহ অগনি জ্বলে চকুৰ শিখাত
বিদগ্ধ বিধস্ত স্তূপত মোৰ
নতুন সৃষ্টিৰ
প্ৰতিজ্ঞাৰ অটল বিশ্বাস কঁপি
ভাবৰ বুকুত
মুহূৰ্তৰ ভিতৰতে গুৰি
লক্ষ লক্ষ শতাব্দীৰ
সভ্যতাৰ বিলাস বিভৱ।"

আধুনিক কবিতাৰ প্ৰকাশ ভঙ্গীত আধুনিক যুগৰ ব্যক্তিগত প্ৰতিভাৰ সাঁচ জিলিকি আছে। এই যুগৰ জগতৰ যিসকল কবিয়ে সমাজবাদ নাইবা আন ৰাজনৈতিক মতবাদৰ

লিখে, সেইসকলে পোনতে শিল্প কলাৰ সৃষ্টি কৰে, অৱশেষত ৰাজনৈতিক মতবাদৰ। আধুনিক অসমীয়া কবিতা, সাহিত্য কোনো ব্যক্তিৰ নহয়, ই সমষ্টিৰ। এই সাহিত্য গণ সাহিত্য সেয়ে আজিৰ কবিতাই গণ হৃদয়ৰ স্পৰ্শতা অনুভৱ কৰে আৰু যি যি বিষয়ত গণ হৃদয়ৰ সম্পৰ্ক আছে তাক লৈয়ে কাব্য ৰচে। আজিৰ কাব্যই ৰাজনীতি, অৰ্থনীতি, প্ৰকৃতি, ধৰ্ম্ম আধ্যাত্মিকতা, বিজ্ঞান, জীৱনৰ অহ্লাদ আদি কোনোটো দিশকে বাদ যাব দিয়া নাই। কিয়নো সুস্থ সমাজ গঠন, নৈতিকতা প্ৰতিষ্ঠা শান্তি অটুত ৰখা আদি কাব্যত এনে কাব্যই প্ৰত্যেক্ষ সহায় কৰে। আধুনিক কবিতাৰ ক্ষেত্ৰত অকল অসমৰ কথাকে নকৈ আমি যদি ইংলণ্ডৰ কবি সাহিত্যিকলৈ ভুমুকি মাৰো; তেন্তে এজৰা পাউণ্ড ইলিয়ট ছিটৱেলছ আদিৰ প্ৰভাৱে স্বতন্ত্ৰ ধৰণে ইংৰাজী কাব্য সাহিত্যক সাঁচ দিছে। আমাৰ অসমতো হেম বৰুৱাৰ কবিতা নতুন আশাৰে উদ্দীপ্ত—

> "নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই
> আমাৰ চকুত তীখাৰ শান!"

মুঠতে আমি সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰিলে অসমীয়া কবিতাই তাহানিৰ পুৰণিকলীয়া সাজৰ লগতে নতুনৰ সুন্দৰ অলংকাৰো পিন্ধি লৈ এক নৱ ধাৰাৰ প্ৰৱাহ বোৱাই দিয়া দেখা পাওঁ। এনে প্ৰৱাহ চিৰ প্ৰৱাহৰ সূত্ৰ মাথো।





# ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অধ্যয়ণৰ অভ্যাস গঢ়ি তোলাত গ্ৰন্থাগাৰৰ ভূমিকা

শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্ম্মা
গ্ৰন্থাগাৰিক
ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঢ়াৰ অভ্যাস বঢ়াবলৈ গ্ৰন্থাগাৰ বিলাকে বিভিন্ন ধৰণে সহায় কৰিব পাৰে। প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰলৈ ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়ুৱৈ সমাজখন বিভিন্ন স্তৰৰ বয়সৰে গঠিত। এই সকলোবোৰ পঢ়ুৱৈকে গ্ৰন্থাগাৰবোৰে পঢ়া অভ্যাস বঢ়াই নিয়াত অথবা জ্ঞান আহৰণ কৰাৰ প্ৰতি আগ্ৰহ বঢ়োৱাত বিভিন্ন উপায়ে সহায় কৰিব পাৰে।

দেশখনৰ বা সমাজখনৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত পঢ়ুৱৈ সকলৰ জ্ঞান আহৰণৰ প্ৰতি আগ্ৰহ বা জ্ঞান লিপ্সা নিৰ্ভৰ কৰে। অস্থিৰ ৰাজনৈতিক অৱস্থা, জৰাজীৰ্ণ অৰ্থনৈতিক অৱস্থা, বিভেদকামী সমাজ ব্যৱস্থা আদিয়ে পঢ়ুৱৈ সকলৰ আগ্ৰহ বঢ়াব নোৱাৰে। সন্ত্ৰাসবাদীৰ হাতত দেশৰ ৰাজনীতি অথবা অন্ন বস্ত্ৰক লৈ জৰ্জ্জৰিত সমাজ ব্যৱস্থাত পঢ়ুৱৈৰ সংখ্যা বঢ়োৱাতো বৰ কঠিন কাম।

বাতৰি কাকত, আলোচনী আদি পঢ়াৰ এটা অভ্যাস গঢ়ি তুলিব পাৰিলে ছাত্ৰ-ছাত্ৰী সকলে এটা সময়ত গল্প, উপন্যাস কবিতা আদিৰ কিতাপ পঢ়া কৰিব আৰু এটা সময়ত গভীৰ তত্ত্ব গধুৰ কিতাপ আদিও পঢ়াৰ চেষ্টা কৰিব। এতিয়া আমি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অভ্যাস কেনেকৈ গঠন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰোঁ।

অভ্যাস কি?

অভ্যাসৰ দ্বাৰা মানুহ পৰিচালিত হয় আৰু ইয়াৰ দ্বাৰা অসাধ্য কামকো সাধন কৰিব পাৰি। শিক্ষাৰ ফালৰ পৰা শিক্ষাৰ্থীৰ দেহ-মনত কেতবোৰ সজ অভ্যাস গঠন কৰি তুলিবলৈ চেষ্টা কৰা হয়। ইয়াৰ দ্বাৰা তেওঁ-লোকে ডাঙৰ আৰু কঠিণ কামবোৰ যোগ্যতাৰে কৰিবলৈ সমৰ্থ হব পাৰে। শিক্ষাৰ অভিপ্ৰায়ো হৈছে জীৱনৰ প্ৰস্তুতিত সহায় কৰা। অভ্যাসৰ ফলত ব্যক্তিৰ সহজাত প্ৰতিভা অজ্ঞাতে বিনষ্ট হব পাৰে, প্ৰকৃত পক্ষে কবলৈ গলে অভ্যাসৰ যোগেদিহে আমাৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ আশানুৰূপ বিকাশ সম্ভৱ হৈ উঠিব পাৰে।

অভ্যাসক দ্বিতীয় প্ৰকৃতি বুলি কোৱা হয়। ইয়াৰ সহজ অৰ্থ এয়ে যে, অভ্যাসৰ দ্বাৰা কৰা ক্ৰিয়া আমাৰ বাবে সহজ, সৰল আৰু স্বাভাৱিক অৱস্থা প্ৰাপ্ত হয়। ফলত ই ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰকৃতিত পৰিণত হয়। মুঠতে কব পাৰি যে অভ্যাসৰ দ্বাৰা কৰা ক্ৰিয়া অৱশেষত স্বয়ংচালিত ক্ৰিয়াত পৰিণত হয়।

**অভ্যাস গঠনত শিক্ষাৰ ভূমিকা :—**

ছাত্ৰই শিক্ষা আহৰণ কৰা মানেই কেতবোৰ অভ্যাস গঠন কৰি তোলা। ছাত্ৰ অৱস্থাই অভ্যাস গঠনৰ উপযুক্ত সময়। শিক্ষাৰ দ্বাৰাই কোমল মতীয়া ল'ৰা-ছোৱালীৰ দেহ মনত কেতবোৰ অভ্যাস গঠন কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। জীৱনৰ সুখ-দুখ, উন্নতি আদি ছাত্ৰ অৱস্থাত আৰ্জিত অভ্যাস বোৰৰ ওপৰতেই যাইকৈ নিৰ্ভৰ কৰে।

**ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন স্তৰত গ্ৰন্থ অধ্যায়ণৰ বাবে বিভিন্ন পদ্ধতি:—**

প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলে নিজৰ পাঠ্য পুথিৰ বাহিৰেও অন্য গ্ৰন্থ অধ্যায়ণ কৰিব বুলি বেচি আশা কৰিব নোৱাৰি. কিন্তু জ্ঞান আহৰণৰ বাবে আগ্ৰহ জগাই তুলিব পৰা যায়। বিভিন্ন পুতলা নানা ধৰণৰ ছবি থকা কিতাপ আদিৰ পৰা নানান জ্ঞান দিব পৰা যায়। প্ৰাথমিক পৰ্য্যায়ৰ স্কুলৰ গ্ৰন্থাগাৰত শিশু সকলক জ্ঞান দিব পৰাকৈ নানান ছবি থকা কিতাপ থকাই শ্ৰেয়।

**মাধ্যমিক আৰু উচ্চমাধ্যমিক স্তৰত:—**

এই স্তৰৰ বিদ্যালয় বোৰত গ্ৰন্থাগাৰত পঢ়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ একোটা নিৰ্দ্দিষ্ট সময় দিব লাগিব। একোজন নিৰ্দ্দিষ্ট শিক্ষক সম্ভৱ হলে গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ক শিক্ষা আহৰণ কৰা শিক্ষক বিদ্যালয় বোৰত নিযুক্ত হব লাগে। এই শিক্ষক জনে ছাত্ৰ সকলৰ শ্ৰেণী অনুযায়ে পাঠ্য পুথিৰ্ যোগান ধৰিব। আৱশ্যক অনুযায়ে গ্ৰন্থ অধ্যয়ণ কৰিবলৈ শিকাব। ছাত্ৰ-ছাত্ৰী সকলক অভিধান, বাতৰি কাকত, আলোচনী আদি পঢ়িবলৈ শিকাব। এই স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলে কবিতা গল্প উপন্যাস আদিৰ কিছু জ্ঞানৰ আভাস পোৱাৰ আৱশ্যক। সাধু কথা, নীতি-কথা সন্নিৱিষ্ট কিছু কিতাপ এই ছাত্ৰ-ছাত্ৰী সকলে অধ্যায়ণ কৰিব লাগে

**উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় স্তৰৰ**

এই স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিদ্যালয়ত গ্ৰন্থাগাৰৰ আৱশ্যকতা এৰাব নোৱাৰা বিধৰ। এনেকুৱা গ্ৰন্থাগাৰ বোৰত অধ্যয়ণ কক্ষ অবিচ্ছেদ্য অঙ্গ। এনেকুৱা গ্ৰন্থাগাৰত অধ্যয়ণ কক্ষ বোৰত বাতৰি কাকত, আলোচনী আদি থকাৰ উপৰিও খেল জগতৰ খবৰ দিব পৰা বিধৰ, প্ৰতিযোগিতাৰ বাবে সাজু হব পৰাকৈ আলোচনী আদি থাকিব লাগিব। এনেকুৱা বিদ্যালয় অথবা মহাবিদ্যালয় বোৰত কম পক্ষেও একোজন গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ক অৰ্হতা সম্পন্ন গ্ৰন্থাগাৰিক নিযুক্ত থাকিব লাগিব। গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ক শিক্ষা লোৱা শিক্ষকজনেহে ছাত্ৰ ছাত্ৰী সকলক অধ্যয়ণৰ অভ্যাস বঢ়োৱাত সহায় কৰিব পাৰিব। এই গ্ৰন্থাগাৰিক জনে ছাত্ৰ ছাত্ৰী সকলক পাঠ্য পুথি পঢ়োৱাত সহায় কৰাৰ উপৰিও বিশ্বকোষ আদি পঢ়োৱাত সহায় কৰিব পাৰিব।

**বিশ্ব বিদ্যালয় স্তৰত :—**

এই স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলক স্বাবলম্বী বুলি ধৰিব পাৰি। মাধ্যমিক অথবা মহাবিদ্যালয় স্তৰৰ যি সকল ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ণৰ



অভ্যাস গঢ়ি উঠে তেওঁলোকে বিশ্ববিদ্যালয় পৰ্য্যায়ত ইয়াৰ প্ৰয়োগৰ বাবে সুযোগ পায়। সাধাৰণতে বিশ্ববিদ্যালয় বোৰত একোটা উন্নত আৰু উপযুক্ত সম্ভাৰেৰে পৰিপূৰ্ণ গ্ৰন্থাগাৰ থাকে। ইয়াৰ ব্যৱহাৰিতা বহু পৰিমাণে নিৰ্ভৰ কৰে গ্ৰন্থাগাৰৰ কৰ্মচাৰী সকলৰ ওপৰত। এই গ্ৰন্থাগাৰৰ কৰ্মীসকলে পঢ়ুৱৈ সকলক কোনটো বিভাগত কি আছে অথবা আৱশ্যকীয় তথ্যপাতি কোন বিভাগত কেনেকৈ পোৱা যাব এই বিষয়ে জ্ঞান দিব লাগিব।

**অধ্যয়নৰ পৰিৱেশৰ অভাৱ :—**

ভাৰতবৰ্ষৰ বৰ্ত্তমান সমাজ ব্যৱস্থাত এটা অস্থিৰ পৰিবেশৰ সৃষ্টি হৈছে। বিভিন্ন ৰাজ্যত ৰাজনৈতিক অস্থিৰতাই গা কৰি উঠিছে। সন্ত্ৰাসবাদী সকলে এই অস্থিৰতাক আগবঢ়াই দিছে। এচাম ৰাজনীতিবিদে কু-অভিপ্ৰায়সেৰে এই সন্ত্ৰাসবাদী সকলক সৃষ্টি কৰিছে। দেশী বা বিদেশী কু-চক্ৰান্তকাৰী সকলে ইয়াত ইন্ধন যোগাইছে। ফল স্বৰূপে ছাত্ৰ সকলৰ মাজত উশৃঙ্খলতাই দেখা দিছে। নাগৰিক সকলৰ মাজত নিৰাপত্তাৰ অভাৱ হৈছে। দেশত দুৰ্নীতিৰ মাত্ৰা চৰিছে। ভেজাল কাৰীৰ প্ৰকোপ চৰিছে। সমাজত টকা-পইচাৰ প্ৰাধ্যন্য বাঢ়িছে। প্ৰতিযোগিতা চলিছে। পুঁজি বঢ়োৱাৰ এই পৰিপ্ৰেক্ষিতত অধ্যয়নৰ পৰিৱেশ নষ্ট হৈছে। পঢ়া-শুনাৰ প্ৰতি ছাত্ৰ-শিক্ষক সকলোৱে পিঠি দিছে।

বিশ্ববিদ্যালয় আৰু শিক্ষা পৰিষদ বোৰৰ পাঠ্যক্ৰম গ্ৰন্থাগাৰ মুখী নহয়। ফলত একোজন ছাত্ৰই কেতিয়াও গ্ৰন্থাগাৰ নেদেখাকৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰি লব পাৰে। পৰীক্ষা পদ্ধতিও গ্ৰন্থাগাৰ মুখী নহয়। প্ৰতিটো বিষয়ৰে বজাৰত পোৱা সহায়ক পুথি কেইখনমান যোগাৰ কৰি লৈ ছাত্ৰ-ছাত্ৰী সকলে সহজে একোটা পৰীক্ষা উত্তীৰ্ণ হব পাৰে। ফলত গ্ৰন্থাগাৰলৈ যোৱাটো ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অনাৱশ্যক হৈ পৰে। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈ হলে গোটেই শিক্ষা ব্যৱস্থাটোৰ কিছু পৰিবৰ্তন কৰিব লাগিব।

**গ্ৰন্থাগাৰৰ সা-সুবিধা আৰু কৰ্ম্মচাৰী সকল :**

ছাত্ৰ-ছাত্ৰী অথবা পঢ়ুৱৈ সকলৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ হলে গ্ৰন্থাগাৰ বিলাকত কিছু সা-সুবিধা থাকিব লাগিব। যেনে :—

১। গ্ৰন্থাগাৰত সুবিধাজনক ভাবে বহি অধ্যয়ন কৰিবলৈ অধ্যয়ন কক্ষ থাকিব লাগিব।

২। আৱশ্যকীয় সকলোবোৰ তথ্য পাতি আৰু কিতাপ আদি সহজে পাব লাগিব।

৩। গ্ৰন্থাগাৰত এজন বা দুজন গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ক জ্ঞান সম্পন্ন কৰ্মচাৰী থাকিব লাগিব।

৪। গ্ৰন্থাগাৰিক জন উদ্যোগী, কৰ্মতৎপৰ অধ্যয়নশীল হব লাগিব।

৫। গ্ৰন্থাগাৰৰ সকলো কৰ্ম্মচাৰীৰ মাৰ্জিত ব্যৱহাৰ আৰু কৰ্ত্তব্য পৰায়ণ হব লাগিব।

৬। পঢ়ুৱৈ সকলক বিমুখ নকৰাকৈ আৰু সময় নষ্ট নোহোৱাকৈ তথ্য পাতিৰ যোগান দিব পাৰিব লাগিব।

৭। গ্ৰন্থাগাৰ খুলি ৰখা সময় আন কাৰ্য্যালয়ৰ তুলনাত বেচি হব লাগিব।

৮। গ্ৰন্থাগাৰৰ ভাণ্ডাৰ উপযুক্ত তথ্যপাতি কিতাপ আদিৰে পৰিপূৰ্ণ হব লাগিব।

৯। কৰ্মচাৰী সকলে যথোপযুক্ত বেতন পাব লাগিব।

ওপৰোক্ত ধৰণে গ্ৰন্থাগাৰ বিলাকে কাম কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰী বিলাকৰ মাজত পঢ়াৰ অভ্যাস বাঢ়িব। ●●●

# "ৰঙিয়াত সাহিত্য চৰ্চাৰ পৰিবেশ"

শ্ৰীঅনুজলী শৰ্ম্মা
ৰঙিয়া মহাবিদ্যালয়
বি,এ দ্বিতীয় বাৰ্ষিক

সাহিত্য বুলিলে কিতাপ আৰু অধ্যয়নকে বুজোঁ। অথবা নাটক, কবিতা উপন্যাস, ৰচনা, জীৱনীৰ প্ৰমূলাকে সাহিত্য বুলি লোৱা হয়। এই আটাইবোৰ লিখনিকে সেইখন দেশৰ সাহিত্য বুলি পৰিচিত হয়। নতুবা এইটোৱে প্ৰকাশ কৰে যে কোনো এখন দেশৰ কিমান সভ্য, সেই দেশৰ সাহিত্য অধ্যয়ন কৰিলে বুজিব পাৰি। আমাৰ অসমতো প্ৰণালীবদ্ধ সাহিত্যৰ জন্ম হয়। প্ৰকৃততে জোনাকী যুগৰ পৰা। অতি দুখৰ বিষয় যে আজি কুৰি শতিকাতো অসমীয়া সৃষ্টিশীল সাহিত্যৰ অৱস্থা শোচনীয়। গতিকে কব পাৰি যে অসমত সাহিত্য সৃষ্টিৰ পাৰিবেশ এতিয়াওঁ গঢ়ি উঠা নাই। ইয়াৰ বাবে দায়ী কোন? সাহিত্যৰ তথাকথিত হোতা সকলে আমাক বিপথে চালিত কৰিছে নেকি? অৱশ্যে আমি এইটো প্ৰতীয়মান কৰিব যোৱা নাই যে এই সাহিত্য চৰ্চা মুঠেও হোৱা নাই; হৈছে কিন্তু কব খুজিছো হতাশজনক। জোনাকী যুগৰ সাহিত্যিক কেইগৰাকীৰ অৱদান খিনিকে আজিও ঢোল পিটি আছো। আমি অতীতক লৈ জহাই ফুৰো কিন্তু ভবিষ্যতৰ কথা ভুলতো নুলিয়াওঁ।

অৱশ্যে আমাৰ আলোচ্য বিষয় হৈছে ৰঙিয়াত সাহিত্য চৰ্চাৰ পৰিবেশ। সাহিত্য সৃষ্টিত দেখা গৈছে অসমৰ প্ৰায় কেইখন ঐতিহ্য মন্দিত নগৰতে সাহিত্য সৃষ্টিৰ পৰিবেশ গঢ় উঠিছে। কিন্তু ৰঙিয়া! ৰঙিয়াৰ বুলি আমি আজি বৈদ্ধিক পৰিচয় দিব নোৱাৰা হৈছোঁ। দোষ কৰোবাৰ ওপৰত জাপি দি বাঃ বাঃ লব অথবা চকুৰ কুটা হব বিচৰা নাই, বিচাৰিছো আমি আত্মাবিশ্লেষণ কৰিবলৈ। কাৰণ আত্মাবিশ্লেষণে হ'ল শেষ অস্ত্ৰ।

এই ক্ষেত্ৰত আমি প্ৰথমে ৰঙিয়াৰ সামগ্ৰীক পৰিবেশ থুলমূলকৈ আলোচনা কৰাৰ প্ৰয়োজন। ৰঙিয়াৰ বুৰঞ্জী হ'ল আৰিমত্ত, হৰদত্ত-বীৰদত্ত, বৃটিছ আমোলত কৃষক বিদ্ৰোহ। ভূগোলত ৰঙিয়াৰ পৰিচয় হ'ল ৰেল জংচন আৰু ব্যৱসায়ৰ ঠাই। সত্তৰৰ দশকৰ প্ৰথম চোৰাত অসম সাহিত্য সভাৰ অধিবেশন আৰু আশীৰ



দশকত অস্তিত্ব ৰক্ষাৰ আন্দোলনত চাৰিজনকৈ শ্বহীদ। আৰু বৰ্ত্তমান এটা ডাঙৰ শূন্যই ৰঙিয়াক আকোৱালী লৈছে। অসম সাহিত্য সভাৰ অধিবেশনে আমাক কি দিলে? অধিবেশনৰ আগৰ দশক কেইটাত ৰঙিয়াত নো কি হৈছিল? যথেষ্ট প্ৰশ্ন— কিন্তু আমি উত্তৰ দিয়াৰ সাহস হেৰুৱাই পেলাইছোঁ। আমি কব খোজা নাই যে ৰঙিয়াত সাহিত্য সংস্কৃতি বিহীন জাতি এটাৰ বাসস্থান। এতিয়াও ৰঙিয়াত যথেষ্ট প্ৰতিভা লুকাই আছে, কিন্তু মঞ্চ নাই। এইখিনিতে আকৌ অতীতলৈ পিচুৱাই গৈছো, এই কাৰণে যে ৺প্ৰাণেশ্বৰ শৰ্ম্মাদেৱে অশেষ কষ্টৰ ফলত এখন মঞ্চ তৈয়াৰ কৰিছিল, মাত্ৰ ছুজন নে তিনিজনক লৈ জন্ম পালে হৰদত্ত-বীৰদত্ত ভৱন. লগতে উচ্চশিক্ষাৰ প্ৰানকেন্দ্ৰ স্বৰূপ ৰঙিয়া মহাবিদ্যালয়। কিন্তু ছুয়োটা কেন্দ্ৰই মৃতপ্ৰায় বুলি কলেওঁ প্ৰত্যুক্তি কৰা নহয়।

উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে কেনেকৈ পৰিবেশ তৈয়াৰ কৰে এটা উদাহৰণ দিওঁ। জোনাকী-যুগৰ প্ৰায়বোৰ সাহিতিক আছিল সেই সময়ৰ ভাৰতবৰ্ষ সাহিত্য সংস্কৃতিৰ তীৰ্থ কলিকতাত শিক্ষিত। কলিকতা বিশ্ববিদ্যালয় সমূহত গোটেই ভাৰত তথা পৃথিৱীৰ লগতে কেইবাজনো আগশাৰীৰ অধ্যাপকে অধ্যাপনা কৰিছিল। এই অধ্যাপক সকলৰ বৌদ্ধিক চিন্তা চৰ্চাই, সাহিত্য সৃষ্টিৰ সুস্থ পৰিবেশ সৃষ্টি কৰিছিল। লগতে ইয়াৰ প্ৰভাৱ পৰিছিল কলিকতাত উচ্চ শিক্ষাৰ বাবে যোৱা জোনাকী যুগৰ সাহিত্যিক সকলৰ ওপৰত। ফলস্বৰূপে মৃত প্ৰায় অসমীয়া সাহিত্যই ঠন ধৰি উঠিলে। পঞ্চাশৰ দশকত গুৱাহাটী বিশ্ব বিদ্যালয় তথা কটন মহাবিদ্যালয়েওঁ অসমত এচাম সাহিত্যিকৰ সৃষ্টি কৰিলে। আমাৰ কথা আছিল যে উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানে পৰিবেশ সৃষ্টি কৰে। কিন্তু ৰঙিয়া মহাবিদ্যালয়ে কি কৰিলে? আজিৰ এই অভাৱৰ বাবে সকলোতকৈ দায়ী হ'ল ৰঙিয়া মহাবিদ্যালয়। মহাবিদ্যালয়ে বছৰেকৰ মূৰত একোখন আলোচনী উলিয়াই, কিন্তু ইয়াৰ মানদণ্ড কেতিয়াবা আলোচিত হৈছে নে? আমাৰ অধ্যাপক সকলৰ মাজত যথেষ্ট সৃষ্টিশীল ব্যক্তি থকা স্বত্বেওঁ কিয় নিমাত? সাহিত্য সভাৰ অধিবেশনত যিটো ভৱনৰ সৃষ্টি হ'ল সেইটো আজি চোৰ-ডকাইতৰ আড্ডা। ৰঙিয়াৰ একমাত্ৰ প্ৰানকেন্দ্ৰ হৰদত্ত বীৰদত্ত ভৱন গোহালীত পৰিণত। আজি ৰঙিয়াত কোনো এটা অধ্যয়ন চক্ৰ (ভাষা, বুৰঞ্জী, অৰ্থনীতি ইত্যাদি) নাই। যোৱা ছুটা দশকত একমাত্ৰ স্বৰ-গোষ্ঠীৰ বাহিৰে কোনো এখন সৃষ্টিশীল নাটকৰ আৱিৰ্ভাৱ ন'হল। ছ বছৰীয়া আন্দোলনে যথেষ্ট সংখ্যাক আলোচনী জন্ম দিলে কিন্তু ৰঙিয়া ইয়াৰ পৰাও বঞ্চিত।

আন এটা দিশলৈ আহো। সেইটো হ'ল ৰাজনীতি। যদিওঁ বহুতো সাহিত্যিকে কব খোজে যে সাহিত্য আৰু ৰাজনীতি বেলেগ, আমাৰ বোধেৰে সেইটো অসম্ভৱ। সাহিত্যত সময়ৰ ৰাজনীতিৰ প্ৰভাৱ কব নোৱাৰাকৈ পৰে। ৰঙিয়া ৰাজনীতিৰ আড্ডা বুলি কলেওঁ বঢ়াই কোৱা নহয়। ৰঙিয়াত বামপন্থী ৰাজনীতিয়ে যথেষ্ট অধিপত্য দখল কৰি আছে, কিন্তু কবলৈ বাধ্য হৈছো তেওঁলোক উদ্দেশ্য প্ৰণোদীত, অন্যথাই ৰঙিয়াত সাহিত্য সৃষ্টিৰ পৰিবেশ গঢ়াত কিয় ব্যতিক্ৰম? ৰঙিয়াৰ বুকুত গ্ৰন্থাগাৰ থকাটো এটা প্ৰবাদ হৈ পৰিছে। সৌ সিদিনা চৰকাৰে মহকুমা পুথিভঁড়াল নপতা

হলে (যদিও পঢ়ুৱৈৰ অভাৱ) বঙিয়াৰ সেই দিশটো পুতৌ লগা অৱস্থা হ'ল হেঁতেন। আমি লক্ষ্য কৰিছো বঙিয়াত কিতাপ পঢ়াৰ প্ৰবেশো নাইকীয়া হ'ল। এইখিনিতে উল্লেখ-যোগ্য যে ৰূপালী জয়ন্তী উপলক্ষে পতা গ্ৰন্থমেলাৰ বাবে পলমকৈ হলেও বঙিয়া মহাবিদ্যালয়ে গ্ৰন্থৰ প্ৰতি অনুৰাগ বঢ়োৱাৰ লগতে শিক্ষাৰ পৰিবেশ গঢ়াত কিছুপৰিমাণে হলেও সফল হৈছে।

ওপৰোক্ত আলোচনাই সকলোৰে দোষ খুচুৰি আত্মতুষ্টি লাভ নকৰি বঙিয়াত সাহিত্য সৃষ্টিৰ পৰিবেশ গঢ় দিবলৈ কেইটামান সিদ্ধান্তৰ কথা চিন্তা কৰা হৈছে। প্ৰত্যেক বিষয়তে একোটা অধ্যয়নচক্ৰ (স্বেচ্ছাসেৱী) গঢ়ি তুলিব লাগে। বঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনটো অতি সোনকালে মেৰামতি কৰিবলৈ ৰাজহুৱা সভা আহ্বান কৰি চৰকাৰৰ আৰ্থিক অনুদানলৈ দান বৰঙণীৰে মেৰামতি কৰিব লাগে। লগতে সাহিত্য চৰ্চাৰ প্ৰানকেন্দ্ৰ সাহিত্য ভৱনটো। মেৰামতি কৰিব লাগে। এই ক্ষেত্ৰত অধ্যাপক আৰু ছাত্ৰ সকলে আগভাগ লব লাগে। ব্যক্তিগত খণ্ডত নহলেও সমবায় ভিত্তিত এখন মাহেকীয়া সাহিত্য আলো-চনী উলিয়াব লাগে। আমি ভাৱো কলম বন্ধ হোৱা প্ৰতিভাশালী নবীন-প্ৰবীনৰ এখন মঞ্চৰ সৃষ্টি হব। অকণমান সচেষ্টা হলে সুযোগ্য অনুবাদকৰ হতুৱাই উক্ত সমবায়ৰ জৰিয়তেদি এতিয়ালৈকে অনুবাদ নোহোৱা অইন ভাষাৰ উপন্যাস, চুটিগল্প ইত্যাদিৰ অনুবাদ গ্ৰন্থ উলিয়াব লাগে। আনহাতে সাংস্কৃতিক দিশটোকো এনে-কুৱা পদক্ষেপ লব লাগিব। অন্যথাই যথা সময়ত উত্তৰ পুৰুষে কৰা প্ৰশ্নৰ সন্মুখীন হব নোৱাৰিব। অৱশ্যে আমি সোঁৰৰাই দিব বিচাৰিছো যাতে কোনো অপসংস্কৃতিৰ হাতোৱাৰ কবলত নপৰে, তাৰ বাবে সজাগ হৈ থকা দৰ্কাৰ। জিলা ভিত্তিক গল্প, কবিতা, উপন্যাস, নাটক আদিৰ প্ৰতিযোগিতা পাতি কৰিলে (প্ৰচাৰ ধৰ্মী কৰি তুলিলে, উদ্দেশ্য মুখ্য হোৱা উচিত) Glamour ৰ খাতিৰতো যথেষ্ঠ সহাৰি পোৱা যাব।

ওপৰোক্ত সিদ্ধান্ত কেইটা হৈছে একোটা নমুনা। ইয়াক কাৰ্যকৰী কৰিব লাগিব উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আমাৰ মহাবিদ্যালয়ৰ শিক্ষক ও ছাত্ৰ-ছাত্ৰী সকলে। নহলে সিঁচৰিত হৈ থকা শিক্ষানুষ্ঠান সমূহৰ এবছৰ বা দুই বছৰৰ মূৰকত ওলোৱা মুখ-পত্ৰ কেইখন, যত মানদণ্ডৰ মাপ কাঠিৰ প্ৰশ্নও হব অবান্তৰ।

—



# সোনাৰামলৈ, মাকৰ এখন ঠিকনাবিহীন চিঠি

শ্ৰীহলধৰ দাস
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

মৰমৰ সোণ,

এতিয়া গভীৰ নিশা। চৌদিশ নিৰল নিস্তব্ধ। তথাপি মই শুব পৰা নাই। তোলৈ' খুব মনত পৰিছে। দেউতাৰা নাই নহয়; সেই কাৰণে।

লেম্পটোৰ ক্ষীন পোহৰ কণ আহি মোৰ সন্মুখত পৰিছেহি। ·········· চাওঁ, অলপ ৰবিদেই, লেম্পটো বেছিকৈ জলাই লওঁ।

ইয়াৰ আগতে দিয়া চিঠিখনৰ কথাবোৰ তোৰ বাৰু মনত আছেনে? বহুদিন তোলৈ চিঠি দিয়া নাই, নহয়! কব নোৱাৰো; ঢুলীয়াজানৰ নৰহত্যাত তোৰ ভায়েৰাটোৰ মৃত্যুৰ পিছত দেখোন আজিকালি চিঠি লিখিবলৈ' মনে নোযোৱা হৈছে। তই বেয়া পাইছ নহয়! যাহওঁক, কথাবোৰ চাগে' তোৰ মনত আছে! '৮৩ ৰ কোনোবা তিমিৰ ৰাতি উত্তৰ কামৰূপত বকুলতলী গাৱৰ খেৰৰ পঁজাটিত মাহীয়েৰা ধৰ্ষিতা হৈছিল। '৮৫ ৰ কোনোবা দিনত মেৰাপানীৰ সীমাবিবাদৰ কাৰণত আমাৰ পুৰণা ভঁৰাল আৰু গোঁহালী ঘৰ দুটাত জুই জ্বলি-ছিল। এই জুই বহুদিন ধৰি নুমাই যোৱা নাছিল। তেতিয়াই তই গৈ ঘুৰি নাহিলি।

সেয়া ছয় বছৰ আগৰ কথা। তোৰ কণমানি ভনীয়েৰাজনী এতিয়া গাভৰু হ'ল। তাইও এতিয়া অসমৰ চাহপাত, কেৰোচিন তেলৰ কথাবোৰ বুজা হ'ল। ঢুলীয়াজান, মেৰাপানী, মৰনৈ তাইৰ চিনাকী হ'ল।

অ' যোৱাকালি স্বাধীনতা দিবস হৈ গ'ল। আমাৰ ইয়াত এইবাৰ স্বাধীনতা দিবস খু-উ-ব উলহ মালহৰে উদ্যাপন কৰাৰ কথা আছিল। পতাকা উত্তোলন কৰিবৰ বাবে অসমৰ বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী গৰাকীক আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু দুখৰ কথা মাননীয় মন্ত্ৰী গৰাকীয়ে বান সাহায্যৰ কামত ডিব্ৰুগড়ত লাগি থাকিব লগা হোৱা বাবে পতাকা উত্তোলন কৰিবৰ কাৰণে আহিব নোৱাৰিলে। সেয়ে; অমাৰ গাওঁ উন্নয়ন সমিতিৰ সভাপতি গৰাকীয়ে ১৫ আগষ্টৰ দিনা ৰাষ্ট্ৰীয় পতাকা উত্তো-লন কৰিলে। অ' এইবাৰ বানপানীত আমাৰ বুঢ়ী গাইজনীক উটোৱাই নিলে নহয়! আমাৰ

ইয়াতো খুব পানী হৈছিল। আমাৰ গাঁৱৰ মাজেৰে যোৱা নদীটোৰ মথাউৰি ভাঙি চোতালত তিনিফুটলৈ পানী উঠিছিল। এই-বাৰৰ পানীয়ে গৰু, ম'হৰ লগতে খেতিবাতিও সোপাই লৈ গ'ল। ভদাই ৰামৰ একমাত্ৰ ল'ৰাটো পানীত পৰি মৰিল। খবৰবোৰ চাগে' তই নোপোৱাকৈ থকা নাই!

স্বাধীনতা দিবসটো আহিলে মোৰ দেখোন তোৰ দেউতাৰালৈ মনত পৰে। কিয় নাজানো! তোৰ আইতাই যে স্বাধীনতা আন্দোলনৰ কথাবোৰ কৈছিল; তোৰ বাৰু মনত আছেনে? তই যে সাধু শুনাদি কথাবোৰ শুনিছিলি! সেয়া ৪০ বছৰ আগৰ ঘটনা। আন্দোলন ত্যাগ নকৰাৰ অপৰাধত দেউতাৰাক বৃটিছ চৰকাৰে ফাঁচি দিছিল। গহপুৰত কনকলতাক গুলীয়াই মাৰিছিল। এই কথাবোৰ মনত পৰিলে আজিও মোৰ চকুপানী ওলাই যায় অ' ৰোপাই। বাৰু, আহিনৰ আৰম্ভনিতে এইবাৰ ছুৰ্গা পূজা হ'ব নহয়! তই পূজাত আহিবি দেই। বানপানীয়ে গোটেই গাওঁখন উটোৱাই নিয়াৰ পিছতো আমাৰ ইয়াত উৎসৱৰ উৎসাহ কমা নাই। সকলোবোৰ যেন কিবা এক আবেগ উত্তেজনাত উন্মনা। আমাৰ গাঁৱৰ নৱ, ৰাতুল, মৃগেন হঁত এতিয়া দান-বৰঙনি তোলাত ব্যস্ত। এইবাৰ আমাৰ গাঁৱত ছুৰ্গা পূজা ছুখন হ'ব। গাওঁ উন্নয়ন সমিতিৰ সভাপতিৰ লগত হেনো নৱ, কিশোৰ হঁতৰ কিবা লাগিল সেয়ে সিহঁতে বেলেগে পূজা পতাত লাগি গৈছে।


তই ছুৰ্গা পূজাত আহিব নোৱাৰিলেও মাঘৰ বিহুত যেনে-তেনে আহিবি। তোক বহুদিন দেখা নাই নহয়; সেই কাৰণে এই-বাৰ ভোগালীত কিন্তু আগৰ দৰে ভোগ নাই। বানপানীয়ে সকলো উটোৱাই লৈ গ'ল।

এইবাৰ ভেলাঘৰ বান্ধিবলৈ পথাৰবোৰত নাৰ নাইকীয়া হৈছে। সম্ভৱ এইবাৰ ভেলাঘৰ বন্ধা নহ'ব। অ' উৰুকাৰ দিনা কঁচাইৰ পৰা এককিলো মাংস আৰু বজাৰৰ পৰা ছুই কিলো বৰাৰ চাউল লৈ আহিবি। আমাৰ ইয়াত এতিয়া মাছ পুঠিও নোহোৱা হ'ল। সকলোবোৰতে দেখোন কিবা এক অচিনাকী বেমাৰে দেখা দিছে।

বিশেষ নাই। তই মাঘৰ বিহুত যেনে তেনে আহিবি। দেউতাৰা নাই নহয়, সেই কাৰণে তোলৈ খুব মনত পৰে। তয়ো যে কি সোণ, সেই '৮৫ৰ পৰা যি গ'লি গ'লিয়েই, মই ইয়াত একমাত্ৰ ভনীয়েৰাজনীক লৈ কেনকৈ আছো বুলি খবৰো এবাৰ নল'লি! এইবাৰ যেনে-তেনে আহিবিদেই— ইতি—

তোৰ
মা





# মোৰ তেজৰ ধাৰাত

শ্ৰীদশৰথ কলিতা
বি এছ. ছি (২য় বাৰ্ষিক)

মোৰ দেহৰ প্ৰতিটো ৰক্ত কণিকাত অহৰ্নিশে
মাথো বিদ্ৰোহী কবিতাৰ সুৰকবোৰ উথলি উঠে।
অন্নহীনতা, বস্ত্ৰহীনতা, সংস্থানহীনতাৰ
প্ৰতিবাদত মুখৰ মোৰ তেজৰ
শ্লোগানময়ী কবিতা
মোৰ বুকুৰ ভিতৰত গুঞ্জৰি-গুমৰি ৰৈ আছে
মই ভাল পোৱা সহস্ৰ জনতালৈ অপেক্ষি।
প্ৰতীক মোৰ বুলেটমুক্ত প্ৰতিটো অক্ষৰ
প্ৰতিবন্ধক প্ৰতিহত কৰাৰ কিমানটো সাহস
"ঠেকিলেহে শিকিম, দেখিলেহে লেখিম"
মোৰ সহযাত্ৰীবোৰৰ...।



# দুখ

শ্ৰীঅতুল কলিতা
স্নাতক ২য় বাৰ্ষিক ( বিজ্ঞান )

কাৰোবাৰ হৃদয়ৰ সীমাহীন মৰমে
মোৰ কেঁচা কলিজাক
কুটি-কুটি খাই শেষ কৰিলে,

কাৰোবাৰ সুমধুৰ প্ৰেমালিঙ্গনে
মোৰ কবি সত্বাক
নিৰ্ম্মমভাবে প্ৰহাৰ কৰিলে !

কাৰোবাৰ সুকোমল উষ্ণ ওঠৰ পৰশে
মোৰ আজীৱন
নিৰ্ভিক সাহসিকতাক
চিৰদিনলে' বাকৰুদ্ধ কৰি পেলালে।

কাৰোবাৰ উশৃংখল যৌৱনে
মোৰ জীৱনৰ শৃংখল চিঙি দি
প্ৰগতি শিখৰলৈ উঠি যোৱা
জখলাৰ পৰাই বগৰাই পঙ্গু কৰিলে ( ! )

অসহ্যকৰ এই যন্ত্ৰনাই মোক
তিল-তিলকৈ নিঃশেষ কৰিও যেন
মুক্তি দিব খোজা নাই···
ময়ো যেন আতৰি আহিব পৰা নাই
আহো-আহো বুলিও।

●



# তুমি শ্বহীদ, তোমাৰ বেদনা কিমান গভীৰ

মোৰ বেদনা ভৰা মনক সান্তনা দিবলৈ
আজি আৰু কোনো নাই। তুমি মোৰ সেই এটা বিশেষ মুহূৰ্ত্তৰ বিষ্ময়কৰ এটি যেন চিত্ৰগীতৰ সংলাপ··· ।
য'ত মই বহুজনৰ স্বাৰ্থত প্ৰকৃততে কিবা এটা কৰাৰ প্ৰেৰণা বিচাৰি পাওঁ।

তোমাৰ নামটো, মই নাজানিলোঁ, ঠিকনাও···।
তোমাৰ অবৰ্ত্তমানত মোৰ বাবে সিবোৰৰ আজি আৰু প্ৰয়োজনো নাই। অথচ···, সোঁৱৰণী ইমান বেদনাদায়ক ! তোমাৰো জানো মনত পৰা নাই ? তুমি বুকু ভৰি ভাল পোৱা
তোমাৰ জনমভূমিলৈ ? তোমাৰ কলিজাৰ কেঁচা তেজ ঢালি
তোমাৰ জনমভূমিৰ ভৱিষ্যতক সুন্দৰকৈ সজাব খোজা তোমাৰ সংকল্পলৈ ?

জানা, এতিয়া আমি সেই সংকল্পৰ কথাবোৰ ভাবিবলৈকে আহৰি নেপাওঁ। তুমি আমাৰ সামগ্ৰিক সত্বাটোৰ বাবে পুলিচৰ গুলিত ৰাজপথত চট্‌ফটাই থাকিও "জয় আই অসম" মন্ত্ৰৰে আমাক আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই চিৰদিনলৈ গুছি যোৱাৰ সেই নিৰ্দ্দিষ্ট দিনটোত মাথো সেই সংকল্প নাটকৰ বচন মতাদি মুখস্থ মাতো।

তথাপিতো হে মোৰ সংগ্ৰামী সতীৰ্থ,
এইবোৰৰ মাজত মই যেন ক্ৰমে-ক্ৰমে নিজকে হেৰুৱাৰ গ্লানিত নিঃশেষ হৈ যাব ধৰিছোঁ। ক্ষমতা আৰু অৰ্থ, ব্যক্তিগত স্বাচ্ছন্দতাৰ স্বাৰ্থত বলিয়া হৈ পৰা সৌজাক সিদিনাৰ সতীৰ্থৰ হাত বাউলক নেওচাৰ শক্তি মই যেন অচিৰে হেৰুৱাই পেলাম !···
তুমি এদিন কৈছিলা··· অতীত মৰহি যোৱা নাই, অতীত মৰহি নাযায়; আৰু কৈছিলা-সত্য চিৰস্বাচ্ছত; সত্যই সূৰ্য্য।

তেন্তে ? তমসা আঁতৰিব কেতিয়া ? বিশ্বাসৰ মলয়া বা···
আহিব কেতিয়া ??········
তুমিতো············

চৈয়দ লুতফুৰ ৰহমান
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

●

# শৰাইঘাট মোক মাতিছা ?

শ্ৰীহেমন্ত কুমাৰ গোস্বামী
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক ( কলা )

শৰাইঘাট মোক মাতিছা ?
যুগে-যুগে যুগমীয়া
আই অসমীক
কোনে জোকাই আকৌ !
সৌৱা; ঘৰে-ঘৰে বনজুই,

ৰাজপথত তেজৰ নৈ,
ভনী হ'ল ধৰ্ষিতা,
আইৰ চোতালত দেখো বনপখীৰ কিৰিলি !!
শত্ৰু উজাই আহি আকৌ
পালেহিয়েই নেকি ?

শৰাইঘাট ! তাহানিৰ বীৰ লাচিতৰ সহোদৰ
আছে আজিও
সতৰ্ক কৰি দিয়া শত্ৰুক ।
শৰাইঘাট শত্ৰুক সতৰ্ক কৰি দিয়া ।।

---

# সেই মানুহজন

শ্ৰীপ্ৰতুল কুমাৰ ভট্টাচাৰ্য্য
স্নাতক ১ম বাৰ্ষিক ( কলা )

সেই মানুহজনক মই চিনি পাওঁ;
চেতনাহীন অথচ মহা শক্তিমান
'সমাজ' নামৰ সেইজন সমষ্টিটোৰ মুখলৈ
তেওঁ আশাৰে চাই থাকে অহৰ্নিশে ।
তেওঁ বিচাৰি থাকে
তাৰ মাজতে
অট্টহাস্যকৰি থকা মানৱৰূপী দানৱবোৰক ।
আৰু; জনতাৰ সন্মুখত
বক্তৃতাৰ ফুলজাৰি মাৰি
'সমাজ'ৰ নেতা হব খোজা
টুপীৱালা মানুহবোৰক

---



# মৰম এনাজৰী

শ্ৰীনৃপেন ডেকা
বি, এছ, ছি ২য় বাৰ্ষিক

তুমিতো নাজানা
তোমাৰ বাবে মই
কিমান বিয়াকুল

হৃদয় উজৰি
নিবেদিছো মৰম মই
তুমি মাথোঁ বুজিছা ভুল ।

অশ্ৰুসিক্ত নয়নৰ
ছুধাৰি লোতকেৰে
গাঁঠিছো মালা তোমাৰ বাবে

নিপিন্ধা কিয় তুমি
ভুমুকি মাৰিছা মাথো
ক'লা ডাঁৱৰৰ আঁৰে আঁৰে ।

ডাঁৱৰবোৰ পৰিব যেতিয়া
মুকুতা মণি হৈ সেউজী বননিত
তুমিতো থাকিবা দূৰত,

হৃদয়ৰ গভীৰ আকুলতাৰে
বিচাৰি পাম তোমাক
স্নিগ্ধা নিয়ৰ কণিকাত

তোমাৰ হৃদয়ৰ ৰিক্ততা
সিক্ত কৰিম মই
গোলাপৰ কলি হৈ চায়,

ফল্গু নদীৰ দৰে
মৰম এনাজৰী মোৰ
চিগি যোৱ নাই ।

******

# মৃত্যুঞ্জয়ীৰ কবিতা

শ্ৰীহিৰেন্দ্ৰ কলিতা
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

এতিয়া শীতৰ শংকিত নিশা
মোৰ হুচকুত—
অজস্ৰ অনাহুত শিশুৰ মিছিল
কান পাতিলেই শুনো বকুলতলি গাঁৱৰ
বিস্ফোৰিত নিউক্লিয় শক্তিত
আহত জনৰ বিকট চিঞৰ।
তথাপিও তুমি জানা আই

অব্যক্ত বিদ্ৰোহৰ ফিৰিঙতিৰে
মোৰ সহযাত্ৰীৰ সৈতে মই।
তোমাৰ বুকুত মূৰ থবলৈ
এতিয়া দক্ষিণ আফ্ৰিকা পাবহৈ
অমৃতসৰৰ মাটিত ভৰি দিছোহি।

আই মই গৈ আছো
তোমাৰ বুকুত মূৰ থবলৈ
তুমি মাথো মোক ভীৰু বুলি বিদ্ৰূপ নকৰিবা।
ৰেডিয়ামৰ দৰে উজ্বল মৃত্যুঞ্জয়ৰ ৰঙীন মালা
মোক নালাগে।
মাথো বিচাৰো মই তোমাৰ বুকুত মূৰথৈ
মোৰ দেশৰ মানুহৰ সতে তোমাৰ
মৃত্যুঞ্জয়ৰ কবিতা লিখিবলৈ।

●●

# এখন হিয়াৰ ছবি

মঃ আশ্ৰফ চৌধুৰী
বি, এছ, চি ২য় বাৰ্ষিক

কবিতা—।
তোমাৰ মনৰ আঁচলত
ভাগৰুৱা মনটোৰ জিৰণি ললো।
এদিন জীয়াই থকা আশাখিনিক
তোমাৰ কোলাত তুলি দিলো।।
কবিতা—।
আজিৰ এই দুখখিনিক
অহা কালি তুমি জীয়াই নেৰাখিবা
কবিতা—
স্মৃতিবোৰে⋯কেতিয়াবা
মোৰ হিয়াত আমনি কৰে।
মই আজিও আছো
কেতিয়াবা নিৰ্জনতাবোৰ
তোমাৰ কবিতাৰে পাহৰি থাকো।

******



# তোমাৰ স্মৃতি—

শ্ৰীজুতিকা শাঁলৈ
স্নাতক ২য় বাৰ্ষিক (কলা)

বিব্ বিব্ মলয়াৰ মৃদু আঘাতত
ভাহি আহে তোমাৰ প্ৰেমৰ
নতুন সুবাস;
তুমি দিয়া শেৱালিৰ মালা ধাৰি
আজিও আছে মোৰ
হুচকুত ভাহি
স্মৃতিৰ বুকুত পাহৰণিয়ে মৃদু আঘাতকৰে
তথাপিও আমাৰ বালিচৰত
ভুমুকি মাৰে
তোমাৰ ছবিটিয়ে;
শতিকাৰ চেঁকা লাগি ধূসৰ হোৱা স্মৃতিৰ পাহিবোৰ
সজীৱ হৈ মোৰ মন কাননত
ফুলে দেখো ঘনে-ঘনে।
স্মৃতিৰ আঘাতে জগাই তোলা
মিঠা মিঠা স্মৃতিবোৰ
সতেজ হৈ ৰয়;
ভাবো, তুমি মানৱ কিম্বা দেৱতা যিয়ে নোহোৱা
মোৰ হৃদয় বিলত ফুলা
শান্তিৰ পদুম (প্ৰেৰণা) এপাহ!
ভাল লাগে স্মৃতিবোৰ অতীতত গথা
ভাল লাগে তোমাৰ হৃদয়
ফুলৰ কোমলতা;
—য'ত অঁকা আছে এবুকু মৰম
প্ৰীতিৰ অলেখ স্মৃতি ৰেখা।।

●●

# 'মানৱতা'

শ্ৰীপবিন শৰ্মা
স্নাতক ২য় বাৰ্ষিক (কলা)

আজিৰ মানৱ সমাজ···
নিমাত, নিস্তব্ধ—
নিতৌ নতুন আবিৰ্ভাব বধ্যভূমিৰ,
নেলী-গহপুৰ, মঙ্গলদৈ আৰু বোৰ্কাজুলিত।
মূহুৰ্তে-মূহুৰ্তে মানৱতাৰ অপমৃত্যু ॥
অকল উপলব্ধিৰে নহয়, বুকুৰ তেজেৰে···
আলফুলে অথচ গৌৰবেৰে—
লিখি গ'ল আবেদে—"আবেদৰ শ্বহীদৰ স্থান"।
লিখি গ'ল মগজুত; শিৰাই শিৰাই।
আবেদ—মানৱতাৰ শ্বহীদ !!
—তেজেৰে তিয়ালে অসমৰ মাটি··
ধুৱালে জননীৰ চৰণ,
স্বাধীনতা-গণতন্ত্ৰ-সমাজতন্ত্ৰৰ সমন্বয়··
সংবিধানৰ-শব্দ-মাত্ৰ—আকৌ হ'ল প্ৰমাণ।
আবেদ—
মানৱতাৰ নামত
উছৰ্গিত—
এক নাম।

●●●●

# গল্প

# মেঘে ঢকা জোন

লীলাধৰ শইকীয়া
স্নাতক ৩য় বৰ্ষ
(বুৰঞ্জী)

নীতি আৰু আদৰ্শত থকা মানুহে নিজৰ স্থিতিৰ পৰা লৰচৰ হব নিবিচাৰে, আৰু তাৰ ব্যতিক্ৰম হলে খংউঠে, অন্য কিবা কিবি কৰিব বিচাৰে। সেয়ে হয়তো নীতিবান ৰবীন চৌধুৰীৰ আজি খং উঠিছে, নীতি আৰু আদৰ্শক জীয়েকৰ বাবে বিসৰ্জ্জন দিব লগিয়া হোৱা বাবে ....।

নাই, এইটো হবই নোৱাৰে! মই কথা দি আহিছো—অলকাৰ বিয়া প্ৰশান্তৰ লগতে হব লাগিব। জীয়েক অলকাৰ বাবে কামপুৰ অঞ্চলৰ ভিতৰতে অতি নীতি আৰু আদৰ্শবান মানুহ ৰবীন চৌধুৰী আজি খঙত জ্বলি আছে। তেওঁৰ মুখত সৰলতাৰ অভিব্যক্তিৰ সলনি প্ৰকট হৈ পৰিছে কাঠিন্যৰ ৰেখা।

অকল ৰবীন চৌধুৰীয়ে নহয় তেওঁৰ পত্নী মলয়া পুতেক কিশোৰ আৰু সৰু জীয়েক ত্ৰিবেনী সকলোৰে আজি খং উঠিছে। ঘৰ-খনলৈ যেন এচমকা ক'লা ডাৱৰ নামি আহিছে। কিশোৰ আৰু ত্ৰিবেনী বাহিৰলৈ ওলাই গ'ল আবেলিৰ চাহ নোখোৱাকৈ। ৰবীন চৌধুৰী খঙতে গুজৰি-গুমৰি জপনা মুখতে ইফাল-সিফাল কৰি আছে। অলপ পিচতে বাৰান্দালৈ আহি এচুকত আৰামী চকীখনত গুম হৈ বহি পৰিল। মলয়াই মাত্ৰ ঘৰৰ সকলোবোৰ কাম যন্ত্ৰবৎ কৰি গৈছে। কিশোৰ আৰু ত্ৰিবেনী য়েও সোনকালে ঘৰলৈ উভটিল, মনবেয়া বাবে। কিন্তু কোনেও কাৰো মুখা-মুখি হোৱাৰ সাহস গোটাব পৰা নাই। আটাইৰে মাত্ৰ চিন্তাৰ মাত্ৰাহে বাঢ়ি গৈছে।

কিন্তু সামুহিক খং আৰু চিন্তাৰ পৰা পৰিয়ালৰ এগৰাকী মানুহ সম্পূৰ্ণ নিলগত ৰৈ আছে। যাক চিন্তা আৰু খঙে লেখ মানো স্পৰ্শ কৰিব পৰা নাই। সেইজনী ৰবীন চৌধুৰীৰ ডাঙৰ জীয়েক অলকা। অলকাৰ খং উঠিব কিয়? তাইৰ কিহৰ বাবে খং উঠিব? দুঃচিন্তাৰ পৰা হাত সাৰিবলৈ পঞ্জীভুত খং ক্ষোভ উদ্ধাৰ কৰি দিবলৈকেতো তাই এই কাম কৰি পেলালে। নিশ্চয় নিৰ্ভীক তাই।

অৱশ্যে এইটো থিক যে তাইৰ সিদ্ধান্তটোৰ বাবে আটাইৰে আজি খং উঠিছে। সেয়া হলেও আবেগৰ বশৱৰ্ত্তী হৈ কৰা ভুল নহয়, এয়া অলকাৰ অভিজ্ঞতা পুষ্ঠ মনৰ সুস্থিৰ চিন্তাৰ সিদ্ধান্ত। অলকাক কোনো শক্তিয়ে তাৰ পৰা বিচলিত কৰিব নোৱাৰে।

অলকাৰ সিদ্ধান্তই আটাইৰে মূৰত যেন নিৰ্মেঘ দুপৰতে সৰগ ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ পৰিল। পৰিয়ালৰ সকলো আহি অলকাৰ মুখা-মুখি হ'ল। প্ৰতিটো চকুৰ দৃষ্টি যেন একোপাত শানিত অস্ত্ৰ। আটাইৰে আগত যেন অলকা উকীলৰ উপৰ্জুপৰি জেৰা কৰা কাঠ গড়াত থিয় হোৱা আচামী। অলকাই মাটিলৈ দৃষ্টি অৱনত কৰি মৌনতাৰে থিয় দি ৰ'ল। সকলোকে কেৱল একেটা প্ৰশ্নৰে উত্তৰ লাগে—'তই এনে কৰিলি কিয়? তই আগতে নকলি কিয়? এতিয়া তোৰ ভবিষ্যত কি? তই ঘৰখনৰ কথা এবাৰ চিন্তা কৰি নাচালি কিয়?

ভবিষ্যত! ঘৰৰ চিন্তা!!

কোনো প্ৰশ্নৰে উত্তৰ নিদি নিজৰ কোঠাৰ দুৱাৰ বন্ধ কৰি সোমাই থাকিল অলকা। তীব্ৰ খং আৰু অৱজ্ঞৰ দৃষ্টিৰে আতৰি গ'ল অলকাৰ বন্ধ দুৱাৰত দৃষ্টি হানি। মৰমীয়াল সুৰত কথা কোৱা পৰিয়ালটোৰ কৰ্ম কান্দবোৰৰ অলেখ লেখ চাই থাকিল কাম কৰা লৰা মোহনে—।

এই অস্বঃতিকৰ- মুহূৰ্ত্ত আৰু বন্ধ দুৱাৰ মলয়াৰ দুচকুত মাথো ভাহি উঠিল। লগে লগে মলয়াই সিদ্ধান্ত কৰি পেলালে আজি আৰু কাৰো প্ৰতি মাতৃসুলভ দৰদ নেদেখুৱাই, কাকো মাতি আনি চাহো নুখুৱায়। গিৰীয়েকৰ আগত গৈ চাহ দি অহাৰ সাহসকনো তেওঁৰ নাই। তেওঁ নিশ্চিত যে অলকাৰ ওপৰত উঠা খং তেওঁৰ ওপৰতে পলুৱাব। মোহনৰ হাততে চাহ কাপ দি তেওঁ উৎকৰ্ষ হৈ ৰ'ল। মলয়াই ভবামতেই ৰবীন চৌধুৰী গৰজি উঠিল। পুহমহীয়া জাৰত কপা শিশুটিৰ দৰে থৰ থৰকৈ কপি মোহন আহিল হাতত ট্ৰেখন লৈ।

ৰবীন চৌধুৰীৰ ঘৰ খনত যেন কৰবাত কেনা লাগিল। ঘৰখনৰ প্ৰতি চুকতে আজি এক অসহজ গধুৰ পৰিবেশ এটাই বিৰাজ কৰিছে। কিশোৰ, ত্ৰিবেনীহঁতে আনদিনা দেউতাক ঘৰলৈ উভতি নহা পৰ্যন্ত পাগ ঘৰতে বহি ৰাজনীতিৰ পৰা হিন্দী ছবিৰ হিৰো' হিৰোইনলৈকে, সামাজিক সমস্যাৰ পৰা টি ভিৰ ৰামায়ণ-মহাভাৰতলৈকে আলোচনা কৰে। আজি কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত।

ৰবীন চৌধুৰী ভাত হবৰ সময়লৈকে বাৰান্দাৰ সেই আৰামী চকী খনতে বহি থাকি এটা সময়ত নিজৰ কোঠাত সোমাল। বিচনাৰ মুৰ শিতানত গাৰু কেইটা ওখকৈ লৈ এনেয়ে ওপৰ মূৰাকৈ শুই থাকি চিন্তা কৰি গ'ল— ল'ৰা-ছোৱালীক শিক্ষা দীক্ষাৰে মানুহ কৰাৰ ফল এই নেকি? এই মানসিকতাৰে ল'ৰা ছোৱালীয়ে শিক্ষা লৈছিলনেকি? সিহতৰ জীৱন গঢ়িবলৈ দিন ৰাতি কৰা পৰিশ্ৰমৰ ফল এই নেকি? অলকাই শেষ আশাকণ বাৰু— ধুলিসাৎ কৰিবলৈ সাহস গোটালে কৰপৰা? মোৰ এই জীৱন জোৰা পৰিশ্ৰম অথলে যাব নেকি? অথচ এই তিনিটা ল'ৰা-ছোৱালীৰ বাবে জীৱন মৰণ সমস্যা। এই বোজা কান্ধত লৈ মোৰজীৱন পথ পৰিক্ৰমা। তথাপি অশেষ কষ্টৰ ফলত অকণ মুকলিকৈ হহাঁৰ প্ৰেৰণা পাইছিলো, ভাবিছিলো ভাগ্য সু-প্ৰসন্ন হ'ল বুলি। কিন্তু……

অলকা, চৌধুৰীৰ প্ৰথম সন্তান। সেইবুলি তাই সকলোকাম স্বেচ্ছাই কৰি যাবনে? তাই আগেয়েতো এনে উদ্বত নাছিল! কোনে সাহস যোগালে তাইক? কাইলৈ কথাটো ৰাতি-পুৱাই প্ৰচাৰ হৈ গলে কি উত্তৰ দিব ৰবীন চৌধুৰীয়ে! কি কৈফিয়ৎ দিব নৰোত্তম পাটোৱাৰীক! কৈফিয়ৎ দিয়া দূৰৰ কথা মুখ তুলি কথা কোৱাৰ সাহস হবনে নৰোত্তম পাটোৱাৰীৰ আগত! তেওঁ যদি গুলি খোৱা বিক্ষুব্ধবাঘৰ দৰে হুংকাৰ দিকয়ঃ কিয়, কিয় মোক এনেদৰে অপমান কৰিলে! মৌনতাৰ বুকুত আশ্ৰয় লোৱাৰ বাহিৰে মোৰ যানো গত্যন্তৰ থাকিব?

পাগ ঘৰত কাম কৰি থকা মলয়াই মাথো ভাবিলে--যি হব লগা আছিল সেয়াটো হৈ গ'ল। মানুহৰ ভাৱনাৰ বিপৰীতে ঘটনাবোৰ এনেকৈয়ে ঘটে, কামৰ মাজেদি এই কথাখিনি খেলি গ'ল মলয়াৰ। অলকা, ত্ৰিবেনী, কিশোৰৰ জন্মৰ লগে লগে মলয়ায়ো হেৰাই পেলাই নিজৰ সত্বা আন দহজনী মাকৰ দৰে; বিলীন হৈ পৰিছিল সিহতৰ মাজত। কিন্তু আজি অলকাই ……। কত বেকা দৃষ্টি, ব্যঙ্গউক্তি তেওঁ নিৰবে সহ্য কৰি আহিছে। যেন সময়মতে ছোৱালী বিয়া দিব নোৱাৰাটো মাক বাপেকৰ গ্লানি, সামাজিক অপৰাধ। কিন্তু হালৰ বলধেও কেতিয়াবা যুৱলিৰ পৰা মুৰ পোলোকা দিব খোজে—সমাজৰ কোনোৱেও কিয় বাৰু এই কথাবিলাক এবাৰ দ-কৈ ভাবি নাচায়! ছোৱালী থকা মাক দেউতাকৰ দুখত ব্যথিত হৈ কিয় বাৰু কোনেও নকয়—বেচেৰা মাক দেউতাক হালৰ জীৱন দুটা ছোৱালী—কেইজনীয়ে খালে। কাৰ কি ক্ষতি হয়, কাৰ ছোৱালীৰ বাবে। চৰ চুৰা চেলেকাৰ জাত। এনেকুৱা এখন সমাজত ডাঙৰ হৈ অলকাই বাৰু এবাৰ ভাবি নাচালে কিয়? তাই মোক নকলেও কিশোৰ, ত্ৰিবেনী হতকতো কব পাৰিলে হেতেন! অলকাৰ এই কাৰ্যাইতো অকল তাইকে নহয়, ত্ৰিবেনীৰো জীৱনকো জোকাৰী নাজাবনে?

"কিশোৰ· ত্ৰিবেনী এজন এজনকৈ আহি ভাত খাই গ'ল নীৰৱে। মোহনে ৰবীন চৌধুৰীক কেইবাবাৰো মাতি কোনো সহাৰি নাপাই ভাত সাজ বিছনাৰ কাষতে মেজৰ ওপৰত থৈ আহিল। সন্ধিয়াৰ পৰা নিজৰ কোঠাৰ ভিতৰত সোমাই থকা অলকাই, কোনোৱে মাতিব নোযোৱাকৈ আহি আচৰ্য্যজনক ভাবে ভাত খাই গ'লহি। যিয়ে নিজৰ ঘৰখনত এক অস্বাভাবিক পৰিবেশৰ তথা এখন নাটকৰ সৃষ্টি কৰিলে। মাক মলয়াৰ অলকাক এই মুহূৰ্ত্তত অতি অপৰিচিতা যেন লাগিল।

পাগঘৰৰ সকলো কাম শেষ কৰি বিচনালৈ অহাৰ লগে লগে ঘৰখনৰ নিৰৱতাৰ মাজত বেচি জয়াল যেন লাগিল মলয়াৰ। এক ভয়-নাক অসহায়তাই মলয়াক বিহ্বল কৰি তুলিলে। বালিচত মুৰটো গুজি ইচ্ছামতে কান্দিবৰ মন গ'ল তেওঁৰ। এই কান্দোন অলকা ত্ৰিবেনীয়ে শুনিব, শুনক। আপত্তি নাই। বুজি উঠক সিহঁতৰ বাবে হয়তো বহুৰাতি এইদৰে পাৰ কৰিব লগা হৈছে। অথচ সিহতে আজি……।

সন্ধিয়াৰ পৰা নিজৰ কোঠাত সোমাই থাকি গভীৰ অস্থিৰতাৰ মাজত অলকাই ভাবিলে— এনেদৰে থাকিলে ঘৰখনক ভীষণ অন্যায় কৰা হব। এতিয়া তাই এনেদৰে থাকিব নোৱাৰে।

মনৰ দ্বিধা, ভয়, সংকোচ আতৰ কৰি দেউতা-কৰ কোঠাত সোমাল। দেউতাকৰ কোঠাত সোমাই থমকি ৰ'ল অলকা। এতিয়াও মুখৰ সেই খঙৰ অভিব্যক্তি আৰু কাঠিন্যৰেখা মাৰ যোৱ নাই। এই জপত তাই দেউতাকৰ আগত সকলো কথা ব্যক্ত কৰিব পাৰিবনে! মনৰ সমস্ত ক্ষোভ, অনুভূতি উজাৰ কৰি দিব পাৰিবনে! নে তাইপুনৰ নিজৰ কোঠালৈ উভটি যাব! নাই, তাই যাবই নোৱাৰে। সকলো কথা দেউতাকক কবই লাগিব। তাই মাথো নিষ্পলক দৃষ্টিৰে দেউতাকৰ পিনে চাই গভীৰ শোকত উথলি উঠিল। অলকাই আজি প্ৰথম বাৰৰ বাবে দেউতাকৰ মুখৰ প্ৰতিটো ভাজত বিচাৰি পাইছে সময়ৰ নিষ্ঠুৰ আচোৰ। স্পষ্টকৈ কাঢ়ি পেলালে দুৰ্দশাগ্ৰস্ত জীৱনৰ অকথিত কৰুণ ইতিহাস।

অলকা আগবাঢ়ি গ'ল।

দেউতা!

হঠাৎ যেন টোপনী ভাঙিল ৰবীন চৌধুৰীৰ। অলকাৰ পিনে এবাৰ চাই পুনৰ পিচ দিলে।

ধৈৰ্য্যৰ বান্ধ সোলকি পৰিল অলকাৰ। দেউতাকৰ ভৰিত ধৰি—'মোক ক্ষমা কৰা দেউতা' বুলি তাই হুক হুককৈ কান্দি দিলে।

ঃ অলকা!'

নিজৰ কন্যাৰ কন্দসী স্থিতিয়ে ধৈৰ্য্যৰ বান্ধোন সোলোকাই পেলালে ৰবীন চৌধুৰীৰ।

ঃ তই আগতে কিয় নকলি? তোৰ যদি নিজৰ………। কথাখিনি অসম্পূৰ্ণ কৈ ৰৈ গ'ল ৰবীন চৌধুৰী।

দেউতাক কিছু প্ৰকৃতিস্থ হোৱা দেখি সাহস বাঢ়িল অলকাৰ। দেউতাকৰ ওচৰ চাপি তাই কলে-ভুল নুবুজিব দেউতা!

মৌনতাৰ কোলাত শুই পৰিল দুয়ো কিছুসময়। অলকাই নিজকে সংযত কৰি লৈ আৰম্ভ কৰিলে ঃ নৰোত্তম পাটোৱাৰীৰ পুত্ৰ ইঞ্জিনিয়াৰ প্ৰশান্ত পাটোৱাৰীয়ে কিহৰ বাবে মোক বিয়া কৰাবলৈ আছিল দেউত? মোৰ মাষ্টাৰ ডিগ্ৰিটোৰ বাবে, নে মোৰ ৰূপলাৱণ্যৰ বাবে, নে সৎ ব্যক্তিৰূপে থকা আপোনাৰ খ্যাতিৰ বাবে? কোৱা দেউতা কোনটোৰ বাবে আহিছিল?

ৰবীন চৌধুৰী নিৰবে থাকি মাথো ভাবিলে এইজনীয়ে জানো সেই অলকা, যিয়ে মোৰ মুখ চাই কথা নকৈছিল, বেচি গহীন বাবে ভায়েক ভনীয়েকে 'বোৱাৰী' বুলি জোকাইছিল, এইজনী সেই প্ৰগলভা অলকানে?

'নাই দেউতা, ইয়াৰ কোনো এটা কৰণতে নৰোত্তম পাটোৱাৰীৰ ইঞ্জিনিয়াৰ পুত্ৰ প্ৰশান্ত অহা নাছিল। আহিছিল মাত্ৰ বিশ হাজাৰ টকাৰ বাবে।'

ঃ 'অলকা!'

আপুনি মোৰ পৰা লুকুৱাই ৰাখিব খুজিলেও মই সকলো গম পাইছো। যিখিনি সঞ্চিত ধনেৰে এটা ঘৰ সাজো বুলি বহু কল্পনা কৰিও এই জীৱনত নোৱাৰিলা। আমাক বিয়া দিয়াৰ বাবে তাক সযতনে সাঁচি ৰাখিলা, সেই টকা খিনি মোক বিয়া দিয়াৰ বাবে দৰা ঘৰক দিব ওলাইছা!'

ঃ কোৱা দেউতা ত্ৰিবেনীৰ বিয়াৰ বেলিকা কি কৰিবা? কিশোৰক কিহেৰে পঢ়াবা? ত্ৰিবেনীৰ বিয়াৰ বেলিকা হয়তো একমাত্ৰ স্থাৱৰ সম্পত্তি ভিতৰত থকা ঘৰৰ ভেটিটো বন্ধকত দিবা অন্যথা বিক্ৰী কৰিবা, তাৰ পিচত তুমি অথৱা হৈ কান্ধত জোলোঙা লৈ পথৰ ভীক্ষাৰী



হবা? তুমি কি এৰি থৈ যাবা দেউতা, কিশোৰৰ বাবে—?

ঃ অলকা!…… কিন্তু প্ৰশান্ত যে ইঞ্জিনিয়াৰ! তোৰ ভৱিষ্যতৰ কথা ভাবিহে মই……।

মোৰ ভৱিষ্যত! এক অদ্ভুত হাঁহি বাগৰি গ'ল অলকাৰ ওঠৰ ওপৰেদি।

আৰু নকবা দেউতা! মই ম··ই ঘিন-কৰো তেনেকুৱা ইঞ্জিনিয়াৰৰ পতিপতিক। যিবিলাক ইঞ্জিনিয়াৰক বিজ্ঞানৰ বৰপুত্ৰ আখ্যা দিয়া হয়, সেইবিলাক ইঞ্জিনিয়াৰে জানো দেশৰ বাবে দহৰ বাবে নিজৰ পকেট ওখ কৰাত বাহিৰে চিন্তা কৰিব পাৰিছে দুই এজনৰ বাহিৰে—? আজি অসমত বানপানীয়ে বছৰ বছৰ ধৰি যি তান্দৱ লীলাৰে সৰ্ব্ব সাধাৰণ ৰাইজক বছৰে বছৰে জুৰুলা কৰিছে, ক'ত কাৰ্য্যালয় ভৱন, পকীদলং নিৰ্মাণ কাৰ্যশেষ হোৱাৰ এক/দুই বছৰ পিচতে খহি পৰিছে অথচ এই ইঞ্জিনিয়াৰ সকলে সোণৰ কলমেৰে কাম সুন্দৰ ৰূপে সমাপন হোৱাবুলি প্ৰমাণ পত্ৰ দিছে, এই ৰাজহুৱা ক্ষতিৰ হিচাব এই ইঞ্জিনিয়াৰ সকলে জানো এবাৰ চিন্তা কৰিছে, ঠিকাদাৰৰ পৰা টকা লোৱাত বাহিৰে?

চকুত ভয় বিহ্বল দৃষ্টি! কথাত আক্ৰোশ বিদ্ৰোহৰ সুৰ!………

অলকাৰ মুখলৈ চালে দেউতাক ৰবীন চৌধুৰীয়ে। এইজনী যেন তেওঁৰ গহীন গম্ভীৰ অলকা নহয়।

ঃ অলকা! …… কিন্তু মই কিবুলি কৈফিয়ৎ দিম নৰোত্তম পাটোৱাৰীক?

ঃ তুমি কৈফিয়ৎ দিবলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। মই প্ৰশান্ত পাটোৱাৰীৰ ঘৰত গৈ নিজে তোমাৰ হৈ কৈফিয়ৎ দি আহিছো। বিয়াক ব্যৱসায়ৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰা নৰোত্তম পাটোৱাৰীৰ পুত্ৰ ইঞ্জিনিয়াৰ হলেও মই বিয়া কৰাব নোৱাৰো, অৰ্থলোভীৰ ভৰিত মই মূৰ থৈ সেৱা কৰিব নোৱাৰো আৰু নোখোজো মই ক'লা টকাৰে সজা অট্টালিকাত থাকিব, জাপানী মডেলৰ ফিয়েট ভাবাত ঘুৰি ফুৰিবলৈ। বিশ হাজাৰ টকাত বিক্ৰী হৈ যাব পৰা ব্যক্তিহীন প্ৰশান্ত পাটোৱাৰী ইঞ্জিনিয়াৰ হলেও মই বিয়া কৰাব নোৱাৰো। আৰু তেওঁলোকে দিয়া সকলোবোৰ বস্তু ওভোটাই দি আহিছো।'

ঃ অলকা!'

এটা নাটকীয় পৰিবেশেৰে শেষ হোৱা দৃশ্যটোৰ শেহাস্তৰত ক'লা আৰু কাপোৰ খনে যেন পৰিসামপ্তিৰ ঘোষণা কৰিলে ৰবীন চৌধুৰী যেন মঞ্চ গৃহৰ পৰা ওলাই আকাশলৈ মূৰ তুলি চালে। দেখিলে এখন গোমা আকাশ আৰু মেঘে ঢকা এটি জোন!!



# এক বিশেষ পত্ৰ—

বিজুলী চক্ৰৱৰ্তী
প্ৰাক্তন ছাত্ৰী

মৰমৰ

সীমা,

মোৰ অন্তৰৰ নিভৃত কোণৰ পৰা নিগৰি ওলোৱা একাজলি মৰম গ্ৰহণ কৰিবা। তোমালৈ আজি মোৰ বৰকৈ মনত পৰিছে। এই সময়ত তুমি চাগে পিংকিক কোলাত লৈ পূৰ্ণিমাৰ জোনটোৰ ৰূপালী সুধা পাণ কৰিছা আৰু মনটো কিজানি আবেগ বিহ্বল হৈ উঠিছে নহয়নে? এৰা জোনটো আজি সচাকৈয়ে সুন্দৰ হৈছে নহয়নে? তোমাৰ মুখখনীৰ লগত জোনটোৰ কিযে অদ্ভুত মিল মই দেখো। জোনটোৰ মুখত মাজে মাজে থকা ক'লা দাগবোৰে তাইক অধিকহে সুন্দৰ কৰিছে। তাইৰ মুখত পৰা ক'লা দাগবোৰ তুমি হাঁহিলে তোমাৰ গালত পৰা টোলদুটাৰ দৰে নেলাগেনে বাৰু? প্ৰশংসা গোৱাই বেয়া নাপাবা। সুন্দৰক সুন্দৰ বুলি কোৱাত কি দোষ। কিছুমানে জোনৰ মুখত পৰা দাগবোৰকয়ে কলংকৰ লগত তুলনা কৰে, মোৰ বৰ খং উঠে। তথাপিও পিছে মানুহে জোনক ভাল পায়, তাইৰ কলংকৰ কথা নাভাবে। অ' কবিয়ে ভাবিব পাৰে; তাত কি ক্ষতি। তোমাকো যদি ৰাজে জোনটোৰ দৰে ভাবিলেহেতেন, তুমি যে কি সুখী হ'লাহেতেন! বেয়া নাপাবা। তোমাক দুখ দিবলৈ মই কোৱা নাই। সচাকৈয়ে তোমাৰ কথা ভাবিলে মোৰ মনৰ গভীৰ অন্তস্থলৰ পৰা তপত হুমুনিয়াহ নিগৰি ওলায়।

সীমা, মই কিন্তু সচাকৈয়ে বহুত সুখী। তোমাৰ কথা ভাবি বিয়াৰ আগতে সংসাৰখন মোৰো বৰ তিক্ত লাগিছিল, এইখন স্বাৰ্থপৰ মানুহৰ পৃথিৱীৰ পৰা সোনকালে মেলানি মাগিবলৈ সদায় ভগৱানক খাটিছিলো, যাতে বিয়াৰ নৰকত সোমাই জীৱনটোক কণ্টকময় কৰিব নালাগে, সুন্দৰ যৌৱনটো তিল্ তিল্কৈ কাৰোবাৰ সন্তুষ্টিৰ বাবে শ্মশান সদৃশ লালসাৰ বহ্নিত দগ্ধ কৰিব নালাগে। কিন্তু জানা সীমা, মোৰ সেই ধাৰণা এতিয়া সম্পূৰ্ণ সলনি হ'ল, অন্তৰত পুহি ৰখা সেই আদিম ভয় মোৰ মনত এতিয়া



সমূলি নাই। মই সচায়ে ভাগ্যৱতী সীমা। মনোজৰ দৰে মানুহজনক পাই মোৰ জীৱন ধন্য হৈছে। মোৰ বাবে এতিয়া পৃথিৱীখন খুব সুন্দৰ, অধিক সেউজময়, সংসাৰ ধৰ্ম অতি মহান, অতি পবিত্ৰ। তেওঁয়ে মোক বৰ মৰম কৰে, হিয়া উজাৰি অন্তৰৰ ভালপোৱা মোক দান কৰিছে। বিয়াৰ দিন ঠিক হোৱাত কিমানযে কান্দিছিলো। ভাবিছিলো ব্যৱসায়ী এজনে বাৰু মোক মৰম কৰিবলৈ সময় পাবনে? মই চাগে যন্ত্ৰ হৈ যাম আৰু এদিন তেল পালিচৰ অভাৱত মামৰে ধৰি যন্ত্ৰটো মৰি থাকিব আৰু আৱৰ্জনা পেলোৱা খাদত শেষ স্থান ল'ব লাগিব। কিন্তু সীমা, মইয়ে কি বিপৰীত কল্পনাই নকৰিছিলো। বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানৰ লগত লিপ্ত হৈ থাকিও তেওঁ যে মোক মৰম কৰিবলৈ কেনেকৈ সময়বোৰ উলিয়ায় ভাবিলে মোৰ নিজৰে আচৰিত লাগে। আমাৰ গা-ধোৱা বাল্টিটো বৰ ডাঙৰ। পানী ভৰাই সেইটো মই বাথৰুমলৈ দাঙি নিব নোৱাৰো। তেওঁ সদায়ে সেইটো মোক বথৰুমত দাঙি দিয়ে। তেতিয়া জানা সীমা, তেওঁৰ ফালে চাই চাই বুকুখন মোৰ আনন্দত পুলকিত হৈ উঠে। বাল্টিটো ডাঙিলে মাংসপেশীবোৰ টান হৈ উঠা হাতখন আৰু ওপৰৰ পাৰি দাঁতেৰে তলৰ ওঠটো কামুৰি ধৰাতো ঠুতুৰিৰ ওপৰত পৰা টোলটোৱে তেওঁকযে কি অপূৰ্ব দেখায়! কেকোৰা কেকুৰী চুলি আৰু ওখপাখ সুগঠিত তেওঁৰ দেহটো দেখিলে মোৰ মনৰ দাপোণত অশ্বিনীকুমাৰৰ ৰূপটো অংকিত হয়।

গা-পা ধুই উঠি মই ভাত ৰান্ধিবলৈ ৰান্ধনী ঘৰত সোমাওঁ, তেওঁ তৰি-তৰকাৰী কাটি সকলোবোৰ যতনাই দিয়ে। তাৰ পিছত ভাত খাই উঠি মই সাজ-বাচনবোৰ মাজিবলৈ ধৰোমানে তেওঁ পানী আনি ওচৰতে যতনাই দিয়ে আৰু মোৰ লগতে বাচনবোৰ ধোৱাত সহায় কৰি দিয়ে। মই বাধা দিলে তেওঁ কয়,—'জ্যোতি, মোক বাধা নিদিবাচোন। তুমিওতো এইখিনি কৰি মেলিহে কলেজলৈ যাব লাগিব। স্বামী-স্ত্ৰী দুয়োয়ে দুয়োৰো কামত সহায় কৰিলে কামবোৰ সোনকালে হয়, কষ্টও নহয় আৰু বেমেজালিও নঘটে। কিন্তু তুমি যদি এইখিনি কাম অকলে কৰি কলেজলৈ যাব লাগিলহেতেন তেনেহ'লে তুমি নিশ্চয় খেঙ্খেঙীয়া হ'লাহেতেন আৰু তুমিও যদি মোৰ হিচাব-নিকাচবোৰ সুশৃঙ্খলিত কৰি নিদিলাহেতেন তেনেহ'লে আন বহু ব্যৱসায়ীৰ দৰে হিচাব-নিকাচ মিলাব নোৱাৰি মোৰো ৰাতি টোপনী নাহিল হেতেন আৰু ফলত উচ্চ ৰক্তচাপত ভুগিব লাগিলহেতেন। স্ত্ৰী-পুৰুষৰ সহযোগিতাৰ ফলতহে এখন সংসাৰ সুখময় হৈ উঠে। দুয়ো দুয়োকে বুজিব লাগে, দুয়োৰে আবেগ অনুভূতিক দুয়ো মূল্য দিব লাগে, তেতিয়াহে স্ত্ৰী-পুৰুষৰ প্ৰেম স্বৰ্গীয় আনন্দলৈ ধাবিত হয়।" সীমা, দেখিলানে কেনে প্ৰাঞ্জল তেওঁৰ কথা-বতৰা, কেনে মনোমুগ্ধকৰ তেওঁৰ ব্যৱহাৰ!

সীমা, জোনটোলৈ চোৱাচোন। পোহৰ বেছি হৈ আহিছে। তুমি চাগে এই সময়ত অকলে পিংকিক লৈ জোনটোলৈ চাই চাই দুখ আৰু আবেগৰ চকুলো টুকিছা। মই কিন্তু অকলে জোনৰ পোহৰত বহি থাকি তোমালৈ চিঠি লিখি থকা নাই। ভাত খাই উঠাত এওঁ ক'লে—"জ্যোতি ব'লা, বাহিৰত অলপ বহো। জোনটো আজি গাভৰু হৈছে। স্নিগ্ধ সৌন্দৰ্য্যাৰে ভৰা পৃথিৱীখন আজি যে কি মোহনীয় হৈছে।"

দেখিছানে, কথাবোৰ তেওঁৰ কেনে কবিসুলভ! জোনৰ শুভ্ৰ সুকোমল ৰূপ-ৰাশি পান কৰোতে কৰোতে তোমালৈ বৰকৈ মনত পৰিল। সেয়ে লাইটবোৰ নুমাই মমৰ খীণ পোহৰত তোমালৈ লিখিবলৈ লৈছো, যাতে প্ৰকৃতিৰ অপৰূপ, অনাবিল, সুষমভৰা সৌন্দৰ্য্যৰাশি পান কৰোতে মনোজৰ কোনো ব্যাঘাত নঘটে। তেওঁৰ পাপৰি সদৃশ কোমল আঙুলি কেইটা মোৰ চুলিৰ মাজেৰে সুৰসুৰকৈ সোমাই গৈছে—খুব লাহে লাহে। আঃ সীমা; কি যে এক মোহময় আমেজ!

সীমা, বিয়াৰ আগতে তুমি ইশানক ভাল পাইছিলা স্বাভাৱিক ডেকা-গাভৰুৰ প্ৰেমৰ অনুৰাগেৰে। কিন্তু তাততো পাপৰ লেখমানো কণা নাছিল আৰু এটা সময়ত মাৰা-দেউতাৰাই ঠিক কৰা হ'লেও স্ব-ইচ্ছাৰে তোমাৰ আৰু ৰাজৰ বিয়া হৈছিল, তাকো ঘকৃঘকৃকৈ নহয়। পুৰা এবছৰ তোমালোকৰ মাজত আহ-যাহ চলাৰ পিছত তোমালোকৰ বিয়া হৈছিল। নিশ্চয় সেই সময় ছোৱাৰ ভিতৰত তুমি ৰাজক আৰু ৰাজে তোমাক বুজিবলৈ সুযোগ পাইছিল। তেনেহ'লে পিংকিৰ জন্মৰ পাছৰ পৰা ৰাজে বাৰু কিয় তোমাৰ পৰা আতৰি যুৰা হ'ল। দৰ্শনৰ ডক্তৰেট হৈও ৰাজে বাৰু কিয় জীৱন আৰু জগতৰ সম্পৰ্ক বিচাৰ নকৰিলে? ৰাজে বাৰু কিয় নুবুজিলে যে যৌৱনৰ উন্মাদনাৰ কালছোৱাত ডেকা গাভৰু পৰস্পৰে কোনোবাই কাৰোবাৰ প্ৰতি অজানিতে আকৰ্ষিত হ'ব পাৰে বা কোনোবাই কাৰোবাক স্বাভাৱিকতে ভাল পাব পাৰে? কিন্তু তাৰমানে দেহ-মন সমৰ্প'ন কৰিব পাৰে বুলি এটা ভুল ধাৰণা বাৰু ৰাজে কেনেকৈ মনত পোষণ কৰিব পাৰিলে? অতিন্দ্ৰিয় জগতৰ লগত সম্পৰ্ক স্থাপন কৰিব খোজা দাৰ্শনিক এগৰাকীয়ে বাৰু প্ৰতিভাষিক জগতৰ এটা অতিকল্পিত মিথ্যা কথাত লাগি কিয় বাৰু নিজৰ সত্তাক বিসৰ্জ'ন দিব খুজিছে আৰু লগতে তোমাক বাদ দিও এজনী ফুল কুমলীয়া ভৱিষ্যৎৰ আশাৰ অংকুৰ পিংকিজনীক পিতৃত্বৰ স্নেহৰ পৰা বঞ্চিত কৰিছে? সীমা, তোমাক অনুৰোধ কৰিছো, তুমি আকৌ এবাৰ ৰাজৰ ওচৰত সৰু হৈ তেওঁক বুজাবলৈ চেষ্টা কৰা; নাৰী-পুৰুষৰ সংসাৰ ধৰ্মৰ কথা তেওঁক বুজাই দিয়া। হিন্দু শাস্ত্ৰত থকা নাৰীধৰ্মৰ কথা ৰাজক বুজাই দিয়া—"এগৰাকী নাৰীয়ে এজন পুৰুষতহে দেহ-মন সমৰ্পন কৰে। জানি-শুনি আন পুৰুষত বিয়া হ'লে বা মাক বাপেকে জানি-বুজি আনত বিয়া দিলে সেই ছোৱালীজনীৰ লগতে মাক-বাপেকও হেনো নৰকত পতিত হয়।" সীমা, হিন্দু শাস্ত্ৰৰ সংসাৰ ধৰ্মৰ এই অপৰিসীম সততাৰ কথা ৰাজক মনত পেলাই দিয়া। ৰাজে তোমাক নিশ্চয় বুজিব, ভুলৰ পৰিসমাপ্তি ঘটিব।

সীমা, পৰহি বশিষ্ঠাশ্ৰমলৈ গৈছিলো। অৱশ্যে মনোজে যাব খোজা নাছিল। আজি কালি হেনো মন্দিৰত গৈ তেওঁৰ ভাল নালাগে। বহুবছৰ ধৰি হেনো মন্দিৰলৈ যোৱা নাই। অৱশেষত মোৰ তাড়াণাত গ'ল। মন্দিৰৰ ভিতৰত ব্ৰহ্মাৰ পীঠগহ্বৰলৈ নামি যাওঁতে খিট্‌মিটিয়া আন্ধাৰত মনোজৰ বোধকৰো ভয় লাগিছিল। কাৰণ মই তেওঁৰ উশাহ-নিশাহৰ শব্দ শুনিবলৈ পাইছিলো। হয়তো বহুবছৰ মন্দিৰৰ ভিতৰত প্ৰৱেশ নকৰাত তেওঁৰ মনটো গধুৰ গধুৰ লাগিছিল। মই পিছে তেওঁক একো সোধা নাছিলো। মোৰ মনত ইতিমধ্যেই ভগবদ্ ভক্তিয়ে ঠাই লৈছিল। গতিকে ব্ৰহ্মাদেউৰ গাত মালাডাল দলিয়াই দি চাকি ধুপ জ্বলাই থাপনাত স্থাপন কৰাৰ পিছত মোৰ মূৰ পবিত্ৰ ভাৱত ভগৱানৰ উদ্দেশ্যে দো খাই পৰিছিল। পূজাৰীজনে মনোজলৈ বৰকৈ চাইছিল। হয়তো তেওঁৰ সুন্দৰ ৰূপে পূজাৰীজনক আকৰ্ষিত কৰিছিল।

তাৰ পৰা ওলাই আহি আমি সন্ধ্যা ললিতা-কান্তাৰ অপৰূপ সৌন্দৰ্য্যৰ পাৰত থিয় হ'লো। বাৰিষাৰ পানী পাই সিহঁত উত্তাল যৌৱনৰ কোৱত তীব্ৰবেগে হো-হোৱাই গতি কৰিছে। সিহঁতৰ উচ্ছল হাঁহিৰ তৰংগ বহুদূৰৰ পৰা শুনিব পৰা হৈছে। সিহঁতৰ কি যেউচ্ছাসিত আনন্দৰ ঢৌ! সন্ধ্যা ললিতা-কান্তাৰ ছন্দময় নাচোনৰ তাল চাই চাই মনোজে মোক কৈছিল,—'জ্যোতি, এই যে সন্ধ্যা-ললিতা-কান্তা; ইহঁতটো অনাদি কালৰে পৰা একেলগেই বৈ আহিছে। সৃষ্টিৰ কিমানযে উত্থান-পতন হ'ল, পৃথিৱীৰ কিমান পৰিবৰ্ত্তন হ'ল, কিন্তু ইহঁতৰ কোনেও কাৰো লগ এৰিবলৈ নিবিচাৰিলে, পৰিবৰ্ত্তনৰ গতি লবলৈ নিবিচাৰিলে। সচাকৈয়ে ইহঁতৰ প্ৰেম যে কি স্বৰ্গীয়! জগতৰ মানুহবোৰো যদি এনে স্বৰ্গীয় প্ৰেমৰ ডোলেৰে বান্ধ খালেহেতেন, তেন্তে পৃথিৱীখনেযে কিমান মোহনীয় হ'লহেতেন? তুমি আৰু মই—আমিও যদি এইদৰেই ইহঁতৰ দৰে যুগে যুগে একেলগ হৈ থাকিব পাৰিলোহেতেন, জন্মে জন্ম যদি এইদৰেই স্বামী-স্ত্ৰীৰ মৰমেৰে কটাব পাৰিলোহেতেন, তেনেহ'লে আমি কিমানযে সুখী হ'ব পাৰিলোহেতেন! নহয়নে জ্যোতি?"—এইবুলি তেওঁ মোক অসীম আবেগেৰে সাবটি ধৰি কপালত এটা দীঘলীয়া চুমা আঁকি দিছিল। মোৰ মনটো তেওঁৰ প্ৰতি তীব্ৰ প্ৰেমৰ আকুলতাত আপ্লুত হৈ পৰিছিল!

সীমা, ৰাতি বহুত হ'ল। তোমাৰ পিংকিয়ে চাগে তোমাৰ কোলাত ইতিমধ্যে শুই পৰিছে। তোমাৰো চকুৰ পতাত কিজানি টোপনিৰ জলক লাগিছে। মনোজেও এয়া দীঘলীয়াকৈ হামি এৰিছে। বোধহয় তেওঁৰো চকুলৈ তন্দ্ৰালস ভাৱ নামি আহিছে। গতিকে তেওঁ আমনি নাপাওঁতে মই উঠোহে তেওঁ আমনি পোৱাটো মোৰ মনে নসহে। শেষত তোমালৈ অজস্ৰ মৰমেৰে আজিলৈ এৰিছো।

ইতি,

তোমাৰবান্ধৱী

"জ্যোতিৰেখা"

২০ ভাদ, ১৩৯৫ ভাস্কঃ



# —"চোৰ"—

আৰতী পাঠক
স্নাতক ১ম বাৰ্ষিক

"ধৰ ঐ ধৰ, নিলে ঐ নিলে, খেদ খেদ এইফালে; এই ফালে······।" ভীষন গণ্ডগোল। দৌৰাদৌৰি। হৈ-চৈ। প্ৰায় গোটেই গাওঁখনে উজাৰ খাই পৰিছেহি। কাৰোবাক ধৰিব লাগে, মাৰিব লাগে। প্ৰত্যেকেই প্ৰত্যেকক চিঞৰিছে। কোনেও কাৰো কথা শুনা নাই। কেৱল চিঞৰিছে; ধৰিব লাগে, মাৰিব লাগে।

"তই নিজেই দেখিছ জানো ?" কোনোবাই কাৰোবাক সোধাত উত্তৰ আহিল—অঁ। মই খেদি গৈছিলো; পিছে সি ডেগাৰ দেখুওৱাত ভয়তে পিছুৱালোঁ।" "ইমান আন্ধাৰ ৰাতি সিনো কোনফালে গ'ল বাৰু ?" কোনোবাই বৰ কৌতুহলেৰে প্ৰশ্ন কৰা শুনা গ'ল।

পানীৰাম গাওবুঢ়াৰ মতে যদি দীননাথে কোৱাটো সচা তেনেহলে চোৰ ইয়াত নাই। গোটেই সোপা মানুহে এইপিনে আহোঁতে বাৰীৰ পিছফালেদি সি পলাই পত্ৰং দিলে। দীননাথে গাৰ সমস্ত জোৰেৰে চিঞঁৰি উঠিল 'হ'বই নোৱাৰে; মই নিজ চকুৰে দেখিছো। সি বাৰীতে আছে। হয়তো কৰবাত সি নিঃসাৰ হৈ পৰি আছে।"

"ঘেৰাও কৰ; ঘেৰাও কৰ"। পানীৰাম গাওঁবুঢ়াৰ আদেশত আটাইবোৰ মানুহে শাৰী-পাতি চাৰিওফালৰ পৰা বাৰীখন ঘেৰাও কৰিলে।

ঘটনাটো ঘটিল ৰাতি এঘাৰমান বজাতেই। চৰকাৰী পকা আলিটো পাৰ হৈ বাৰিষা আঠুৰনি বোকা আৰু খৰালি ধুলিৰে পূৰ্ণ হোৱা গাঁৱৰ বাটটোৰে কেইখোজমান গলেই তিনি-আলিটোৰ পৰাই গাৱঁত থকা একমাত্ৰ টিনপাতৰ ঘিটোঘৰ চকুত পৰে, সেইটোৱেই ধৰ্মেশ্বৰ মহাজনৰ ঘৰ। চুটি চাপৰ, গাঠোলা, ৰঙাপৰা চকুৰে পেটুৱা মহাজনক দেখি সৰু সৰু লৰা ছোৱালীয়ে নদৌৰি নোৱাৰে। বছৰৰ প্ৰথম মৰণাটো মাৰিবৰ দিনাই বস্তা কেইখন ভাৰী এজনৰ হাতত দি যেতিয়া মহাজন গৈ হাজিৰ হয়, গাৱৰ মানুহে মহাজনক জম যেন দেখে। বুকু হমহমাই যায়। কিন্তু সিহতযে নিৰুপায়। শতকৰা আশীভাগ মানুহে মহাজনৰ মাটিৰ আধি খেতিয়ক। বাকী যি কেইজনৰ নিজা মাটি আছে, সিহঁতৰো প্ৰত্যেকেই কিবা নহয় কিবা উপায়ে মহাজনৰ ওচৰত ধৰুৱা কাজেই উপকাৰীক অজগৰ হৈনো খোটে কোন সতেৰে ? তাতেই নিৰঞ্জন বাপুৱে শাস্ত্ৰৰ ডাঙৰ ডাঙৰ শ্লোক আওঁৰাই ইহজনমৰ ধাৰ অহাজনমত কিমান কষ্টৰে শুজিব লগা হয়, তাক ব্যাখ্যা কৰিলে কাৰোবাক যদি কেতিয়াবা চকু ৰঙা কৰাৰ ইচ্ছা থাকেও নিমিষতে জয় পৰি যায়।

সেই ধৰ্মেশ্বৰ মহাজনৰ ঘৰতেই চোৰ সোমাল। ৰান্ধনী ঘৰত সিন্ধি দি কাঁহী বাচন সোপাই বস্তাত ভৰাই ওলাব খোজোতেই পোহ-নীয়া কুকুৰটোৰ ভুক্ ভুকণিত সাৰ পালে মহাজনে। "চোৰ" চোৰ বুলি মহাজনে অটাহত গগন ফালিলে। গাৱঁৰ সিটো চুৱাৰ ৰজত মেম্বৰৰ চোতালত নাগাৰা নাম ধৰি থকা গোটেই ৰাইজ খনেই উজাৰ মাৰি ধৰিলেহি। কাঁহী বাচনৰ টোপোলা এৰি চোৰেও দৌৰিবলৈ ধৰিলে। কোন ফালে দৌৰিছে কব নোৱাৰে, মাথো দৌৰিছে। দৌৰি দৌৰি চণ্ডীবুঢ়াৰ বাহঁনিত সোমাই পৰিল। ইতিমধ্যে ৰাইজে গোটেই বাৰীখন ঘেৰাও কৰি থাকিল। এটাদলে একালৰ পৰা চাঙ্গি টানি মাছ ধৰাৰ দৰে সকলো মোহাৰি আহি থাকিল। ভয়তে বিবৰ্ণ হৈ চণ্ডীবুঢ়াৰ ভলুকা বাহঁ জোপাৰ তলত পেট পেলাই আত্ম-গোপন কৰি থকা ৰূপেশ্বৰে হাঠাতে সিদ্ধান্ত ললে। ধৰাতো সি পৰিবই। চৌপাশে মানুহ। পলাবৰ উপায় নাই। নিজে নিজে আত্মসমৰ্পন কৰাই মঙ্গল।

"ৰাইজ আহক, আপোনালোকে আৰু কষ্ট কৰিব নেলাগে এয়া মই ৰূপেশ্বৰ, ৰূপেশ্বৰ চোৰ"—ঘপহকৈ থিয় হৈ ৰূপেশ্বৰে চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে—"আহক, মোক বান্ধক পুলিচত দিয়ক, মাৰক। মৰিয়াই মৰিয়াই শেষ কৰক আপত্তি মোৰ মুঠেই নাই। কিন্তু ৰাইজ, মোক মাত্ৰ এবাৰ কথা কব'লৈ সুযোগ দিয়ক।'

"অঁ অঁ! সুযোগ তোক বোপাই কেলেই নিদিম ? দিছোঁৰ '—বুলি ইতিমধ্যে ৰাইজ-খনৰ মাজৰ পৰা মহাজনে দিলেই এটা পূৰ্ণ-হতীয়া চৰ। চণ্ডী, উমা, হেমলাল আদি মহাজনৰ চেলা কেইজনে আৰু বৈ থাকিবনে ? পানীৰাম গাওঁবুঢ়াৰ হস্তক্ষেপত যেনিবা পৰি-স্থিতি কিছু শান্ত হ'ল। ৰাইজে বেঢ়িলৈ ৰূপেশ্বৰক কীৰ্ত্তন ঘৰৰ চোতাল পোৱালেগৈ।

"কচোন ৰূপেশ্বৰ, সেইবাৰ ধীৰেণৰ ঘৰত চুৰি কৰি ধৰা পৰিলি। ৰাইজৰ কেচাকিল আৰু শাওপাত সোপা খোৱাৰ বাহিৰেও পৈতৃক ভেঁটিটোকো বিক্ৰি কৰি ৰাইজৰ ওচৰত আঠু লোৱাত যেনিবা তোক বঙা ঘৰৰ ভাত খুওৱা ন'হল। তোৰ বাপেৰক আমি বৰ সন্মান কৰিছিলোঁ। বৰ বায়নৰ "আপা" তই। তাতেই তই হাইস্কুলতো ছশ্ৰেণী পঢ়িছিলি। এনেস্থলত সেই অভ্যাসটো আকৌ ·····।"

"হেই, তুমিও মানুহ আৰু গাওঁবুঢ়া। ডাক পুৰুষেনো এনেয়ে কৈ গৈছেনে বোলে সেই বোলো "চোৰে নেৰে চোৰ বুদ্ধি কুকুৰে নেৰে ছাঁই, যাৰ যি প্ৰকৃতি মৰিলেহে লগত যায়।' নিৰঞ্জন বাপুৱে গল্ গলীয়া কণ্ঠেৰে কোৱা কথা-খিনি "হয়" "হয়" বুলি সমজুৱাই শলাগিলে।

"এতিয়া তোক আমি ইচ্ছা কৰিলে পুলিচত দিব পাৰোঁ গাওঁবুঢ়াই কবলৈহে পালে

মহাজন জ'কি উঠিল—'দিবপাৰোঁ মানে, দিমেই। দিবই লাগিব। হ'ল বুলিনো এনে এটা গভাইত চোৰক এইখন গাৱঁতে ৰাখিব পাৰিনে ?' 'সজ' 'সজ' বুলি মহাজনৰ কথাখিনি দণ্ডী, উমা, হেমলালহঁতে শলাগিলে।

"ৰাইজ"—নগৰত পঢ়া মহীধৰ মাষ্টৰৰ আপা ৰঞ্জিতে মাত লগালে, "মোক এষাৰ ক'বলৈ দিবনে ?" মহাজনে চকু ঘোপা কৰি কৈ উঠিল "হেৰ, তয়ো হবলা মেলত মাতিব পৰা হ'লি ? নগৰত পঢ়িলে বুলিয়েই গাৱঁৰ ইমান গম্ভীৰ মেলত এই ওঁঠ চেপিলে গাখীৰ ওলোৱাটোৱেনো মাত মাতিব পৰা হ'লনে ? নিৰঞ্জন বাপুৱে মহাজনৰ কথখিনিক শলাগি দণ্ডী, উমা, হেমলালৰ চকুলৈ চালে লগে লগে সিহতে 'হয়' 'হয়' বুলি চিঞঁৰি উঠিল।

'ৰাইজ' গাৰ সমস্ত শক্তিৰে চিঞঁৰি উঠিল ৰঞ্জিতে 'শুনক, মই কবলৈ হলে, যদি জেলত ভৰাব লাগে তেন্তে প্ৰথমেই মহাজনকেই ভৰাব লগিব।"

"কি কলি ? কি কলি হেৰ নাৰকী ? মোক ? হেৰ, তোৰ কোন বাপেৰৰ ঘৰত মই ....." মহাজনে নেজ পকাই ভুকিবলৈ ধৰা কুকুৰৰ দৰে বেসুৰা মাতটোৰে ক'বলৈ ধৰা কথাখিনি শেষ কৰিবলৈ নিদি ৰঞ্জিত, মানিক, হৰিশহঁতে সমস্বৰে চিঞঁৰি উঠিল— 'ৰাইজ শুনক, আমাৰ কথা আপোনালোকে শুনিবই লাগিব।"

নাভূত নাশ্ৰুত কাণ্ড কাৰখানা দেখি সমবেত আটায়ে নিতাল মাৰিলে। চকুত একুৱা জুই লৈ স্ফীত বেশেৰে ৰণ ক্ষেত্ৰলৈ ওলোৱা নিৰ্ভীক সেনাৰদৰে থিয় দি থকা ৰঞ্জিতহঁতে কিনো কয় শুনিবৰ বাবে কান থিয় কৰি ৰ'ল। এইবাৰ একে উশাহে ৰঞ্জিতৰ মুখৰ পৰা বাহিৰ হ'বলৈ ধৰিলে কথাৰ বৰষুণ। "ৰাইজ" আমি ভালদৰেই জানো যে ৰূপেশ্বৰ চোৰ। এবাৰ নহয়, সি দুবাৰ চোৰ কৰি ধৰা পৰিছে কিন্তু মনত পেলাওঁ-কচোন ৰাইজ, যোৱাবাৰ ধীৰেনৰ ঘৰত চোৰ কৰি ধৰা পৰাৰ আগলৈকে এইজন ৰূপেশ্বৰে কৃষ্ণৰ ভাও ন'ললে আপোনালোকে ভাওনা পাতিব পাৰিছিলনে ? ৰজত মেম্বৰৰ ঘৰৰ পৰা নামঘৰলৈ এইহোৱা পথ মেৰামতি কৰাৰ কথা ৰূপেশ্বৰ ন'হলে চিন্তা কৰিব লগীয়াত পৰিছিল নে ? "এহ, হয়, হয়, এতিয়া চোৰৰ গুনানুকীৰ্ত্তন কৰিবলৈ অহা নাই নহয়—" মহাজনে ভগাৰজাৰ দন্তেৰে গেঙেৰি পাতি উঠাত ৰঞ্জিত, মানিক, হৰিশহঁতে আকৌ এবাৰ কোৰাচ টানিলে—'আপুনি মনে মনে থাকক।"

"অথচ ৰাইজ" পুনৰ ৰঞ্জিতে কবলৈ ধৰিলে—'সেই ৰূপেশ্বৰ আজি ৰূপেশ্বৰ - চোৰ হ'ল। কিয় হ'ল ভাবি চাইছেনে ? ৰূপেশ্বৰে ধীৰেন আৰু মহাজনৰ ঘৰত সিন্ধি দিয়া বাবে চোৰ হ'ল ঠিকেই; কিন্তু যিয়ে কাতিমাহৰ আকালত দহ টকা দি আঘোনত এমোন ধান আদায় কৰি আকৌ শাওন ভাদ মাহত কুৰি টকাত বিক্ৰী কৰে সেইজন কি—? চক্ৰবৃদ্ধি হাৰত কাণৰ বা গ'লৰ খিনি কাঢ়ি নিয়াজন কি—? বাপেকৰ শ্ৰাদ্ধৰ ব্ৰাহ্ম ভোজন কৰোৱাই সোণ ৰূপ দান নকৰিলে মৃতকৰ আত্মাই মুক্তি নেপাই



বুলি শাস্ত্ৰৰ দোহাইদি পৈত্ৰিক ভেটিটোও বিকিব লগীয়া কৰোঁতাজন কি ?"

'ৰাইজ, মোৰ ঘৰত সিন্ধি দি হাতে লোতে ধৰা পৰা ৰূপেশ্বৰ চোৰৰ বিচাৰ কৰিবনে নকৰে ?" মহাজনে থিয় দি চিঞঁৰি উঠিল। 'হয়,' 'হয়' বুলি দণ্ডী, উমহঁতেও একোবাৰ চিঞঁৰিলে। পানীৰাম গাওঁবুঢ়াই ৰাইজক শান্ত হৈ কোনোদিন নুশুনা অথচ চিৰ পৰিচিত কথাখিনি ধৈৰ্য্য ধৰি শুনিবলৈ ক'বহে পালে মহাজনে জ'কি উঠিল—'তেন্তে গাওঁ বুঢ়াই মুকলীয়া ল'ৰা কেইটাৰ ফান্দত ভৰি দিলে যেতিয়া আমি আৰু এই মেলত নেথাকোৱেই।' 'নেথাকোৱেই' মহাজনৰ কণ্ঠকে প্ৰতিধ্বনিত কৰি নিৰঞ্জন বাপুৱেও চিঞঁৰি উঠাত দণ্ডীহঁতেও হৈ-চৈ লগাই দিলে। ইতিমধ্যে মহাজন আৰু নিৰঞ্জন বাপু গোঁ-গোৱাই উঠি গ'লেই।

'ৰাইজ' ৰঞ্জিত, মানিকহঁতৰ গৰ্জন শুনি বাকীবোৰে কিহৰ পৰা কি হ'লগৈ একো ধৰিব নোৱাৰি মনে মনে ৰ'ল। "ভালেই হৈছে ৰাইজ, এতিয়া চোৰ ধৰিবৰ হ'ল। গাওঁ ঘেৰাও কৰিবৰ হ'ল। তাৰ আগতে সেইবাৰ ধীৰেনৰ ঘৰত সিন্ধি দি ৰূপেশ্বৰ কেনেকৈ চোৰ হ'ল শুনক।" ধুমুহাৰ গতিৰে বজ্ৰৰ দৰে হুংকাৰেৰে ৰঞ্জিতে কৈ গ'ল 'আপোনালোকতকৈ বহুত সোনকালে ৰূপেশ্বৰে বুজি উঠিছিল নিৰঞ্জন বাপুৰ লগলাগি কেনেকৈ ধৰ্মেশ্বৰ মহাজনে যুগ যুগ ধৰি আমাৰ তেজ শুহি খাই আছে। ৰাইজক জগাৱৰ বাবে ৰূপেশ্বৰে যথেষ্ট চেষ্টা কৰিছিল। কৃষক সভা পাতি কেইবাবাৰো আপোনালোকক বুজাইছিল। আপোনালোকেও বুজিছিল। কিন্তু আগ্নেয়গিৰি উদ্‌গীৰণ হোৱাৰ আগতেই কেনেকৈ ঠাণ্ডা কৰিব লাগে তাক নিৰঞ্জন বাপু বা ধৰ্মেশ্বৰ মহাজনহঁতে ভালকৈ জানে। গতিকেই ধীৰেনক কাতিমহীয়া আকালত নগদ ধন দুকুৰি দি মহাজনে গোপনে বুদ্ধি শিকালে যে সিদিনা ৰাতি সি সাৰে থাকিব আৰু ৰান্ধনী ঘৰত এটা সিন্ধি খান্দি থব। কিন্তু সাৱধান, পিপৰা এটাই গম পালে সি আঘোণত এটাও ধান চপাবলৈ নেপাব। মহাজনে ভাল জানিছিল যে সেইদিনা ৰূপেশ্বৰে কৃষক সভা পাতি ৰাতি দুপৰতহে পানীতোলো গাৱঁৰ পৰা উভতিব। দোভাগ ৰাতি ধীৰেনৰ পদূলি পাইছেহে, মহাজনৰ লেংটি ধৰা হেমলালহঁতে "চোৰ" "চোৰ" বুলি চিঞঁৰিবলৈ ধৰিলে। ঘটনা কি বুজলবলৈ ধীৰেনৰ চোতাল পাওঁতেই ৰূপেশ্বৰক জোৰকৰি সিন্ধি খান্দা মাটিখিনিত খোজ কঢ়াই লৈ বান্ধি থলে। ধীৰেনৰ চিঞঁৰত পাটী এৰি অহা দণ্ডীয়ে নিজ চকুৰে দেখা কথা—ৰূপেশ্বৰ চোৰ।

লাজতে আঠুহুটাত মুৰ গুজি থকা দণ্ডীৰ মুখলৈ সকলোৱে চালে। গভীৰ আন্ধাৰ ফালি হঠাতে বিজুলী চমকি উঠাৰ দৰে দণ্ডীয়েও যেন কিবা বুজি পালে। হাত জোৰকৈ মিনতি ভৰা চাৱনিৰে সি হঠাতে থিয় দি কবলৈ ধৰিলে—'ৰাইজ, ৰঞ্জিত বোপাৰ কথা আখৰে আখৰে সঁচা। মই পাপীয়ে মাত্ৰ দুকুৰি ৰূপৰ মোহত পৰি এনে গোকাট মিছা মাতিছিলোঁ। ৰাইজে শাস্তি দিলেহে মোৰ প্ৰায়শ্চিত্ত হব।

পানীৰাম গাওঁবুঢ়াৰ চকু কপালত উঠিল।

সেই সময়তে উমা আৰু হেমলালেওঁ গাটো লৰক ফৰক কৰি দণ্ডীৰ দৰে ক্ষমা বিছাৰি থিয় হওঁতেই ৰঞ্জিতে আৰম্ভ কৰিলে—'আমি বুজিছো, আপোনালোকৰ দোষ নাই। আত্ম উপলব্ধিৰ দৰে মহৎ সত্য পৃথিৱীত আৰু একো-ৰেই নাই। যাহওক, ৰূপেশ্বৰৰ কথালৈ আহোঁ। আপোনালোকে ৰূপেশ্বৰক দুকুৰি টকাৰ দণ্ড বিহিলে। কিন্তু সি দিব ক'ৰ পৰা? একমাত্র সম্পত্তি পৈতৃক ভেটিটোকে ৰাইজক লিখি দিলে। নহলে সি জেলত পৰিব। তাৰদৰে লাওলোৱা এজনে আদালতত মহাজনৰ বিৰুদ্ধে যুঁজাটো হাতীৰ গালৈ তৰাৰ ফৰ্মুটি দলিওৱাহে হ'ব। সাতে-পাচে পৈতৃক ভে'টি-টোকে দি ৰাইজক সদ্যহতে সন্তুষ্ট কৰি থলে। তাৰ বিশ্বাস আছিল পিছলৈ হলেও দণ্ডীয়ে সচা কথা কব। কিন্তু ৰূপেশ্বৰৰ দৰে অৱস্থা হোৱাৰ ভয়তে দণ্ডীয়ে মুখৰ লেকাম দলিয়াই নেপালালে। ফলত ৰূপেশ্বৰ চোৰ হৈয়ে ৰ'ল।"

"অ কথা তেন্তে সেয়েহে—

"এহ-এহ"

'ছে, ছে, নিৰ্দোষী মানুহ এজনক আমি ইমান লঘু লাঞ্ছনা কৰিলো!" সমজুৱাৰ আটায়ে ইস্ আস্ লগালে। অতি থিয় পাহাৰৰ পৰা যি তীব্র গতিৰে জলপ্রপাত তললৈ পৰে, তেনে এক দুৰ্বাৰ গতিৰে "ফুকলীয়া অঘাইতং" কেইটাৰ নেতা ৰঞ্জিতে কৈ গ'ল অবিৰতভাৱে। "আজি কিন্তু ৰূপেশ্বৰে সচাকৈয়ে চুৰ কৰিবলৈ গৈছিল। তাৰ তিনিদিন আনাহাৰে থকা ল'ৰা-তিৰোতাৰ মুখত একো এটা তুলি দিব নোৱাৰাৰ জ্বালাত। কিন্তু ৰাইজ, ভাবি চাওঁক চোন, ৰূপেশ্বৰ চোৰ হ'ল কিয়? ভোকৰ তাড়নাত সিন্ধি খান্দি কাঁহী বাতি নিলে যদি চোৰ, তেন্তে এটা ভড়াল ছুটা কৰাৰ চিন্তাত সিন্ধি নিদিয়া কাঁহী বাতিটো বাদেই, হাতৰ কাণৰ খিনিও কাঢ়ি নিয়াজন কি? "হয় হয়"—যেনিবা পুৰণি খৰ ডোখোৰতহে কোনোবাই খজুৱাই দিলে। ৰাইজে সমস্বৰে চিঞৰি উঠিল—"হয় হয়"।

"তেনেহলে ৰাইজ, "শুভস্য শীঘ্রম্।" ৰঞ্জিতে পূৰ্ব্বৰ দৰে কবলৈ ধৰিলে—"এতিয়া গাওঁ ঘেৰাও কৰিবলৈ হ'ল চোৰ ধৰিবৰ বাবে। যি চোৰে যুগে যুগে চোৰ কৰিও বিচাৰকৰ গাদীতহে বহে, তেনে চোৰক আৰু এইখন গাঁৱত কিয়, এইখন পৃথিৱীতে থাকিবলৈ দিব নোৱাৰি ৰাইজ উঠিবৰ হ'ল, চোৰ ধৰিবৰ হ'ল। উঠিবৰ হ'ল, ধৰিবৰ হ'ল। হঠাতে ৰাইজৰ আটায়ে সমস্বৰে চিঞৰি থিয় দিলে। "ৰঞ্জিত, মানিকহঁতে পথ দেখুৱাই আগত থিয় হ'ল। সকলোৱে সিহঁতৰ পিছে পিছে আগবাঢ়িল উদ্দাম গতিৰে। এপাল বনৰীয়া হাতীয়ে চিকাৰী মাউতক যেনিবা বিচাৰি ওলাল। উঠিবৰ হ'ল, চোৰ ধৰিবৰ হ'ল—'ৰূপেশ্বৰে লগাই দিয়া কথাফাকি আটায়ে পুনৰ একেলগে আওঁৰাই ক্রমে দৌৰিবলৈ ধৰিলে, মহাজনৰ ঘৰলৈ। দৌৰিছে। সকলোৱে দৌৰিছে। ছুপ্ ছাপ্ দৌৰাৰ শব্দ। সেয়া অদূৰত মহাজনৰ ঘৰ। এইপাল বনৰীয়া হাতীয়ে তালৈকে দৌৰিছে চোৰ ধৰিবৰ বাবে।

"ঘেৰাওঁ" পানীৰাম গাওঁবুঢ়াই চিঞৰি উঠিল।

"চোৰ, চোৰ, ধৰ, ধৰ ······· এইফালে এইফালে"

●●●



# অৰ্দ্ধছায়া

মিছ ৰৌচনাৰা বেগম
স্নাতক ২য় বাৰ্ষিক (কলা)

হস্পিতালৰ ওচৰত হোটেলখনত কমল। নিৰস ভাৱে বহি আছিল। তাৰ মনত বহুত অসংলগ্ন ভাৱৰ ঢৌ। আগবেলাটো শেষ হবৰ হ'ল—অথচ কোনোৱে তেজ বিচাৰি নাহিল। ৰাষ্টাটোৰ কাষতে বিৰিণা-নৰা আদিৰে বন্ধা জুপুৰী ঘৰটোৱেসৈতে হোটেলখন। উচ্চ মৰ্য্যাদা সম্পন্ন কোনো ভদ্রলোকেই সেইখন হোটেলত গ্রাহক হিচাপে নাযায়। চতুৰ্থ শ্রেণীৰ কৰ্মচাৰী, ৰিক্সাবালা, ঠেলাৱালাৰ বাবেহে যেন সেই হোটেলখন। লেতেৰা আলমাৰীটোত কেইটামান বন বিস্কুত আৰু খুৰমা সজাই থৈ দেশোৱালী-টোৱে দু-পইচা বিক্রীৰ আশাত বহি আছে।

উচ্চ মৰ্যাদা সম্পন্ন ব্যক্তিয়ে হোটেলখনত গ্রাহক হিচাপে নগলেও তেজ বিচাৰি যায়। অৱশ্যে নিম্ন মৰ্য্যদা সম্পন্ন বক্তিয়ে যে তালৈ নাযায় তেনে নহয়। যাৰ প্রয়োজন হয় সিয়ে যায়। তেজ বিচাৰি। মানুহৰ তেজ মানুহৰ বাবে মৃত্যুৰ দুৱাৰ দলিত ঠিয় দিয়া ৰোগীৰ বাবে তেজ বিকোতা সকলে এই হোটেল-খনত বহি থাকে।

কমলে চিগাৰেট এটা জ্বলাই ধোৱাখিনি ওপৰলৈ উৰুৱাই দি পকেট খেপিয়াই চালে ৫টা টকা আছে। দিনটো অন্ততঃ চলিব পাৰিব। সি হোটেলৰ বেঞ্চ এখনত ভালকৈ বহি ললে। তাৰ মনত পৰে অতীতৰ বহুত কথা। দুপৰীয়াৰ সূৰ্যটোৰ দৰেই তাৰ অতীতটো। সি চালৰ জলঙাইদি সূৰ্যটোলৈ চায় ৰয়। সূৰ্য্যটো তাৰ ঘুব ভাল লাগি যায়। সি তন্ময় হৈ ৰয়। তাৰ মনত পৰে কলেজৰ পাঠ্যপুথিত পঢ়া হীৰেণ ভট্টাচাৰ্য্যৰ কবিতা—'মোক ৰাতিটোৰ বাবে/ওভটাই দিয়া মোৰ ল'ৰালি/আইৰ কোলাত আকৌ এবেলি শুম/লাই হালেজালে আবেলি বতাহে ·······। ভাৱী প্রিয়তমালৈ দিয়া চিঠিখনলৈ তাৰ মনত চিঠিখনত লিখা ভাষাবোৰলৈও তাৰ মনত পৰে। "বাস্তৱিকতে তোমাৰ সৈতে মোৰ এক আত্মিক সম্পৰ্ক স্থাপন হৈ গৈছে। তোমাৰ আচৰ-ব্যৱহাৰে, তোমাৰ সন্দৰ্ষ্যাই মোৰ মনত দকৈ সাচ বহুৱাইছে। সেয়ে মই তোমাক খুব ভাল পাওঁ।" কমলে এইবোৰ সোঁৱৰণ কৰি

বেঞ্চখনত বহিয়ে আছিল।

দুই বাজি কুৰি মিনিটমান যোৱাৰ পাছত কোনো এক ভদ্ৰ-লোকে হোটেলখনত থিয় হৈ কলে—ইয়াত তেজ বিকোতা কোনোবা আছে নেকি? কমলে উছৰ খাই উত্তৰ দিলে হয় আছো।

— কিমান ছিছি (cc) দিব পাৰিব?

—সৰ্ব্বাধিক তিনি ছি ছি লৈ

—তাতোকৈ বেছি?

—নোৱাৰিম। যোৱা কালিও বিক্ৰী কৰিছিলো।

—মোৰ পাচ ছি ছিৰ দৰ্কাৰ হৈছে।

— আপুনি ব্লাড বেঙ্কত খবৰ কৰিছেনে?

— কৰিছিলো। তাত নাই হেনো।

—তিনি ছি ছি যদি লাগে মই দিওঁ। সোনকাল কৰক।

—তিনি ছি ছিত কিমান টকা লাগিব।

—টকাৰ কথা পাছত। আগতে তেজৰ গ্ৰুপ মিলেনে নাই চাই লওঁ।

ৰোগীৰ লগত তেজৰ গ্ৰুপ মিলাত কমলে উপযুক্ত মূল্যত তিনি ছি ছি বিক্ৰী কৰিলে। ডাক্তৰে আৰু দুই ছি ছি দিবলৈ কৈছিল। সি নিদিলে। তাৰ দেহটো লৈতো চাব লাগিব। সি ভদ্ৰলোক জনৰ পৰা টকা খিনি লৈ ৰোগীজনীক চাব গ'ল। তেজ কিনোতা ৰোগীৰ খবৰ সি আগে-পিছেও লয়। খবৰ লোৱাতো সি কৰ্ত্তব্য বুলি ভাবে। তেজ কিনোতা ৰোগীজনৰ খবৰ লবলৈ বুলি ছাৰ্জিকেল ইউনিটৰ ৮ নং ৰুমটোত প্ৰবেশ কৰিলে। ৰোগীজনীক দেখাৰ লগে লগে তাৰ মূৰটো আচন্দ্ৰাই কৰি পেলালে। দেহৰ পৰা তেজ উলিয়াই নিওতে আচন্দ্ৰাই কৰা নাছিল। কিন্তু ৰোগীজনীক দেখাৰ লগে লগে তাৰ মূৰ আচন্দ্ৰাই কৰিলে। সি বেহুচ হৈ পৰি গ'ল। সেৱিকাই তাক বাহিৰলৈ উলিয়াই নিলে। ভদ্ৰলোকজনে ভাবিলে সি তেজ দিয়া বাবে বেহুচ হ'ল। কিন্তু বেহুচ হোৱাৰ প্ৰকৃত কাৰণ কোনেও নাজানিলে। ইতিমধ্যে হস্পিতালৰ ৮ নং ৰুমটোত মৃদু হুলস্থুলৰ সৃষ্টি হৈছিল। ৰোগীয়ে কপা-কপা মাতেৰে কি হৈছে সুধিছিল। কাষত থকা সেৱিকাই উত্তৰ দিছিল তেজ দিয়া ডেকাজনে আপোনাক চাব আহোতে বেহুচ হৈ পৰি গৈছিল। ৰোগীজনীয়ে ভাবিছিল মোক-কোন ডেকাইনো তেজ দিলে। অতীতৰ কথাবোৰ তেতিয়া তাইৰ মনত পৰা নাছিল।

কমলক বাৰান্দাত থকা চিট এটাত ভৰ্ত্তি কৰোৱা হৈছিল সি কিছুসময় পাছত সামান্য জ্ঞান ফিৰাই পালে। তেতিয়া সন্ধ্যা হৈছিল। বিজুলী চাকিবোৰ জ্বলি উঠিছিল। সি কিন্তু আন্ধাৰতে আছিল। সি থকা চিটটোত বিজুলী চাকি নাই। তাৰ ৮ বছৰ আগৰ পুৰণি ৰোগটোৱে আকৌ উজান দিলে। অসহ্য যন্ত্ৰনাত তাৰ বুকুখন কপি উঠিল।

৮ বছৰ আগতেই সি কৃষ্ণাক লগ পাইছিল—কলেজত সি কৃষ্ণাৰ প্ৰেমত পৰিছিল। কৃষ্ণালৈ সি প্ৰস্তাৱ পঠিয়াইছিল। কিন্তু সেয়া কৃষ্ণাই অগ্ৰাহ্য কৰিছিল। বন্ধুবোৰে তাক কৈছিল কৃষ্ণাই তোমাক ভাল নোপোৱাৰ মাত্ৰ দুটা কাৰণ-তুমি দুখীয়া ঘৰৰ সন্তান তুমি



ক'লা বিভাগৰ ছাত্ৰ। তুমি যদি ধনী ঘৰৰ হ'লাহেতেন নতুবা তুমি যদি অভিযান্ত্ৰিক মহাবিদ্যালয় বা চিকিৎসা-মহাবিদ্যালয়ৰ ছাত্ৰ হলাহেতেন, তেন্তে তাইতো তোমাক ভাল পালেহেতেন। কমলে বন্ধুবোৰৰ কথা বুজিবলৈ টান পায়। সি জানে প্ৰেমে ধনী দুখীয়া নিবিচাৰে-মাত্ৰ বিচাৰে নিভাজ হৃদয়ৰ মৰম, প্ৰতিদান আৰু কিবা কিবি.........। কমলে খাওঁতে-শুওতে, উঠোতে-বহোতে, কিতাপে কাগজে কৃষ্ণাকে দেখিছিল। তাইৰ মন পৰিবৰ্ত্তন হব বুলি সি আশা কৰিছিল। কিন্তু তাইৰ মন পৰিবৰ্ত্তন হোৱা নাছিল। এটা সময়ত কমলে কলেজ এৰি গাৱঁলৈ শূন্য হৃদয়েৰে ওভতি গৈছিল। ঘৰত গৈ তাৰ ক'তো মন নবহা হৈছিল। সি কিছুমান অদ্ভুত সংকল্প লৈছিল।

সঁহাৰি নিদিয়া তাৰ জীৱনটোত সি পদে পদে সংঘাতৰ সন্মুখীন হৈছিল। তাৰ চাকৰি এটাও যোগাৰ হোৱা নাছিল। সি চিৰকুমাৰ ব্ৰত পালন কৰিছিল। কালৰ পাকচক্ৰত সি তাৰ দেহৰ তেজ বিক্ৰী কৰিব লগীয়াত পৰিছিল। সি কোনো দিনে ভবা নাছিল সি যে কৃষ্ণাৰ বাবেও তেজ বিক্ৰী কৰিব লাগিব। ৰোগী হিচাপে শুই থকা কৃষ্ণাৰ মুখখন দেখাৰ লগে লগে কমল বেহুচ হৈ গৈছিল।

কমলে ৯ মান বজাত সম্পূৰ্ণ জ্ঞান ঘুৰাই পোৱাৰ পাছত বিছনাৰ পৰা উঠি বহিল। পকেটৰ পৰা টকাখিনি উলিয়াই হাতত লৈ হাতত সাৰে—ভৰিত সাৰে ৮ নং ৰুমটোত প্ৰবেশ কৰি টকা খিনি কৃষ্ণাৰ কাষত থ'লে। কৃষ্ণাক দিয়া তেজৰ বিনিময়ত সি টকা খিনি নাৰাখিলে। তাইৰ টকা ৰাখিবলৈ বিবেকে বাধা দিলে। সি টকা খিনি কৃষ্ণাৰ কাষত থৈ হস্পিতালৰ পৰা নিঃশব্দে ওলাই আহিল।

তেতিয়া আকাশত জোন আছিল। মেঘে জোনটোক ঢাকি ৰখিছিল। উইচিৰিঙা আৰু জিলিয়ে জি জি কৈ চিঞৰি আছিল। কমলে জোনটোলৈ চাই আত্মহত্যা নকৰিবলৈ সিদ্ধান্ত ললে। সি জীৱনৰ সতে সংগ্ৰাম কৰি যাব অবিৰত সংগ্ৰাম। তাৰ কৰ নোৱাৰাকৈয়ে চিঞৰি দিয়া গ'ল—"যদি প্ৰশ্ন কৰা হয়-জীৱনে মোক কি শিকালে তেন্তে উত্তৰ দিম-ই তাৰ পৰিনতি।" তাৰ চিঞৰত ৰোগীবোৰে সাৰ পাইছিল। সম্ভৱতঃ কৃষ্ণাও।

হস্পিতালৰ গাৰ্ডবোৰেও ভাবিছিল-বাহিৰত পাগলে চিঞৰিছে।



# সমাধি আৰু ফুল

অপূৰ্ব কুমাৰ ডেকা
স্নাতক কলা (১ম বৰ্ষ)

ৰামীয়ে কান্দিবলৈ এৰা নাই। বোধনৰ মৃত্যু হ'বৰ চাৰি পাচ ঘণ্টা হৈ গ'ল। এদিনৰ জ্বৰতে মানুহটো ঢুকাই থাকিল। ওচ চুবুৰীয়াই তাইৰ হাঐ, বিঐখন শুনিয়ে লৰি আহিছিল। অৱস্থা সম্পন্ন নহলেও মানুহখিনিৰ মাজৰ পৰা মানবীয় গুণলুপ্ত হোৱা নাছিল। আটাই বোৰেই দিন মজুৰী কৰি খোৱা লোক। কোনোবাটোৱে ৰিক্সা চলায়, কাৰোবাৰ ঠেলা। ৰাতিপুৱাই ৰাজপথ নাপালে তাহাঁতৰ আখলত জুই নজ্বলে।

জানকী বুঢ়ী ওচৰ চাপি আহিল। চকুৰ কোণ দুটা তাইৰ সেমেকি আছে। বোধনক তাই সৰুৰে পৰাই পাইছে। একেখন চোতাল। একেবাৰে নিজৰ ল'ৰাৰ দৰে। ৰামীক মৃতদেহটোৰ পৰা আতৰাই আনিবলৈ চেষ্টা কৰিলে। "মৰা মানুহ কেতিয়াও জী নুঠে' মৰা জনৰ লগত জীয়াই থকা বিলাক মাৰিবলৈ ওলোৱাটো মূৰ্খামীহে।"—জানকীৰ বুজনিতো ৰামী শান্ত ন'হল। বোধনৰ মৃতদেহটো সাৱতি কান্দিবলৈহে ধৰিলে।

জগত বুঢ়াও হাতৰ লাখুটীডালত কোনোমতে ভৰদি ওচৰলৈ আহিল। পকা দাড়িৰে ভৰ্ত্তি মুখখন। হয়তো বহুদিন গা-নোধোৱাৰ ফলত গাৰ পৰা ভেকেটা-ভেকেটা গোন্ধ এটা ওলাইছে। দাড়িবোৰ হালধীয়া পৰিছে। জগত বুঢ়া চুবুৰীটোৰ ঘাই খুটা হেন। আটায়ে বুঢ়াক মানে। ইতিমধ্যে ডেকা ল'ৰাখিনি অসহ্য হৈ উঠিছে। মৰা মানুহ এটাৰ লগত দিনটো খেদাব নোৱাৰি। বুঢ়াই আটাইকে শান্ত হবলৈ কৈ ৰামীক বুজাবলৈ ধৰিলে।

এই বুঢ়া দেহেৰে কিমান জোৱান ল'ৰাক চিতাত তুলিলো, কিমান জোৱান ল'ৰাক পুৰিলো। কিমান বাচ্চা ল'ৰা দলিয়ালো— তোকহে এনে অবুজ দেখিলো। হেৰৌ বোধন মৰিল! সি আৰু তোক চুমা দিবলৈ উঠি নাহে।" ওহো ৰামী নিৰ্বিকাৰ। কোনো কথাই কোনো গালিয়ে তাইক শান্ত কৰিব পৰা নাই। বোধনক তাই জীয়াব। তাইৰ সতীত্বৰ বলত, তাইৰ প্ৰেমৰ প্ৰৱিত্ৰতাৰ বলত বোধনক তাই জীয়াই তুলিব। নাথাই ন'লৈ নহলে তায়ো মৰণকে সাৱতি ল'ব।

মানুহখিনি অৱশেষত অতীষ্ঠ হৈ পৰিল। পাগলীৰ লগত গোটেই মখাটো পাগল হ'ব নোৱাৰি সকলো আবেগ, সকলো যুক্তিতকৈ বাস্তৱ সদায় নিষ্ঠুৰ। ইয়াকটো উলাই কৰিব নোৱাৰি। ৰাজপথলৈ নোলালে তাহাঁতৰ যে লঘোণ! হচ্‌লাল, বীৰজু, মনো, পাকে, নন্দ ধীৰু আটাইবোৰ গুচি আহিল। পাগলীৰ জক্ কমিলে পিচবেলা ঠেলাত নি হলেও শ্মাশানত তাক থৈ আহিব লাগিব। ভোৰ, ভোৰাই আটাইমখা ৰামীৰ চোতাল এৰি দিহা দিহি গলগৈ।

"ইস্ ইমীন একেবাৰে সতী ওলাইছে! বিয়াৰ আগতে বা কেইটা গিৰিয়েকৰ বুকুত জিৰণি লৈছিল! বৰ ৰূপহীটো! চাওচোন, কেনেকৈ চলে?"—বীৰজুৰ খাটাং কথা।

এসময়ত ৰামীৰ চোতাল খালী হৈ গ'ল। জগত বুঢ়াও কাঁহি কাঁহি ওলাই আহিল। মাথোন নাকে মুখে শেঞ্জুৰেৰে একাকাৰ হৈ থকা নঙঠা ল'ৰা-ছোৱালী কেইটামানে অবাক বিষ্ময়েৰে ৰামী আৰু বোধনলৈ চাই আছে। সিহঁতৰ দৃষ্টিত এক অনামী কৌতুহল। এক অসহজ চাঁৱনি। ৰামীৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই। বোধনৰ মুৰটো কোলাত লৈ তাই একেথৰে তাৰ চকু দুটালৈ চাই আছে। মাজে মাজে উচুপিছে। মুখৰ ভিতৰতে কিবা কিবি কৈ কপালখন তাৰ পিহি দিছে। উচুপনিত অসংযত হৈ পৰা কাপোৰখিনিও ঠিক কৰি লোৱা নাই।

কথাটো জগৰুৰ কাণত পৰিলগৈ। এনে এটা সুবৰ্ণ সুযোগ এৰি দিব নোৱাৰি। তাৰ ব্যৱসায়টোও কেইদিনমান ধৰি ভাল চলা নাই। সেইদিনা ডাক্তৰে লগপাই কৈছে। হস্পিতাল খনত মৃতদেহৰ চাহিদা বেছি। নতুনকৈ আৰু দুটা শ্ৰেণী আৰম্ভ হৈছে। আনপিনে তালুকদাৰ, মাথুৰ, ডেকাবৰুৱা ডাক্তৰ সকলৰ গৱেষণা আছেই। জগৰুৰ সেইবোৰ চাবলগা নহয়। মানুহৰ মৃতদেহ 'চাপ্লাই' দিয়াই তাৰ ব্যৱসায়। তাক লাগে মাথোন টকা। বোধন ডেকা ল'ৰা। তাৰ মৃতদেহটো দিব পাৰিলে কেইটা মান টকা পাব। যিকোনো বুধিৰে কাম হাচিল কৰিবই লাগিব। জগৰু সাজি কাচি ওলাল। হাতত কেইটামান টকা লবলৈ হলে সি পাহৰা নাই। জগৰু বোধনৰ ঘৰ পালেগৈ। ৰান্ধনী বেলি তেতিয়া অস্তাচলত। ৰামীক তেনে অৱস্থাত দেখি জগৰুৰো মন কুমলিল। ঠিক যেন ভূমিকম্প বিধ্বাস্ত অঞ্চলৰ একমাত্ৰ পজ'টোত জীয়াই থকা মানুহ গৰাকী! গোটেইখন প্ৰায় আন্ধাৰ চোতালৰ এচুকত চাকি এগছি জ্বলি আছে। তাৰ টিমিক্ টামাক্ পোহৰত থুপখাই থকা এন্ধাৰবোৰ আতৰি যোৱা নাই। আউলী-বাউলী চুলিৰে, অসংযত বেশ ভূষাৰে ৰামীক কেনেবা কেনেবা লাগিছিল। জগৰু চুচুক্-চামাক্কৈ পৰি থকা মৃতদেহটোৰ ওচৰলৈ আহিল। কিছুসময় তাইৰ ওচৰত থিয়দি ৰ'ল সি। যিটো সাহসত, যিটো উদ্দেশ্য পূৰণ কৰিম বুলি সি ওলাই আহিছিল, এতিয়া কিন্তু সিমান সাহসী হব নোৱাৰিলে।

'ৰামী, এনেকৈ থাকিলে হবনে? সাজলাগি ভাগিবৰো হ'ল। মৃতকৰ লগত এনেকৈ দুখ কৰি জীয়াই জীয়াই ম'ৰাটো উচিত নহয়।"—জগৰুৰ কথাত ৰামীয়ে মুৰতুলি চালে নিস্তেজ চকুহালৰ কোণত অশ্ৰু বিৰিঙি আছে। ক'ব নোৱাৰাকৈয়ে তাই গাৰ চাদৰখন টানি টুলি ল'লে। আন কোনো ওয় বাক্তিক কোৱাৰ দৰে তাই স্বগতোক্তি কৰি উঠিল।

'অইনে কি বুজিব! কিমান বুকুৰ মৰমেৰে বোধনে মোক আৱৰি ৰাখিছিল। যাৰ জীৱন মাথো মোৰ বাবেই ‥ ‥। মোৰ বাবেই এজোৰ ভাল পোছাক আনিদিবৰ বাবেই বৰষুণত তিতি বুৰি পৰিশ্ৰম কৰিয়ে মৰণক সাৱতি ললে। মই আৰু জীয়াই নাথাকো। বোধনৰ লগতে নেখাই নলৈ মৰিম।"—শেহলৈ তাইৰ মাতটো

থোকাথুকি হৈ, কান্দি পেলালে।
‘প্ৰেম-প্ৰীতি, দয়া কৰুণা, ভাই-ভনী, পিতা, মাতা, স্বামী, স্ত্ৰী সম্পৰ্ক থকা বাবেই দুনীয়াখন চলি আছে। মৃত্যুকটো ৰোধিব নোৱাৰি। কালৰ হাতত সকলো সমান। তাকে লৈ দুখ কৰি থকাটো অনুচিত। এতিয়া জীৱিত সকল জীয়াই থকাৰ ব্যৱস্থা হব লাগে।”—জগৰুৰ কথা শেষ নহলেই ৰামীয়ে চেঁপা কান্দোনেৰে কিবা যেন ক’লে। সি কিন্তু বুজি নাপালে।

কোনো বুজনিয়ে ৰামীক টলাব নোৱাৰাত জগৰু চিন্তিত হ’ল। অৱশেষত সি শেষ অস্ত্ৰ পাতকে প্ৰয়োগ কৰাৰ কথা ভাবিলে।


“চা, ৰামী, তোৰ কথাত মই বাধা নিদিও। ইপিনে নিশাও হৈ আহিব ধৰিছে। বীৰজু, নন্দে, ধনে হঁত খঙকৰি গুচি গ’ল। সিহঁত আৰু ফিৰি নাহে। মদৰ গোলাত বহিলে চাগে। মোৰ কথা বিশ্বাস কৰ, নকৰ তোৰ কথা। ঈশ্বৰ বোলা বস্তু এটা আছে। তই বোধনৰ যোগ্য পত্নী। সচাঁয়ে তোৰ প্ৰেম সত্য। বোধনে মোক তাৰ মনৰ ইচ্ছা এটাৰ কথা কৈছিল, হস্পিতেলৰ চকীদাৰৰ চাকৰিটো নোপোৱাত দুখতে কৈছিল’—মৰাৰ পাচত যেন তাৰ মৃতদেহটো হস্পিতালত দি দিয়ে। মৰিহলেও সি এটা উপকাৰ কৰি যাব। তাকেহে ক’লো। মৃতকৰ মনৰ ইচ্ছা সতী তিৰোতাই পালন নকৰাকৈ নাথাকে।”—একেবাহে কথাখিনি কৈ জগৰু চোতালৰ এচুকত জ্বলি থকা মাটিৰ চাকি গছিলৈ চাই ৰ’ল।

শিখাৰ তীব্ৰতা লাহে লাহে কমি আহিছে। হয়তো চাকিগছিৰ তেল শেষ হওঁ হওঁ। চুৰিয়াখনৰ আগটো টানমাৰি আনি চকু কেইটা মোহাৰি ললে।

ৰামী বহুত সময় মৌন হৈ ৰ’ল। মনলৈ অহা বহুতো প্ৰশ্নৰ সমাধান তাই নিজে নিজে কৰিছে। বন্তিগছি এবাৰ ভমক্কৈ জ্বলি উঠি নুমাই থাকিল। ক্ৰমে গভীৰ হৈ অহা নিশাৰ অন্ধকাৰ খিনিলৈ তাই দৃষ্টি দি পঠিয়ালে। লাহে লাহে তাই থিয় দিলে। অস্ ইমান দুৰ্ব্বল। মূৰ ঘুৰাই যেন পৰি যাব। এবা যোৱা কালিৰে পৰাই পেটত একো এটা পৰা নাই। তাতে কমখন কান্দিলেনে। পেটৰ ভিতৰত কুওঁ কাওঁং’ শব্দ কৰি উঠিল। পেটৰ ভোকে জানো দুখ-শোক বুজি পায়। নামি যোৱা চাদৰখন টানি টুলি লব ধৰোতে তাইৰ হাতখন নিজৰ বুকুখনতে লাগিল। যৌৱনৰ পৰিপুষ্টতাৰ স্পৰ্শানুভূতিয়ে তাইক যেন জোকাৰি দিলে। নিজকে তাইৰ মৰিশালীত থকা যেন লাগিল। ঘৰটোৰ একমাত্ৰ বাহৰ দুৱাৰখন ঠেলি তাই ভিতৰ সোমাই গ’ল। বোধন বুলি চিঞৰি তাই উচুপি উঠিল।

জগৰু নিৰ্বাক। সি ভবা মতেই ঘটি যোৱাত সন্তোষ পালে। ৰাতিপুৱাৰ সুৰুযৰ পোহৰ পেলাবলৈ (পৰিবলৈ) বোধনৰ মৃতদেহ থকা ঠাইখিনি খালী হৈ পৰি ৰ’ল। জগৰুৱে অৱশ্যে জানকী বুঢ়ীৰ হাতত টকা আঢ়ৈকুৰি দিবলৈ নাপাহৰিলে।





আমাৰ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰধান অধ্যাপক তথা এন, চি, চি অফিচাৰ কেপ্তেন বিমল কৃষ্ণ ভট্টাচাৰ্য্যই “Studies of the Atharvaveda with particular reference to Non-Secular hymns’ নামৰ অথৰ্ববেদৰ ওপৰত লিখা গবেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এই বেলি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ডঃ ভট্টাচাৰ্য্য মহাশয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক ডঃ ভবেন্দ্ৰ নাথ হাজৰিকাৰ তলত গবেষণা কৰিছিল। বিহাৰৰ দ্বাৰভাঙ্গা সংস্কৃত বিশ্ববিদ্যালয়ৰ ডঃ বিধাতা মিশ্ৰ আৰু লক্ষ্নৌ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰধান অধ্যাপক ডঃ এচ. এচ. মিশ্ৰ আমাৰ শ্ৰদ্ধেয় ভট্টাচাৰ্য্য চাৰৰ গবেষণা গ্ৰন্থৰ পৰীক্ষক আছিল। উভয়ে আমাৰ চাৰৰ লিখনীক ভূয়সী প্ৰশংসা কৰিছে। ●




বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
মঃ আফজাল আলী
স্নাতক :মবাৰ্ষিক (কলা)



বছৰৰ শ্ৰেষ্ঠা গায়ীকা
শ্ৰীমতী অঞ্জলী দেৱী
২য় বাৰ্ষিক (কলা) স্নাতক



মঃ মজবুল আলী
বছৰৰ শ্ৰেষ্ঠ সমাজসেৱক
২য় বাৰ্ষিক হায়াৰ-
ছেকেণ্ডাৰী (বিজ্ঞান)




শ্ৰীমতী মঞ্জু বড়ো
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ
২য় বাৰ্ষিক (কলা)
হায়াৰ ছেকেণ্ডাৰী

মহাবিদ্যালয় সপ্তাহৰ একাংকিকা নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল


নাটক—"আৰ্ত্তনাদ"

পৰিচালনা—হিৰেণ কলিতা




ক্ৰমে সোঁফালৰ পৰা—
সঞ্জীব ভাগৱতী, ৰুমি কলিতা, (বানি বন্ধন), শ্ৰীদশৰথ কলিতা, শ্ৰীহিৰেণ কলিতা, শ্ৰীঅতুল কলিতা । ফটোত দেখা নগল-কৰিমউদ্দিন চৌধুৰী, শুকৰাম কলিতা, পৰেশ দাস আৰু নীৰেন শালৈ ।

ৰঙিয়া মহাবিদ্যালয়ৰ পৰা পূব কামৰূপ মহাবিদ্যালয়লৈ যোৱা সমাজ সেৱাৰ দলটি



শ্ৰীৰমেশ পাটোৱাৰী, শ্ৰীলীখন শৰ্মা, শ্ৰীদশৰথ কলিতা, শ্ৰীদি পেন লহকৰ, শ্ৰীদীপক ডেকা। ( ফটোত দেখা ন'গল )।



গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি থকা অৱস্থাত



# ১৯৮৭-৮৮ চনৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্থিত্ব ৰক্ষা আন্দোলনত প্ৰানাহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ বীৰ সকললৈ শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি জ্ঞাপন কৰিলোঁ। লগতে ৰঙিয়া মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ ওলগ আৰু শুভেচ্ছা জনালোঁ।

১৯৮৭-৮৮ চনৰ বাবে মোক ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰি যি গুৰু দায়িত্ব পালন কৰিবলৈ দিলে সেয়া মোৰ দ্বাৰা কিমান দূৰ দায়িত্ব পালন কৰা হ'ল সেইটো পৰৱৰ্ত্তী ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলে বিছাৰ কৰিব।

আমাৰ কাৰ্য্যকালৰ সময় চোৱাত মহাবিদ্যালয়ৰ উন্নতি কল্পে বিভিন্ন দাবী দবা কৰ্ত্তৃপক্ষক প্ৰদান কৰা হৈছিল। সেইবোৰ কৰ্ত্তৃপক্ষৰ অবহেলাৰ বাবে হৈ নুঠিলেওঁ কিঞ্চিং হলেওঁ হৈছে বুলি মোৰ মনে কয়। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটোৰ উন্নতি কল্পে Gas planৰ বাবে ছাত্ৰ সন্থাৰ সাধাৰণ পূজিৰ পৰা নগদ ১৫০০০-০০ ( পোন্ধৰ ) হাজাৰ টকা কৰ্ত্তৃপক্ষলৈ প্ৰদান কৰা হয়। মই আশা কৰোঁ যে, কৰ্ত্তৃপক্ষই ইয়াক সৎপথত ব্যৱহাৰ কৰি আমাৰ দুখীয়া বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপকাৰ সাধিব। মহাবিদ্যালয়ে এই ১৯৮৮ চনৰ ৫ আগষ্টত ২৫ বছৰ কাল অতিবাহিত কৰিব। এই ২৫ টা বছৰ আমি কম সময় বুলি কব নোৱাৰোঁ। এই ২৫ টা বছৰটোত মহাবিদ্যালয়ে কিমান দূৰ সময়ৰ সোঁতত খোজ দিব পাৰিছে সেয়া ৰঙিয়াৰ ৰাইজৰ বিচাৰ্য্যৰ বিষয়।

মহাবিদ্যালয়ৰ কলা ( Arts ) বিভাগটো এতিয়াও পূৰ্ণাঙ্গ ৰূপ ধাৰণ কৰিব পৰা নাই। এতিয়াওঁ ইংৰাজী বিভাগ, দৰ্শন বিভাগ আৰু সংস্কৃত বিভাগটোত অতিৰিক্ত বিভাগ সন্নিবিষ্ট কৰিব পৰা নাই। এইটো এক কৰ্ত্তৃপক্ষৰ চৰম অবহেলাৰ ফল বুলি আমি কব পাৰোঁ। আমি তথা মই আশা কৰোঁ, কৰ্ত্তৃপক্ষই ইয়াৰ যথোচিত ব্যৱস্থা লব।

মহাবিদ্যালয়ৰ অধ্যাক্ষজন বহু বিতৰ্কৰ ফলত যথা স্থান লাভ কৰিলে। আনহাতে আকৌ এতিয়া উপাধ্যাক্ষৰ পদটিৰ বাবেও সেই একেটা ঘটনাই পৰিস্ফুত হৈছে। সঁচাকৈ ছাত্ৰ সমাজৰ বাবে ই এক চৰম লজ্জাজনক ঘটন। এখন মহান শিক্ষাৰ অনুষ্ঠানত এইটো ঘটিবই

নালাগিছিল। সেয়া ছাত্ৰ-ছাত্ৰী সমাজৰে দুৰ্ভাগ্য বুলি আমি কব লাগিব। আমি যোগ্য জনক বঞ্চিত কৰা নীতিকে সদায় মানি আহিছোঁ। নহলেনো সেয়া কেনেকৈ হব পায়! মহাবিদ্যয়ালৰ আন আন দাবীবোৰৰ কথা মই উল্লেখ নকৰোঁ। মই কেৱল আশা কৰোঁ যে, কৰ্তৃপক্ষই 'মই'বোৰ এৰক আৰু মহাবিদ্যালয়ৰ উন্নতিৰ কাম কৰি যাওঁক।

বঙিয়া মহাবিদ্যালয় উত্তৰ পূৱ কামৰূপৰ একমাত্ৰ শিক্ষাৰ অনুষ্ঠান। বৰ্ত্তমান সময়তো মহাবিদ্যালয়ত দূৰ-দূৰণীৰ ছাত্ৰ-ছাত্ৰী আহি থাকিবৰ বাবে ছাত্ৰাবাস নাই। যি দুটা আছে সেয়াও জনজাতি ছাত্ৰ-ছাত্ৰী সকলৰ বাবে নিৰ্মিত আছিল। তাতো নিৰাপত্তাৰ অভাৱত কোনেও থাকিব নোৱাৰে। আমি আশা কৰোঁ কৰ্তৃপক্ষই ইয়াৰ উন্নতিৰ বাবে ব্যৱস্থা লব। বৰ্ত্তমান বিজ্ঞান শাখাটো কাৰ্য্যকৰী কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পালে। সেই হিচাপে শ্ৰেণী কোঠাৰ অভাৱ। যদি এইবোৰ শ্ৰেণী কোঠাৰ অভাৱ হৈ থাকে তেতিয়া হলে আমি বিজ্ঞানৰ ভাল ফল আশা কৰিব নোৱাৰিম। সেয়েহে কৰ্তৃপক্ষই শৃংখলাবদ্ধ ভাবে আগতীয়া পৰিকল্পনা ৰচনা কৰি চৰকাৰৰ লগত হেচা প্ৰয়োগ কৰিব লাগিব।

মহাবিদ্যালয়খনত দূৰ-দূৰণীৰ গাওঁৰ দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে পঢ়িব আহে। তেওঁলোকৰ বাবে মহাবিদ্যালয়ত থকা পুথিভঁৰালৰ পাঠ্য পুথিবোৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুযায়ী যথেষ্ট নহয়। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ চাহিদা কিতাপে পূৰণ কৰিব পৰা নাই।

বিশেষকৈ সংস্কৃত বিভাগৰ কিতাপ তেনেই সীমিত। তাৰোপৰি সংস্কৃত কিতাপবোৰ দুঃস্প্ৰাপ্য। সেয়ে আমি আশা কৰো কৰ্ত্তৃপক্ষই দুখীয়া ছাত্ৰ-ছাত্ৰী সকললৈ লক্ষ্য ৰাখি ইয়াৰ বিহিত ব্যৱস্থা লব। যি কাৰণে ছাত্ৰ-ছাত্ৰী সকলেই মহাবিদ্যালয় খনৰ সম্পদ।

মহাবিদ্যালয়টোৰ উন্নতিৰ কাম কৰাৰ বাবে একবছৰ সময় তেনেই কম। তথাপি ইয়াৰ মাজতে যদি কিবা অলপ কৰিব পাৰিছো তেতিয়া হলে ধন্য হম। সাধাৰণ সম্পাদক হৈ থকা সময় চোৰাত যথেষ্ট বন্ধু-বান্ধৱী সকলৰ সহায় সহযোগিতা পাইছোঁ। বন্ধু-বান্ধৱী সকল আছিল লীলা, জয়নুৰ, ৰফিক, সতোন্দ্ৰ, হৰেকৃষ্ণ, অজিত, কৰুণা, মুনীন, সনাতন, মইনুল, (দুলু) আফজাল, নিকুঞ্জ, ৰমেন, অনুৰূপা, কৰিমা, ললিতা, মীনা, জোনালী, ৰুমা আৰু বহুতো। এই সকলৰ মোৰ প্ৰতি যি মৰম চেনেহ মই তাক কেনেকৈ প্ৰকাশ কৰিম। সেয়ে মই মোৰ আন্তৰিক মৰম চেনেহবোৰ আজিৰ এই সন্ধিক্ষণত স্মৰণ কৰিছোঁ।

মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ পৰাওঁ যথেষ্ট সহায়-সহযোগিতা আৰু মৰম চেনেহ পাইছিলোঁ। এই সকলোবোৰৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ ঋণী। প্ৰতিবেদনৰ সদৌ শেষত মোৰ অজানিতে ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাই আজিলৈ সামৰণি মাৰিছোঁ। ইতি—

জয় আই অসম
জয়তু বঙিয়া মহাবিদ্যালয়
জয়তু বঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
শ্ৰীঅমূল্য নাৰ্জাৰী
সাধাৰণ সম্পাদক
ইং ১৯৮৭-৮৮ চন।





## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন (কলা বিভাগ)

বঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্ব্বাচনত মোক সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰা বাবে ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ কৃতজ্ঞতা জনাইছোঁ।

সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্ব হিচাপে সাধাৰণ সম্পাদকৰ কাৰ্য্যত সহায় কৰাতেই সীমাবদ্ধ। অৱশ্যে আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সহঃ সম্পাদক দুগৰাকীক কেতিয়াবা সৰস্বতী পূজা, মহৰম, শংকৰদেৱৰ জন্মোৎসৱ পৰিচালনা আদিৰ দায়িত্বও দিয়া হয়। আমাৰ এই কাৰ্য্যকালৰ মাজতে মই কিছুদিনৰ বাবে সমাজ সেৱা বিভাগৰ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰিবলগীয়া হয়।

কাৰ্য্যকালৰ ভিতৰত মোক ন্যস্ত কৰা এনে ধৰণৰ সমূহ দায়িত্ব নিষ্ঠা সহ পালন কৰিবলৈ কেতিয়াওঁ চেষ্টাৰ ত্ৰুটি কৰা নাই। এই সম্পৰ্কে মই বিতংভাবে ব্যাখ্যা কৰিব বিচৰা নাই। মহাবিদ্যালয়খনৰ সমস্যাৰাজিও উল্লেখ কৰাৰ পৰিবৰ্তে, সেইবোৰ দূৰ কৰাৰ জৰিয়তে মহাবিদ্যালয়খনৰ সৰ্ব্বাতো প্ৰকাৰৰ উন্নয়ণ কামনা কৰিছোঁ।

কাৰ্য্যকালৰ সময়ত মোক বিভিন্ন প্ৰকাৰে সহায়-সহযোগ কৰা বন্ধু-বান্ধৱী সকলৰ লগতে মাননীয় শিক্ষাগুৰু সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

।। জয় আই অসম ।।
শ্ৰীপ্ৰতাপ কলিতা
সহঃ সম্পাদক (কলা বিভাগ)
বঙিয়া মহাবিদ্যাল ছাত্ৰ সন্থা
ইং ১৯৮৭-৮৮ চন।



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

বিগত ছয়বছৰীয়া অসম আন্দোলনত আমাৰ ভৱিষ্যতৰ বাবে যি সকলে মৃত্যুৰ তোৰনেদি পাৰহৈ মৃত্যুজয়ী হ'ল, সেই সকল মহান শ্বহীদলৈ মই মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলী নিবেদিছো।

দায়িত্ব গ্ৰহণ কৰিয়ে ভাবিছিলো গতানুগতিকতাৰ বাহিৰত অন্ততঃ বিজ্ঞান শাখাৰ ছাত্ৰ ছাত্ৰীৰ বাবে কিবা অলপ কৰিম। চেষ্টাৰ কৃপনালীও কৰা নাছিলো, কিন্তু ক্ষমতাৰ সীমাবদ্ধতা আৰু মহাবিদ্যালয়ৰ সামগ্ৰীক সমস্যাই মোৰ চেষ্টাৰ হেঙাৰ স্বৰূপ হৈছিল। তথাপি আমাৰ কাৰ্য্যকালৰ ভিতৰতে অনুস্থিত আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহ বাৰ্ষিক মহাবিদ্যালয়, নবাগত আদৰণি সভা, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা মোহৰম আদি উৎসৱত সাধাৰণ সম্পাদকক সহায় সহযোগ কৰাত ক্ৰুটি কৰা নাছিলো।

এইখিনিতে মই মোৰ লিখনীৰ মাজেৰে ৰঙিয়া মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সমূহ ছাত্ৰ ছাত্ৰীৰ অভাৱ অভিযোগ আৰু ক্ষোভৰ মিশ্ৰিত এখন ছবি অংকিত কৰি মহাবিদ্যালয় কৰ্তৃপক্ষৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছোঁ।

অভাৱ অভিযোগ সমূহ হল :

১) বিজ্ঞান গাৰৰ প্ৰয়োজনীয় আহিলা পাতি সমূহ অতি সোনকালে ছাত্ৰ ছাত্ৰীক যোগান ধৰিব লাগে।

২) বিজ্ঞান গাৰৰ ভিতৰত প্ৰয়োজন অনুসৰি পানী যোগান ধৰিব লাগে আৰু সহজে পেলাব পৰা ব্যৱস্থা কৰিব লাগে।

৩) সকলো বিভাগতে ছাত্ৰ ছাত্ৰীৰ আসনৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

৪) Geology আৰু Anthology বিভাগ দুটা অতি সোনকালে মুকলি কৰিব লাগে।

আশা ৰাখিছো ইয়াৰ ওপৰিও মহাবিদ্যালয় ছাত্ৰ সন্থাই মহাবিদ্যালয়খনৰ সামগ্ৰিক সমস্যাৱলীৰ ভিত্তিত উত্থাপন কৰা দাবী সমূহ অচিৰে পূৰণ কৰাত অগ্ৰাধিকাৰ দিব।



কৃতজ্ঞতা : যি সকল ছাত্ৰ বন্ধু-বান্ধৱীয়ে মোক ইং ১৯৮৭–৮৮ চনৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ সহঃ সাধাৰণ সম্পদক (বিজ্ঞান শাখ) হিচাপে নিৰ্ব্বাচিত কৰিলে, তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ ওপৰিও মোৰ কাৰ্য্য কাৰ্য্যকালৰ সময়খিনিত মোক বিভিন্ন উপদেশ আৰু পৰামৰ্শৰে সহায় কৰা অধ্যক্ষ মহোদয় সমন্বিতে সমূহ শিক্ষাগুৰুলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু মোক সকলো সময়তে সক্ৰিয় ভাবে সহায় কৰি অহা বন্ধু-বান্ধৱী সকললৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।

জয় আই অসম

শ্ৰীনৰকান্ত দাস
সহঃ সাধাৰণ সম্পাদক ( বিজ্ঞান শাখ )
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
ইং ১৯৮৭-৮৮ চন।





# লঘু খেল বিভাগৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ বিগত অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত মহান শ্বহীদ সকললৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। ৰঙিয়া মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে আৰু অধ্যাপক অধ্যাপিকাই মোক এই দায়িত্ব বহন কৰা সুবিধাকণ প্ৰদান কৰিলে; সেই সকলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ কাৰ্য্যকালৰ বছৰটোত অনুষ্ঠিত 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' অন্যান্য বছৰৰ দৰে এইবছৰো গতানুগতিকতাৰ মাজেৰেই অনুষ্ঠিতহৈ যায়। লঘু খেল বিভাগৰ অন্তৰ্ভূক্ত খেল প্ৰতিযোগিতা সমূহত আশানুৰূপ ধৰনেই প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে, এই সুযোগতে মই সমূহ প্ৰতিযোগীক প্ৰতিযোগিতা সমূহ সফল কৰি তোলা বাবে অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু ভৱিষ্যতে সকলোৱে নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ জৰিয়তে নিজৰ লগতে আমাৰ সকলোৰে বাবে গৌৰৱ কঢ়িয়াই অনাৰ আশা ৰাখিছোঁ। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষইও যথাসম্ভৱ সা-সুবিধা আগবঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্চনীয়।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত পৰামৰ্শ দিয়া আৰু সদায়ে সহায়-সহযোগিতা আগবঢ়াই মোৰ চিৰদিনলৈ ঋণী কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ তথা শিক্ষাগুৰু সকলৈ প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধা আৰু বন্ধু বান্ধৱী সকলৈ অভিনন্দন জ্ঞাপন কৰি, সকলো ধৰণৰ অজ্ঞাত ভুলৰ বাবে ক্ষমা কৰাৰ আশাৰে প্ৰতিবেদন সামৰিছোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয় আই অসম
ইছলামুদ্দিন আহমেদ,
সম্পাদক লঘু খেল বিভাগ, ১৯৮৭-৮৮ চন
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা



# গুৰু খেল বিভাগৰ প্ৰতিবেদন

মোৰ মৰমৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱী সকলে ইং ১৯৮৭-৮৮ চনৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্ব্বাচিত কৰা বাবে তেখেত সকলৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা জনালো।

"বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বাবে এক ডাঙৰ অনুষ্ঠান। এই অনুষ্ঠানতে বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতা চলে। অৱশ্যে আমাৰ মহাবিদ্যালয়ত এই প্ৰতিযোগিতাসমূহত অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰাটো অতি দুঃখ জনক। বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱী সকলকৰ প্ৰতিযোগিতাৰ সংখ্যা একেবাৰেই নগন্য। মই ছাত্ৰী বান্ধৱী সকলক অনুৰোধ কৰিছোঁ ভৱিষ্যতে যেন তেওঁলোকে প্ৰতিযোগিতা সমূহত আশানুৰূপ ধৰণে অংশগ্ৰহণ কৰে।

আমাৰ মহাবিদ্যালয়ত থকা খেল পথাৰ খন এতিয়ালৈ সুবিধা জনক ধৰণে গঢ়ি তুলিব পৰা হোৱা নাই। সেয়েহে মই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰো যাতে তেখেত সকলে মহাবিদ্যালয়ৰ খেল পথাৰখন অতি সোনকালে খেলা সুবিধাজনক কৰি গঢ়ি তোলে।

মহাবিদ্যালয়ৰ পৰা বছৰটোৰ বাবে খেল চলাবলৈ যিখিনি টকা পোৱা যায় সেইখিনি মহাবিদ্যালয় সপ্তাহতে প্ৰায় খৰচ হয়। ছাত্ৰ-ছাত্ৰী অনুপাতে খেলৰ সামগ্ৰীও নিচেই তাকৰ। আমাৰ মহাবিদ্যালয়ত ভাল খেলুৱৈ যথেষ্ট আছে। কিন্তু খেলৰ সামগ্ৰী আৰু অনুশীলনৰ অভাৱত আমি সেই প্ৰতিভা বিকাশ কৰাত একো অৰিহনা যোগাব পৰা নাই। আৰ্থিক অভাৱৰ হেতুকে এই বছৰ মহাবিদ্যালয়ৰ পৰা কোনো ধৰনৰ আন্তঃ মহাবিদ্যালয় পৰ্য্যায়ৰ খেলা-ধূলাতে অংশগ্ৰহণ কৰিব পৰাও নগ'ল। ৰঙিয়া মহাবিদ্যালয় ঐতিহ্যৰে মহিমা মণ্ডিত। কিন্তু সেইখন মহাবিদ্যালয়ৰ সীমাহীন অভাৱ-অভিযোগ বৰ দুখঃ জনক।

মোৰ কাৰ্য্যকাল ছোৱাত তথা মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাথ পাঠক, আব্দুল ৰাজ্জাক দেৱৰ লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত, উপাধ্যক্ষ শ্ৰীযুত গদাধৰ ফাটোৱালী দেৱৰ পৰা পোৱা সদুপদেশ আৰু পৰামৰ্শৰ কথা শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু অজানিতে কৰা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ।

জয় আই অসম
শ্ৰীদীপক কলিতা
সম্পাদক, গুৰু খেল বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# প্ৰতিবেদন
# সাংস্কৃতিক বিভাগ ঃ



ৰঙিয়া মহাবিদ্যালয়ৰ যি সকল বন্ধু-বান্ধৱীয়ে মোক ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বাবে বহুমূলীয়া ভোটেৰে বিজয়ী কৰি দায়িত্ব অৰ্পন কৰিলে. সেই সকলক আন্তৰিক অভিনন্দন লগতে সংগ্ৰামী শুভেচ্ছা যাচিছোঁ।

প্ৰতিবেদন লিখিবলৈ বহি ভাবিছোঁ কি লিখো ? অইন সম্পাদক সকলৰ দৰে গতানুগতিকতাত অভ্যস্ত বছৰটোৰ কথা ? মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক উদ্যম ? নে বছৰটোত চুৰি হোৱা সামগ্ৰী আদিৰ কথা ? গতানুগতিকতাত যিহেতু আমিও অভ্যস্ত হৈ গলো সেই প্ৰসঙ্গ বাদ দিছোঁ। চুৰি কাৰ্য্যৰ যাতে পুনৰাবৃত্তি নহয়, তাৰবাবে পৰৱৰ্ত্তী কালত জড়িত হব লগা অনুজ সকলক সতৰ্ক হবলৈ কলো। মহাবিদ্যালয় ছাত্ৰসন্থাৰ উদ্দোগত প্ৰত্যেক বছৰে এটা বছৰেকীয়া পৰ্বৰ নিচিনাকৈ পতা মহাবিদ্যালয় সপ্তাহত মুষ্টিমেয় কেইজন মান ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটোও এটা গতানুগতিকতা হৈ পৰিছে। ইয়াৰ দ্বাৰা ছাত্ৰ সমাজৰ কিবা এটা লাভ হৈছে নে নাই। নে মাত্ৰ এটা সপ্তাহৰ ক্ষন স্থায়িত্বলৈ অহা সাংস্কৃতিক বুৰ-বুৰণি বছৰটোৰ অথাই সাগৰৰ বুকুত বিলিন হৈ গৈছে। এইবোৰত জড়িত এজন প্ৰতিনিধি হিচাপে প্ৰশ্নৰ উদয় হৈছে—ইয়াৰ প্ৰয়োজন অৰ্থহীন নে অৰ্থবহ ? যদি অৰ্থবহ তেতিয়াহলে ইয়াক ৰূপান্তৰৰ বাবে নিজে আগবাঢ়ি অহাটো উচিত নহয় নেকি ? আজিৰ সময়ত প্ৰতিযোগিতাৰ প্ৰয়োজন নাই নেকি ?

আমাৰ কাৰ্যকালত অৱশ্যে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত অইন বছৰৰ তুলনাত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ তুলনামূলক ভাবে বেছি হোৱা বুলি কব পৰা যায়। প্ৰতিযোগীৰ সংখ্যা দেখি মনতে গৌৰৱ বোধ কৰিছিলোঁ যদিও পৰৱৰ্ত্তী কালত ইয়াতকৈ বেছি সংখ্যাক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰক তাকে আশা ৰখিছোঁ।

ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল,

"কথাৰে নহয় বন্ধু
কামত পৰিচয়
জীৱণ যুঁজত আছে সদায়
জয় পৰাজয় ....."

সম্পাদক হৈ অন্য সম্পাদকতকৈ অন্য কিবা কিবি কৰিম বুলি ভাবিছিলো নোৱাৰিলো। মহাবিদ্যালয়ৰ সীমিত পুঁজি আৰু বাদ্যযন্ত্ৰৰ লাগতিয়াল খিনিও নোহোৱা বাবে। মনৰ শেষ ইচ্ছা বিশ্ববিদ্যালয় 'যুৱ মহোৎসৱ"ত যোগদান আজিও সপোন হৈ ৰ'ল। সেয়ে ডঃ হাজৰিকা দেৱৰ গীতৰ কথাখিনিৰে নিজৰ মনক সান্তনা দিবলৈ চেষ্টা কৰিলোঁ। ছাত্ৰ সন্থাইও ঐক্যবদ্ধ প্ৰচেষ্টাৰে আমাৰ অসমাপ্ত কামখিনি পৰৱৰ্ত্তী কালত কৰিবলৈ চেষ্টা কৰিব বুলি এই আহ্বান ৰাখিছো।

মোৰ কাৰ্যকালত বিভিন্ন দিশত প্ৰয়োজনীয় দিহা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সমন্বিত অধ্যাপক মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত জাতীয় শ্বহীদ সকলক শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলী যাচিছোঁ। অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ৰৰযাৰে ক্ষমা ভিক্ষা মাগিছোঁ।

জয়তু সদৌ অসম ছাত্ৰ সন্থা
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম
শ্ৰীপ্ৰভাত চন্দ্ৰ নাথ
সাংস্কৃতিক সম্পাদক



# প্ৰতিবেদন

## ছাত্ৰ জিৰণি চ'ৰা ঃ

অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকলে নিজৰ প্ৰাণ আহুতি দি অতুলনীয় সাহসৰ জ্বলন্ত চানেকী দি থৈ গ'ল, সেই সকল বীৰ শ্বহীদক শ্ৰদ্ধা সহকাৰে সোঁৱৰিছোঁ।

আমি কৰ্মভাৰ লোৱাৰ পিছতে এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত মহাবিদ্যালয় সপ্তাহ অতিবাহিত হৈ যায়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ অন্তৰ্গত খেলসমূহ অনুষ্ঠিত হয়। এইবোৰত বিভিন্ন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। সকলোবিলাক সা-সুবিধা পালে এইচাম প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে অসমৰ ক্ৰীড়া জগতত বিশেষ আসন যে লব নোৱাৰিব তাৰ কোনো কাৰণ নাই। অতি দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠাৰ অভাৱ এতিয়াওঁ সম্পূৰ্ণভাবে দূৰ হোৱা নাই। আমাৰ মহাবিদ্যালয়ত থকা ছাত্ৰ জিৰণি কোঠাতো ছাত্ৰ অনুপাতে তেনেই সৰু। ফলত আজৰি সময়ত ছাত্ৰ সকলে মহাবিদ্যালয়ৰ বাহিৰত ঘূৰি অথবা অবাবতে সময় নষ্ট কৰি দোকানত বহি থাকিবলগীয়া হয়। কথাটো মই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰি ছাত্ৰ জিৰণি কোঠাটো ছাত্ৰ অনুপাতে ডাঙৰ আৰু উন্নত মানৰ হোৱাটো কামনা কৰিলো। মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰকাৰৰ দিহা পৰামৰ্শ আগবঢ়োৱা বাবে মাননীয় অধ্যাপক শ্ৰীযুত ভূপেন শৰ্মা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ভক্তি অৰ্ঘ্য নিবেদিছোঁ।

মহাবিদ্যালয় সপ্তাহত নানা কষ্ট সহ্য কৰি খেল সমূহ পৰিচালনা কৰি দিয়াৰ লগতে বছৰটোত মোক নানা কামত সহায় কৰি দিয়া বন্ধু-বান্ধৱী সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। শেষত মোৰ কাৰ্য্যকালৰ অজ্ঞানিত ভুল ভ্ৰান্তিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু সদৌ অসম ছাত্ৰ সন্থা
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
"জয় আই অসম"
শ্ৰীহেমন্ত কুমাৰ গোস্বামী
সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা (কলা)



# প্ৰতিবেদন

## সমাজ সেৱা বিভাগ

প্ৰতিবেদনৰ পাতনিতে মই আমাৰ মহাবিদ্যালয়ৰ মাননীয় সমূহ শিক্ষাগুৰুৰ লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ ১৯৮৭-৮৮ চনৰ বাবে ভাৰপ্ৰাপ্ত সমাজসেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ বছৰ'টোত কাম-কাজত কিমান সফল হ'লো; সেয়া কব নোৱাৰো। যদিহে কিছু পৰিমানে হলেও সফল হৈছোঁ, সেয়া মোৰ বাবে পৰম সৌভাগ্যৰ কথা।

আমাৰ কাৰ্য্যকালত অনুষ্ঠিত "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ", "নৱাগত আদৰণি সভা" "মোহৰ্‌ৰম," "সৰস্বতী পূজা," "বাথৌ পূজা" "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ" আদি সমূহ অনুষ্ঠানতে সমাজসেৱা বিভাগৰ তৰফৰ পৰা যথাযথ ভাবে সহযোগিতা আগবঢ়োৱাৰ জৰিয়তে কাৰ্য্য-সূচী সমূহ সফল কৰি তোলা হৈছে। অন্যান্য বছৰৰ দৰে ৰাষ্ট্ৰীয় সেৱা শিবিৰটো অংশ গ্ৰহণ আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা কৰা হৈছে।

সম্পাদকীয় প্ৰতিবেদনত কিছুমান অযথা বৰ্ণনাৰে আমি সন্তুষ্ট হব নুখুজি; ভৱিষ্যতে সকলোৰে যাতে কাৰ্য্যতঃ মহাবিদ্যালয়খনৰ সামগ্ৰিক স্বাৰ্থৰ অনুকূলে কাম কৰি যায়; তাৰ বাবে আহ্বান জনাইছোঁ।

সামৰণিত, অসমৰ মহান শ্বহীদ সকললৈ শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি নিবেদন কৰি: অজ্ঞাত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
"জয় আই অসম"
মঃ জাকিৰ হুছেইন
সম্পাদক (ভাৰপ্ৰাপ্ত),
সমাজসেৱা বিভাগ
ইং ১৯৮৭-৮৮ চন।



# তৰ্ক আৰু সাহিত্য সম্পাদকৰ প্ৰতিবেদন

পোনতে যি সকল মৃত্যুঞ্জয়ীৰ বুকুৰ তেজেৰে যাউতিযোগিয়া খ্যাতিৰ সৌধ নিৰ্মান কৰি অসমীয়া জাতীয় জীৱণৰ প্ৰেৰণা আৰু চেতনাৰে উদ্বুদ্ধ কৰিলে যিসকলৰ চৰম ত্যাগে জাতীয় সত্বাক সঞ্জীৱিত কৰিলে যাৰ প্ৰেৰণা আৰু চেতনাৰে সদৌ অসম ছাত্ৰ সন্থাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰিলে সেই সকল মহান শ্বহীদক প্ৰতিবেদনৰ আৰম্ভনিতে সুঁৱৰিছো ।

১৯৮৭-৮৮ চনত মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মই পোনতে স্নাতক প্ৰথম বাৰ্ষিকৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হৈছিলো আৰু সহযোগী ৰুমা বৰুৱাও প্ৰতিনিধি হিচাবে নিৰ্বাচিত হৈছিল। পিছত বিভাগীয় সম্পাদকৰ অনুপস্থিতিত মোক এই মহান দায়িত্ব ভাৰ গটাই দিয়ে।

আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে ৺ সিদ্ধিনাথ শৰ্মা সোঁৱৰণি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ অয়োজন কৰা হৈছিল ২৭ চেপ্তেম্বৰ ৮৮'ত। কিন্তু বিশেষ পৰিস্থিতিৰ বাবে প্ৰতিযোগিতাৰ অনুষ্ঠানটি পিচুৱাই দিবলৈ আলোচনা মৰ্মে স্থগিত ৰখা হ'ল।

বৰ্ত্তমান সময়ত তৰ্ক প্ৰতিযেগিতা সমূহৰ প্ৰতিযোগিতা অতি দৰকাৰ। যুক্তিৰে সমালোচনা কৰি সত্যক প্ৰতিষ্ঠা কৰাই তৰ্ক। তৰ্কৰ দ্বাৰা মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি হয় আৰু সুস্থ মানসিকতা বৃদ্ধি পায়। কিন্তু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ ইয়াৰ প্ৰতি বেছি আগ্ৰহ দেখা নাযায়।

মহাবিদ্যালয়ত যোৱা বেলি বিভিন্ন ধৰণৰ অনুষ্ঠান আদিৰ দ্বাৰা কাৰ্য্যকাল সামৰা হব। মহাবিদ্যালয় সপ্তাহ, শংকৰ দেৱৰ জন্মোৎসৱ, মহৰম, বাৰ্থো পূজা, সৰস্বতী পূজা ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহ পাৰম্বৰপূৰ্ণ ভাবে পালন কৰা হয়।

শেষত মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় অধ্যাপক-অধ্যাপিকা মহোদয় সকললৈ মোৰ শ্ৰদ্ধাৰে প্ৰণাম যাচিছো। লগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ বিনয় ৰবীয়া আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ধন্যবাদেৰে

শ্ৰীদীপক মহন্ত

তৰ্ক আৰু সাহিত্য সম্পাদক

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন

ইং ১৯৮৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্য্যভাৰ আনুষ্ঠানিকভাবে গ্ৰহণ কৰাৰ পিছত পৰম্পৰাগতভাবে "মহাবিদ্যালয় সপ্তাহ," মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, শ্বহীদ দিৱস, নৱাগত আদৰণি সভা আদি অনুষ্ঠিত কৰা হয়। এইবোৰৰ বাকীবোৰ গতানুগতিকতাৰ ভিতৰত যদিও "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ দৰে অনুষ্ঠানৰ কিবা অলপ হলেও সাৰ্থকতা নহলে; এই অনুষ্ঠান পৰম্পৰাগতভাবে কেবল ২৫।৩০ হাজাৰ টকা খৰচ কৰি চলাব লাগে বাবেই চলাই অহাৰ পক্ষপাতী আমি নহয়। এই সম্পৰ্কে চিন্তা-চৰ্চা আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণৰ সময় আহি পৰিছে।

যোৱা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্ব্বাচনক কেন্দ্ৰ কৰি সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ চেলা-চেমুন্দা কিছুমানে আমাৰ ছাত্ৰ সমাজৰ মাজত বিভেদৰ বীজ সিঁচিবলৈ প্ৰয়াস কৰিছে। আনকি মহাবিদ্যালয় কৰ্তৃপক্ষকো নানা ধৰণে ভাবুকী প্ৰদৰ্শন কৰিছে। এই চামৰ বিপক্ষে আমাৰ ছাত্ৰ সমাজে সময় থাকোতে সজাগ হবৰ হ'ল। এই চাম ৰাজনৈতিক দলৰ চেলা-চেমুন্দাৰ বিষদাঁত উভালি পেলাবলৈ আমি ওলাই আহিবৰ হ'ল। নহলে এদিন মহাবিদ্যালয় খনৰ শান্ত পৰিবেশত বিষ গছৰ গুটি ৰোপন কৰি আটাইকে বিষযুক্ত কৰি তুলিব। এই চামাৰ কুচক্ৰান্ত আমি যি কোনো প্ৰকাৰে ব্যৰ্থ কৰিবই লাগিব—।

ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবী সকল, আমাৰ জাতীয় জীৱণৰ গুৰি বঠা ধৰা, তথা জাতি গঢ়া খনিকৰ শংকৰ দেৱক পাহৰিলে অসমীয়া জাতি জীয়াই নাথাকে। শংকৰদেৱে সমন্বয় কৰিছিল গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম মিকিৰৰ ব্ৰহ্মানন্দ আৰু তথা কথিত সৰু মানুহবোৰৰ লগত। ঈশ্বৰ উপসনা কৰিছিল একেলগে। কিন্তু আজি তাৰ সম্পূৰ্ণ বিপৰিত অৱস্থা। আজি অসমত বিভিন্ন জনগোষ্ঠীৰ মাজত গোষ্ঠীগত চিন্তাই আটাইকে শংকিত কৰি তুলিছে। "দিভাইদ আচাম ফিফটি ফিফটি" কাৰ্বি-স্বায়ত্বৰ ধ্বনীয়ে আমাৰ জাতিৰ জনকৰ আদৰ্শত কুঠাৰাঘাট কৰিব বিচাৰিছে। বৰ্ত্তমান সময়ত আমাৰ নবীন

সকলৰ দেশ, জাতি আৰু মানুহ সম্বন্ধে সুস্থ ধাৰণা থকা উচিত। আমি জনা উচিত কেৱল ভৌগলিক সীমাৰেখৰে এখন দেশ বা জাতি নহয়। এখন দেশ বা এটা জাতি গঢ় লৈ উঠে বহুজনৰ তেজ, অশ্ৰু আৰু ঘাঁমৰ বিনিময়ত। অসমীয়া জাতিও বিভিন্ন সময়ত পৃথিবীৰ বিভিন্ন সময়ত পৃথিবীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন জনগোষ্ঠীৰ মহামিলনৰ জৰিয়তে লুইত আৰু বৰাকৰ উৰ্বৰা উপত্যকাত সকলোৰে পৰা অনা তিল-তিলৰূপৰ কণাৰে গঢ়ি উঠিছে। গঢ়ি উঠিছে সৰগৰ তিলোত্তমা ৰূপত অসমীয়া সংস্কৃতি—। সেয়া নতুন পুৰুষে এইবোৰ চালি-জাৰি চাই; আটাইয়ে একেলগে থাওঁক, একে-লগে কথা পাতক। Theoryৰ আমাৰ এতিয়া প্ৰয়োজন নাই। Practical কৰি তাৰ বিজুঁতি-বোৰ আঁতৰাই এখন সুন্দৰ অসম গঢ়াৰ বাবে প্ৰতি গৰাকী নবীনে চেষ্টা কৰক। তেতিয়াই অসমৰ ৰাজনৈতিক জগতৰ পুৰণি বাঘ মকৰাৰ মৰিশালিৰ ওপৰত বোৱা আকাশমুখী সেউজ নাহৰ জুপিৰ ডালত মৌ-মাখিয়ে বাহ সাজিব। কৰ্মী মৌ-মাখিবোৰ বিয়পি পৰিব মৰ ী অসমীৰ প্ৰান্তে-প্ৰান্তে, দেশে-বিদেশে আৰু পৃথিবীৰ চুকে-কোনে। তাং—২২।২।৮৯

জয়তু ভাষাজননী
জয়তু বৰঙীয়া মাহাবিদ্যায়
জয় আই অসম
শ্ৰীলীলা ধৰ শালৈ
উপ-সভাপতি
বৰঙীয়া মহাবিদ্যালয় ছাত্ৰ সন্থা



আলোক চিত্ৰত বাওঁফালৰ পৰা ক্ৰমে :

( বহি থকা অৱস্থাত ) শ্ৰীলীলাধৰ শালৈ (উপ-সভাপতি), শ্ৰীঅনিল কুমাৰ শৰ্মা (তত্বাৱধায়ক), শ্ৰীভূপেন্দ্ৰ শৰ্মা (তত্বাৱধায়ক), শ্ৰীউমেশ গোস্বামী (তত্বাৱধায়ক), শ্ৰীনীলকান্ত মহন্ত (সভাপতি), চফিউদ্দিন আহমেদ (কোষাধ্যক্ষ), শ্ৰীযোগেন্দ্ৰ নাথ পাঠক (তত্বাৱধায়ক), চুফিয়া বেগম (তত্বাৱধায়িকা), শ্ৰীভবেন্দ্ৰ নাথ ডেকা, (তত্বাৱধায়ক), শ্ৰীনৰেন্দ্ৰ কলিতা (তত্বাৱধায়ক), ড: ফাইয়াজুল হক (তত্বাৱধায়ক)।

( থিয় হৈ থকা অৱস্থাত ) অতুল কলিতা, প্ৰতাপ কলিতা (সহঃ সম্পাদক), প্ৰভাত নাথ (সাংস্কৃতিক সম্পাদক), নৱ দাস (সহঃ সাঃ সম্পাদক), গিৰিশ মহন্ত, (সদস্য), হেমন্ত কুমাৰ গোস্বামী (ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক), দশৰথ কলিতা ( আলোচনী সম্পাদক ), কৰিমা বেগম ( সদস্য ), আফজাল হুচেইন (সদস্য) কামেশ্বৰ কলিতা, মইনুৰ ইছলাম, অৰুন কলিতা, মুনিন্দ্ৰ কলিতা, দীপক মহন্ত (সদস্য), ৰমেশ পাটোৱাৰী (সদস্য), মঃ জাকিৰ হুচেইন ( সমাজ সেৱা বিভাগৰ সম্পাদক)

বিঃ দ্ৰঃ—ওপৰৰ ছবিত সাধাৰণ সম্পাদক, অমূল্য নাৰ্জাৰী, অধ্যাপক মাননীয় গদাধৰ কাটোৱালী, (উপ-সভাপতি) আৰু সদস্য—সদাস্য কেইগৰাকী হ'ল—ৰুমা বৰুৱা, ৰফিকুদ্দিন, যতীন জয়নুৰ, জিতেন, শৰৎ, লোহিত, ধনেশ্বৰ, মুকুট, বীৰেন বৈশ্যক ছবিত দেখা ন'গল।

# RANGIA COLLEGE

## MAGAZINE

### SESSION :: 1987-88

### 17th Issue

Incharge
Sri Umesh Ch. Goswami

Editor
Sri Dasarath Kalita

EDITORIAL BOARD

President—Sri Nila kanta Mahanta (principal)
Incharge—Sri U. Ch. Goswami (prof.)
Treasurer—Safiuddin Ahmed (prof.)
Members—Sri L. Saloi
Sri Geetimani Deka (prof.)
Sri Zakir Hussain
Sri Karima Begum
Editor—Dasarath Kalita

CONTENTS

| | | |
|---|---|---|
| The eternal traveller | Umesh ch. Coswami | 1 |
| Will you | Bimala Goswami | 2 |
| When Bride Bahagi comes In Blood | M O. Ghani | 3 |
| Remote Sensing and Its applications (In a Nutshell) | Pradip Thakuria | 4 |
| National policy on education | Narendra Nath | 7 |
| | Hari Nath Sarma | 11 |

# The eternal traveller

Umesh Ch. Goswami
Deptt. of English

There's none to tell you,
That thou art born in vain
in this wide expanse of the universe.
Thou art not a wavelet to be swept
—under the mighty waves of the Ocean.
Never consider yourself too small in presence
of the vast multitude of the world.
Who knows you will leave no trace after your
departure from the world ?
Ther's immense power in they heart ;
Your arms are full of measureless strength ;
Your suffocated heart echoes the sound of the
mighty waves of the unceasing stream of life.
Open wide your eyes and look ahead ;
In the remote distance lies an open road.
Don't forget yourself and retreat
Listening to the piteous cries of some body else.
Bear with smile all the oppression and negligence
of the world ;
Life may torture you without merey.
Put up with them all silently.
Your efforts will never go unrewarded,
Your deeds will never go waste ;

The fruits of every action of every moment.
Will remain strored up till eternity.
Laugh, the world will laugh with you ;
Be joyful, your joy will cheer up the world ;
Even the moon and the stars will be delighted ;
A single of drop of tears from your eyes
Will never fall in vain.
Truth thou art, the everlasting thou art ;
Ther's no Death, no Fear for you
Never look back ward, go forward ;
Thou art the Eternal Traveller.

( Inspiration :— Padmashree late Nalini Bala Devi's poem " The Satya Pathic " )

---

## Will you

Bimala Goswami
T. D. C. 3rd year (Arts)

Will you be my strength, when I am weak ?
Will you be my heat when I am Cold ?
Will you be my there when no one is around me ?
Will you pick me up when I am fealing down ?
Will other women I swear, "I will never cheat."
Will you give me adaper love than
mere words can meamre ?

●



## When Bride Bahagi Comes In

Prof—M. O. Ghani
Deptt. of Arabic.

Lo ! the declining sun is shining
In the horizon of the west,
Sitting in my reading room
I am looking at his final set.
When I see a handful of birds
Hopping and twittering,
Neer my lonely room
They all are amusing.
It is a cheerful Faguni eve
And every creature is full of joy,
But I am here desolate
Still my mine dances up
For Bahagi is soon expected.
Last year I happened to see her
Ah ! it was her worst showing,
I do guess this time
She may appear enchanting.
I was ever longing
Perhaps for her company.
But the air said to me
Bahagi comes once a year only.
So she has become an alarum
For eyery Assamese mind,
I feel myself a groom
When bride Bahagi comes in.

★


# BLOOD

Pradip Thakuria
Lecturer, Zoology, Department

Blood is the general circulating body fluid of animals. It may be compared to a tissue because it consists of living cells. Its function is to convey materials from one part of the body to another.

Blood may be compared to the transportation system of a city. If this system stops functioning, the population is deprived of the necessary requirements. The cell population of the body is unable to maintain its metabolic activities without a distributing system.

Blood flows in definite tubes. the blood vessels. In the oxygenated state, it is brick-red in colour and opaque. But the blood of lower animals is a thin watery solution. The blood is made up of two principal components : (i) the plasma is the fluid part in which are suspended (ii) the blood cells or corpuscles. The blood cells consist of red blood corpuscles (RBC) or erythrocytes, white blood corpuscles (WBC ) or leucocytes and blood platelets or thrombocytes.






ERYTHROCYTES OR RBC—These are the red cells. They are biconcave in shape without a nucleus in mammals. In man, there are some 5.000.000 per cubic millimeter. The erythrocyte is made of membranous material which encloses the pigment haemoglobin and other compounds. The erythrocytes are red in colour due to the presence of haemoglobin. Haemoglobin is a complex protein made up of 95% globin and 5% haematin, it is commonly known as respiratory pigment, Haemoglobin has great affinity for respiratory gases, therefore, this performs the following important functions —

(1) Oxygen transport from lungs to tissues.

(2) Carbon-di-oxide transport from tissues to lungs.

ANEMIA—In anemia, there is a reduction in the amount of haemoglobin per unit volume of blood, which results in the decrease in oxygen carrying power of the blood. The normal amount of haemoglobin in male adult blood is 15·9gm/100 ml. of blood. This is considered 100 percent. From 70 percent downwards, the symptoms of anemia develop.

LEUCOCYTES OR WBC—White blood corpuscles do not have any pigment in their structure. therefore, they are colourless. They are found less in number in the blood as compared to the red blood corpuscles, the ratio being about one white blood corpuscle to every six hundred red blood corpuscles. Normally there are between 600 to 800 white blood corpuscles in one cubic millimeter of blood.

In normal human blood five types of white cells can be differentiated. They are :—

(1) Neutrophils– 65·0%
(2) Lymphocytes – 26·0%
(3) Monocytes—6·0%
(4) Eosinophils - 2·8%
(5) Basophils - 0 2%

As the neutrophils, eosinophils and basophils have a granular appearance, they are also termed as granulocytes.

The lymphocytes and neutrophils are formed in the lymph nodes and the tonsils. About the life span,

the granulocytes are thought to have a life span of less than 10 days, while the lymphocytes less than 15 hours. Little is known of the monocytes.

White blood corpuscles vary in size. They are actively motile and capable of amoeboid movement. Their main function is to check the invasion of the small organisms like bacteria and other foreign substances into the body.

THROMBOCYTES OF BLOOD PLATELETS

These are small, colourless. flat granuiar corpuscles which are much smaller than the red blood corpuscles. The number of platelets varies from 300,000 to 600.000 per cubic millimeter of blood. The platelets play a very important role in initiating the formation of a blood clot. They contain a substance which speeds up the conversion of the prothrombin to thrombin.

The life span of these corpuscles is only two to three days hence they are constantly being replenished by the ned bone marrow cells after every two to three days

Their most important fu ction is to help in coagulation of blood and thus prevent excessive loss of blood during haemorrhage.

PLASMA— Plasma is the bluid portion of the blood, from which corpuscles have been removed. under normal conditions it occupies about 55% of the total blood volume. It is a straw coloured liquid and contains 91% water and 9% solids. Protein is the main solid. The plasma proteins are albumin globulin and fibrinogen. The albumins are present in the greatest concentration and they contribute most to the osmotic pressure. The globulins generally called serum globutins are protein antibodies that provide immunity to various disease. The fibrinogens are essential for the clotting of the blood.

In addition to those plasma proteins cerain other organic substances are also found in the plasma as glucose. fats, amino acid vitamins, hormones etc Some waste products are also found in the plasma which include urea and other



nitrogenous products produced after the breakdown of injested proteins.

FUNCTIONS OF BLOOD—

(1) Transports oxygen and collects $Co_2$

(2) Transports nutrients.

(3) Collects excretory product and discharges to excretory organs

(4) Blood allows the transfer of heat from the deeper tissues to the surface of the body where it can be lost.

(5) By coagulation, prevents loss of blood.

(6) Defence against infection— Corpuscles which possess properties of phagocytosis and special products called antibodies which combat the bacteria.

(7) Maintains body temperature.

REFERENCE—

(1) Animal physiology and Ecology by P.S. Verma; V.K. Agarwal, B.S. Tyagi.

(2) A text book of Vertebrate Zoology by Dr. Agrawal and Dr. Dalela.

(3) A text book of Animal physiology by K. A. Coel and K. V. Sastri.

---

# REMOTE SENSING AND ITS APPLICATIONS (In a Nutshell)

Narendra Nath. M. Sc.
Deptt. of Physics

Remote sensing is the science of obtaining informations about an object or phenomenon through the analysis of data acquired by a device which is not in contact with the object or phenomenon under investigation.

One of the most common versatile forms of remote sensing is the aerial photography. It gives a birds eye view of large areas. Enobling us to see earth surface features

on their spatial context. Different informations can be extracted. From the photograph. There fore experts of various fields, for example, the hydrologist might concentrate on the surface water bodies, the geolosist on internal structure of the earth the agriculturist on soil or food grains, the meteorologist on atmospheric condition and so on.

The photographs are generally taken from an aircraft or a sattelite.

Aerial photographs are generally classified as either vertical or oblique. Now let us see how a three dimensional pictures can be had which are used for most of the applications.

First a photograph is taken from the aircraft from A position covering a region CF. Next another photographs is taken from B position covering the region E.D.

From the figure it is seen that a common region EF is available on both the photograph. Such a photographs. having common regions on both are known as stereopairs. Now keeping the stereopairs close to each other and viewing through a stereoscope, we shall see a single photograph instead of two which will be three dimensional. That means not only the length and breadth but also the depth of various contents of the photograph can be observed. This is the principle, on which a three dimensional cinema is produced.

There are also another technique of photography from which, the hight of a high rise building or a tower and so on can be determined accurately for each photo graph, a scale is necessary. It is given by:—

$$\text{Scale} = \frac{\text{focal length of the camera lens} = F}{\text{height of the aircraft from the ground} = D}$$

If F=23 cm and D=575 meters than

$$\text{Scale} = \frac{23 \text{ cm}}{575 \times 100\text{cm}} = \frac{1}{2500} = 1:2500$$

That is 1 cm on the photograph is equal to 2500 cm on the ground of course according to the purpose the scale is differant. Say, 1:50,000, 1:10 000 etc. Thus if we take a photograph of entire Brahmaputra valley, where the Brahmaputra will be included, than we shall be able to find out the width of the river at each and every position, even in the upper reaches. Wehre it is not possible for any human being to go due to terrain or dense forest cover etc.

Now-a-days colour photographs are taken from a satellite. In this case only looking at the photographs it is not possible to distinguish among the various features of the photograph. Because they are taken from a very large distances.

Therefore, photographs are analysed by a computer. From computerised data it is possible to find out the location of vegetation cover, forest cover, water bodies of various types such as, river, lakes, reservois etc, types of agricultural fields and other features of the city or valley or the country as the case may be. For different purposes, light of different wave lenghts from infra-red to ultra-violet is used. Some times it is not possible to take photograph due to snow cover, rain, smoke, cloud cover and so on. In this case micro-waves is used. Because these waves are capable of penetrating the atmosphere, under virtually all conditions, no matter if there is, snow cover, rain, smoke, cloud cover or any other disturbances. Apart from these, there are so many techniques, by which photographs are taken for various studies.

Following are the importa nt fields of study with remote sensing technique,

(1) <u>For geological mapping :—</u>

It involves the indentification of land forms, rock type and rock structure. Most of the mineral resources such as uraninm diamond, coal petroleum etc which are deposited in the accessible regions of the earth have been found & entracted. There fore to search for any mineral resources in inaccessible regions. the remote sensing technique is used, that give us information about the potential deposite of the resources.

(2) <u>For agricultural applications —</u>

To-day with the population explosion, it is very eseential to increase the production of food grains also,

For this it is also necessary to estimate crip yield and keep the crops free from any desease. Now with remote sensing technique crop yield can be estimated considering meteorologic and climatic conditions. And some of the plant desease like corn leaf blight potato-coilt, sugar beet leaf spot, stem rust of wheat or oats etc and other type of plant damage caused by misture stress, iron and nitrogen deficiency, excessive soil salinity. air pollution etc can be detected. In addition to these, crop damage resulting from such disasters, like, flooding, fire, tornados and hurricanes can be assessed,

For water resources applications—

Whether for irrigation. power generation, drinking, manufacturing or recrcation, water is one of the most critical resources. Remote sensing technique can be used to manitor the quality. quantity and geographic distribution of this. resources.

Other selected applications includes — water 'pollution, flood damage, snow cover mapping, hydrologic watershed assessment, reservoir site selection, shorelise errosion and so on. A knowledge of ground water location is important for both water supply and pollution control analysis. Forestry application, soil mapping, land use land cover mapping, urban and regional planning application, wetland mapping, wild life ecology application, environmental impact assessement, land information etc also other important applications.

Now-a-days it has been possible to estimate the snow accumulated during winter season over the Himalayas, or the Andes and consequent water level of the snowfed rivers during summer season due to melting of the accumulated. snow. Thus the water level of the river Sutlej that will be in summer season can be determined in winter season in advance. For the river Sutlej it is very essential because the multipurpose 'Bhakra-Nangal Dam" is situated across that river.

Formerly the govt of India acquired the photographs of the country taken by two foreign Satellites. One of them is American named 'LANDSAT' and the other is france named 'SPOT'. But these photographs are very costly.

Therefore, India launched its own indigenously built satellite IRS-IA on March I7, 1988. which is a remote sensing satellite. It is revolving in a Sun-synchronous orbit at a height of 904 km. round the earth every 103'2 minutes. It will cover entire Indian Sub-continent in 22 days, and will be operational for two years when fully operational it will provide a wealth of data to enable efficient mapping of resources in the field of agriculture, geology and hydrology.



---

# NATIONAL POLICY ON EDUCATION

Sri Hari Nath Sarma
Head, Department of Education

Education plays a vital role in the development of human potentials. Every country develops its system of education to meet the challenges of changing times. In our situation the developing educational system must build upon the gains of the past and the present for a better future for our people and, indeed, of mankind.

It is possible to reach all our people with the benefits of our economic and technical development through a well planned and well implemented system of education. Life in the coming decades is likely to bring us both challenges and opportunities. Coming generations must be well prepared to face the challenges and take advantage of the opportunities that come their way. They must develop the ability to think and apply new ideas constantly and creatively.

The main principle NPE-1986 that education is essentially for all; that education can promote the goals of socialism, secularism and democracy enshrined in our constitution, and that education. develops manpower for different levels of economy.

The National Education Policy of 1968 marked a significant step in the history of education in India. It aimed to promote national progress, a sense of common citizenship and culture, and to strengthen national integration. Since the adoption of the 1968 policy, there has been considerable expansion in the educational facilities all over the country at all levels. The introduction of 10+2+3 system in most of the states was the most not able achievement of the policy of 1968.

The essence of education policy of 1968 is a unique investment in the present and the future, This cardinal principle is the key to the national policy on education- It implies that, up to a given level, all students irrespective of caste, creed, location or sex will get equal opportunities for education. The system of education will be based on national curricular framework which contains a common core along with other components that are flexible, The common core will include the history of India's freedom movemont, the constitutional obligations and other content essential to nurture national identity. These elements will be designed to promote values such as India's cultural heritage, democracy and secularism, equality of the sexes, protection of the environment, removal of social barriers observance of the small family norm and inculcation of the scientific temper. The people should work for peace and understanding between nations, treating the whole world as one family, In the field of research and development, and education in science and technology, special measures will be taken. It will assume the responsibility of resource support for implementing programmes of educ tional transformation, reducing disparities,



universalisation of elementary education, adult literacy, scientific and technological research etc. Opportunities will be provided to the youth, housewives agricultural and industrial workers to continue the education of their choice.

The policy will lay emphasis on the removal of disparities and to equalise educational opportunities for all. The top priority will be given for removal of women's illiteracy. Proper attention will be paid for education of scheduled castes, seheduled tribes and people of backward areas, A vast programme of adult and continuing education will be implemented through various ways and channels. A full integration of child care and pre-primary education will be brought about. in the new education policy. A large and systematic programme of non-formal education will be launched for school drop outs, for children from habitations without schools, working children and girls who cannot attend whole-day schools.

Access to secondary education will be widened to cover areas unserved by it at present. Vocational education will be a district stream. intended to prepare students for identified occupations spanning several areas of activity. Efforts will be made to devise similar vocational courses based on Agriculture, Marketing, social services etc. The Higher Education provides people with an opportunity to reflect on the critical social, economic. cultural, moral and spiritual issues facing humanity. In the context of the unprecedented explosion of knowledge, higher education has become dynamic as never before, constantly entering uncharted areas, The state level planning and coordination of higher education will be done through councils of Higher Education. The open university system has been initiated in order to augment opportunities for higher education and as an instrument of democratising education. Delinking degrees from jobs and opening of Rural University are also specially considered in the new education policy, Proper attention are paid in the

lire of technical and management education. It will primarily aim at producing quality manpower capable of taking research and development functions.

Effort will be made to secure easy accessibility to books for all segments of the population. Measures will be taken to improve the quality of books, promote the reading habit and encourage creative writing. A nation wide movement for the improvement of existing libraries and the establishment of new ones will be taken up. Science education, Sports and Physical Education and the Role of Youth are also included in the programme of the educational policy.

Teachers' associations must play a significant role in upholding professional integrity, enhancing the dignity of the teacher and in curbing professional misconduct. An overhaul of the system of planning and the management of education will receive high priority. In view of these imperatives, education will be treated as a crucial area of investment for national development and survival.

[ Collection ]